● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন



আপুনি যদি নিজেই নিজৰ জীৱনৰ পথ নিৰ্ণয় কৰি নলয় তেন্তে আপুনি আনৰ পৰিকল্পনাত বন্দী হোৱাৰ সম্ভাৱনা থাকে। তেতিয়া ফলাফল কি হ'ব পাৰে নিশ্চয় ধাৰণা কৰিব পাৰে।

জিম ৰন
*আমেৰিকান উদ্যোক্তা*

৭ অ'মিক্ৰনত আক্ৰান্ত শিশু ঃ চিন্তিত চিকিৎসক
১৫ নিউজিলেণ্ডত ঐতিহাসিক টেষ্ট জয় বাংলাদেশৰ
৪ নতুন বছৰৰ আগমনে কঢ়িয়াই আনিছে আশাৰ ৰেঙণি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯১তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২১ পুহ ১৪২৮ ভাস্কৰাব্দ ৬ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 6 January 2022 মূল্য ঃ ৯.০০ টকা

■ পঞ্জাৱত সৰ্ববৃহৎ নিৰাপত্তা গাফিলতিৰ গ্ৰাসত প্ৰধানমন্ত্ৰী ■ কৃষকৰ অৱৰোধত যানজঁটত ফ্লাই অভাৱতে ২০ মিনিট আৱদ্ধ মোদী ■ পৰস্পৰক দোষাৰোপ ঃ কেন্দ্ৰ-ৰাজ্যৰ মাজত সংঘাত

# মই যে বাচি আহিলো, সেয়াই বহুত!



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৫ জানুৱাৰী ঃ** পঞ্জাৱত নিৰাপত্তাৰ বৃহৎ গাফিলতিৰ বাবে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হৈ গন্তব্য স্থানত উপস্থিত হ'ব নোৱাৰি দিল্লীলৈ উভতিবলগীয়া হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। কৃষকৰ প্ৰতিবাদৰ বাবে সৃষ্টি হোৱা যানজঁটত ১৫-২০ মিনিট সময় আৱদ্ধ হৈ থাকিল প্ৰধানমন্ত্ৰী মোদীৰ কনভয়। পঞ্জাৱৰ এটা কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে যোৱা সময়ত বিক্ষোভকাৰীৰ পথ অৱৰোধত এনে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হয়



প্ৰধানমন্ত্ৰী। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত এই বিক্ষোভ মোদীৰ উদ্দেশ্যে নাছিল বুলিও কোৱা হৈছে। প্ৰধানমন্ত্ৰীৰ সুৰক্ষা ব্যৱস্থা তচনচ কৰি পঞ্জাৱত আজি এদল প্ৰতিবাদকাৰীৰ বিক্ষোভৰ সন্মুখত মোদীৰ কনভয় অৱৰুদ্ধ হৈ পৰাৰ নজিৰবিহীন ঘটনাই কেন্দ্ৰ আৰু কংগ্ৰেছ শাসিত ৰাজ্য চৰকাৰৰ মাজত সংঘাতৰ সৃষ্টি কৰিছে। নিৰ্বাচনমুখী পঞ্জাৱত প্ৰধানমন্ত্ৰী মোদীয়ে হুছেনিৱালাত ৰাষ্ট্ৰীয় ছহিদ স্মাৰকত এক কাৰ্যসূচীত অংশগ্ৰহণৰ কথা আছিল। পুৱা ভাটিন্দা ছয় পৃষ্ঠাত চাওক

## ভি আই পিৰ ছিকিউৰিটীৰ প্ৰসংগত

■ দয়ানন্দ পাঠক



প্ৰথমতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক নতুন বছৰৰ বাবে ওলগ জনাই লওঁ। ওলগ জনোৱাটো এক নিত্য নৈমিত্তিক সংস্কৃতি। পিছে আমাৰ জাতীয় বৰ্ষটোৰ প্ৰথম দিনটোত জনালো নে ঔপনিৱেশিক চৰকাৰে দি থৈ যোৱা খ্ৰীষ্টীয় বৰ্ষটোৰ প্ৰথম দিনটোত নৱবৰ্ষৰ ওলগ জনালো সেইটোহে বিবেচনীয়। যি কি নহওক, আমি আমাৰ মুখ্যমন্ত্ৰীক নৱবৰ্ষৰ ১০ পৃষ্ঠাত চাওক

ক'ভিডৰ নতুন বিধি-নিৰ্দেশনা কেন্দ্ৰৰ


## সাত দিনতে অন্ত পৰিব নিজ গৃহত আইছ'লেছনৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৫ জানুৱাৰী ঃ** দেশত ক'ভিডৰ তৃতীয় ঢৌ বিয়পি পৰাৰ লগে লগে পুনৰ কঠোৰ হ'ল নীতি-নিৰ্দেশনা। কেন্দ্ৰীয় চৰকাৰে আজি এই পৰিপ্ৰেক্ষিতত মৃদু আৰু উপসৰ্গবিহীন আক্ৰান্তসকলৰ বাবে হোম আইছ'লেছনৰ নতুন নিৰ্দেশনা জাৰি কৰে। এই মৰ্মে যিসকলৰ মৃদু উপসৰ্গ আছে তেওঁলোকে ১০ পৃষ্ঠাত চাওক

■ এদিনতে ৫৫ শতাংশ বৃদ্ধি দেশৰ দৈনিক সংক্ৰমণ, মৃত্যুও বাঢ়িল চাৰিগুণ ■ ডেল্টাৰ দৰে ভয়াৱহ ৰূপ গ্ৰহণ কৰিব ঃ দাবী বিশেষজ্ঞৰ

## প্ৰথম অ'মিক্ৰন ৰোগীৰ মৃত্যু, চলিত মাহতে শীৰ্ষত আৰোহণ সংক্ৰমণৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৫ জানুৱাৰী ঃ** নতুন আশংকাৰ সৃষ্টিৰে ভাৰতত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত এজন ৰোগীৰ মৃত্যু হ'ল। ৰাজস্থানৰ উদয়পুৰৰ লক্ষ্মীনাৰায়ণ নগৰৰ বাসিন্দা ৭৩ বছৰীয়া লোক এজনে ক'ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হৈ শেষ নিশ্বাস ত্যাগ কৰিলে।



উল্লেখ্য যে ভাৰতত এয়ে প্ৰথমবাৰৰ বাবে অ'মিক্ৰনত আক্ৰান্তৰ মৃত্যু হ'ল। যোৱা ১৫ ডিচেম্বৰত উক্ত ব্যক্তিৰ শৰীৰত ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছিল আৰু ইয়াৰ পাছৰে পৰা তেওঁ চিকিৎসাধীন হৈ আছিল। যোৱা ৩১ ডিচেম্বৰৰ পুৱতি নিশা ৩-৩০ বজাত ব্যক্তিজনৰ ১০ পৃষ্ঠাত চাওক

ডিগাৰুৰ কিশোৰৰ সন্দৰ্ভত স্পষ্ট তথ্য নাই ঃ হোজাইৰ দ্বিতীয়জন আক্ৰান্ত ছৌদি আৰৱৰ পৰা আহিছিল ঃ ৰাজ্যত পাঁচদিনৰ ব্যৱধানত চাৰিগুণ বৃদ্ধি পালে ক'ভিড আক্ৰান্তৰ সংখ্যা

## অসমত অ'মিক্ৰন ঃ আক্ৰান্ত কিশোৰসহ দুই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ জানুৱাৰী ঃ** অৱশেষত অসমকো স্পৰ্শ কৰিলে অ'মিক্ৰনে। এটি কিশোৰসহ দুজনৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণৰ তথ্য পোহৰলৈ অহা বুলি আজি সদৰী কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। ইয়াৰে শ্বিলঙত সংক্ৰমণ ধৰা পৰা ৰোহন দাস (১৩) নামৰ মহানগৰীৰ সমীপৰ ডিগাৰুৰ



কিশোৰটিৰ সন্দৰ্ভত ৰাজ্যৰ স্বাস্থ্য বিভাগে এই পৰ্যন্ত বিতং তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হোৱা নাই। আনকি কিশোৰটিৰ সন্ধানো অসমৰ স্বাস্থ্য বিভাগে স্পষ্টকৈ লাভ কৰা নাই। অৱশ্যে স্বাস্থ্যমন্ত্ৰী মহন্তই সদৰী কৰে যে কিশোৰটিৰ পিতৃ-মাতৃক চিনাক্ত কৰা হৈছে। তদুপৰি ইতিমধ্যে কিশোৰটিৰ শেহতীয়া ক'ভিড ১০ পৃষ্ঠাত চাওক

■ আক্ৰান্তৰ শীৰ্ষত মহানগৰ-কামৰূপ-যোৰহাট-ডিব্ৰুগড়-কাছাৰ-হোজাই-নগাঁও ■ ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰ বাবে ৰাইজক জগৰীয়া স্বাস্থ্যমন্ত্ৰীৰ ■ আন্তঃৰাজ্যিক যাতায়াত বন্ধ নোহোৱা বাবেও সংক্ৰমণ বৃদ্ধি বুলি মন্তব্য ■ অসমত পৰাপক্ষত তলাবন্ধ নহয় ■ ৩,৮২,৬৮,১৮২ পালি প্ৰতিষেধক প্ৰদান

ছয় জনগোষ্ঠী ঐক্যমঞ্চৰ বৈঠক ■ আন্দোলন ঘোষণাৰ সম্ভাৱনা

■ মৌলিক-সাংবিধানিক অধিকাৰ জনজাতিয়ে বাধা দি ৰাখিব নোৱাৰে

## অধিকাৰহে বিচাৰিছো, কোনোবাই ভালপোৱা-বেয়াপোৱাৰ কথা নাহে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ জানুৱাৰী ঃ** ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোত কংগ্ৰেছৰ দৰেই বিজেপিয়েও চৰম মিথ্যাচাৰৰ আশ্ৰয় লোৱা বুলি অভিযোগ উত্থাপন কৰিছে ছয় জনগোষ্ঠীৰ ঐক্যমঞ্চই। বিগত ১৭ বছৰৰো অধিক সময় ঐক্যমঞ্চই জনজাতিকৰণৰ দাবীৰে একাধিকবাৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ স'তে আলোচনাত মিলিত হোৱাৰ সমান্তৰালভাৱে বিভিন্ন আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে যদিও কোনো সুফল লাভ কৰা নাই। ২০১৪ত কেন্দ্ৰত আৰু ২০১৬ত ৰাজ্যত বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হোৱাত নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি জনজাতিকৰণৰ আশাত বন্দী হৈ ঐক্যমঞ্চই আন্দোলনৰ কাৰ্যসূচী স্থগিত কৰি ১০ পৃষ্ঠাত চাওক

■ ১২ হেজাৰ কোটি টকা ব্যয় হ'ব ঃ ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ড° শৰ্মা

## ঋণ ৰেহাই ঃ অসমত এই সুবিধা দ্বিতীয়বাৰলৈ কোনেও দিব নোৱাৰে



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৫ জানুৱাৰী ঃ** 'নিৰ্বাচনৰ পূৰ্বে যেতিয়া মিটিঙত গৈছিলো তেতিয়া আইমাতৃসকলক কৈছিলো যে মাইক্ৰ'ফাইনেন্সৰ পৰা ঋণ লোৱা দুখীয়াসকলক ইয়াৰ পৰা ৰেহাই দিম। নিৰ্বাচনৰ আগত যোৱা দুবছৰ ধৰি আইমাতৃসকলে ঋণৰ ৰেহাইৰ বাবে আন্দোলন কৰিছিল। সেয়ে তেওঁলোকৰ লগত আলোচনাত বহি যেতিয়া গম পালো যে তেওঁলোকে ঋণ ঘূৰাই দিব নোৱৰা বাবে এজেন্টসকলে ঘৰৰ পৰা টিভি, ফ্ৰীজ, টিনপাট আদি লৈ গৈছে। ইয়াৰ বাবে ছয় পৃষ্ঠাত চাওক

নিৰ্বাচন পিছুৱাব নেকি পাঁচ ৰাজ্যৰ?


## ৰাজনৈতিক সভা-সমাৱেশ বন্ধ কৰাৰ চিন্তা আয়োগৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৫ জানুৱাৰী ঃ** ক'ভিডৰ তৃতীয় ঢৌৰ পৰিপ্ৰেক্ষিতত সমাগত পাঁচ ৰাজ্যৰ নিৰ্বাচন কিদৰে সুকলমে অনুষ্ঠিত কৰাটো সম্ভৱ? প্ৰয়োজন হ'লে সাময়িকভাৱে স্থগিত ৰখা হ'ব নেকি এই নিৰ্বাচন? এই বিষয়ক লৈ উদ্বিগ্ন দেশৰ নিৰ্বাচন আয়োগ। আগন্তুক ছয় পৃষ্ঠাত চাওক

■ ডংকামোকামৰ লাংফাংকিত নৃশংস কাণ্ড ■ বাসগৃহ ভাঙি লণ্ডভণ্ড, বয়-বস্তু ভাঙি চূৰমাৰ ■ লাঠি-জোং লৈ দলবদ্ধ আক্ৰমণত শিশুসহ ১৫জন আহত ■ ফাদাৰৰ ৰহস্যজনক ভূমিকা

## ডাইনী সন্দেহত ছটাকৈ পৰিয়ালক আক্ৰমণ





**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডংকামোকাম/বকলীয়াঘাট, ৫ জানুৱাৰী ঃ** বিজ্ঞান আৰু প্ৰযুক্তিৰ জয়যাত্ৰাই চূড়ান্ত শিখৰত আৰোহণ কৰাৰ সময়তে ৰাজ্যত অব্যাহত আছে মানৱ সমাজক লজ্জানত কৰা ডাইনীৰ দৰে অন্ধবিশ্বাসৰ ঘটনা। ৰাজ্যৰ বিভিন্ন ১০ পৃষ্ঠাত চাওক


■ গ্ৰন্থমেলাৰ অষ্টম দিনলৈ প্ৰতিষ্ঠানিক ক্ৰয় শূন্য ■ পুঁজিৰ নাটনিত ভুগিছে শিক্ষানুষ্ঠান

## পাঠক্ৰম, সহায়ক পুথিৰ বিক্ৰীও পূৰ্বৰ তুলনাত যথেষ্ট কম

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ জানুৱাৰী ঃ** অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত আয়োজন কৰা 'অসম গ্ৰন্থমেলা'ৰ আজি অষ্টম দিন।



মহানগৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত যোৱা ২৯ ডিচেম্বৰৰ পৰা ১২ দিনীয়াকৈ আৰম্ভ হোৱা 'অসম গ্ৰন্থমেলা'ৰ বাকৰিত প্ৰৱেশ কৰা লোকৰ সংখ্যা বাহ্যিক ৰূপত সন্তোষজনক যদিও গ্ৰন্থ বিক্ৰীৰ পৰিমাণ একপ্ৰকাৰ উদ্বেগজনক। বিশেষকৈ চলিত ২০২১-২২ বৰ্ষৰ অসম গ্ৰন্থমেলাত প্ৰতিষ্ঠানিক ক্ৰয় শূন্য। কে'বাজনো প্ৰকাশকে 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়া ছয় পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১২° |
| ডিব্ৰুগড় | ২৪° | ১০° |
| দিল্লী | ১৬° | ১৩° |
| কলকাতা | ২৫° | ১৩° |
| মুম্বাই | ২৯° | ২৩° |
| চেন্নাই | ২৮° | ২৩° |
| বাংগালুৰু | ২৭° | ১৬° |
| শ্বিলং | ১৭° | ০৭° |

*৫ জানুৱাৰী, ২০২২*

## তিনি লক্ষাধিক ভোটাৰ বৃদ্ধিৰে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ জানুৱাৰী ঃ** ৰাজ্যত বৃদ্ধি পালে ৩.৩৫ লাখ ভোটাৰ। আজি ৰাজ্যজুৰি প্ৰকাশ হয় নতুন ভোটাৰ তালিকা। অসমৰ মুখ্য নিৰ্বাচনী বিষয়া ১০ পৃষ্ঠাত চাওক

■ কে'বাজনো মন্ত্ৰীয়েও কৰিছে আবেদন

## দুদিনীয়া বিশেষ নৈমিত্তিক ছুটী ঃ জনতা ভৱনত নাথাকে ৫০ শতাংশ কৰ্মী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ জানুৱাৰী ঃ** পিতৃ-মাতৃৰ লগত সময় অতিবাহিত কৰিব পৰাকৈ প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে অহা ছয় আৰু সাত জানুৱাৰীত অতিৰিক্ত নৈমিত্তিক ছুটী ঘোষণা কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীসকলক বাদ দি এই ছুটী মন্ত্ৰীয়েও ছয় পৃষ্ঠাত চাওক

## পেং লৈ আদালতত পচা, ন্যায়িক জিম্মালৈ প্ৰেৰণ

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ৫ জানুৱাৰী ঃ** সৌ সিদিনালৈকে ত্ৰাসৰ সৃষ্টি কৰি সৰ্বসাধাৰণ লোকৰ নিদ্ৰাহৰণ কৰা ড্ৰাগছ মাফিয়া ৰমেশ বাচফৰ ওৰফে পচাই আজি দুহাতত পেং লৈ ভগ্ন শৰীৰেৰে হাজিৰ হ'ল যোৰহাট সত্ৰ ন্যায়াধীশৰ আদালতত। বিয়লি চাৰে তিনি বজাত কটকটীয়া নিৰাপত্তাৰ ১০ পৃষ্ঠাত চাওক


নিশা একাংশ ছাত্ৰৰ অশ্ৰাব্য গালি-গালাজ ঃ শিল-মদৰ বটল নিক্ষেপ

## কটন বিশ্ববিদ্যালয়ৰ নিৰ্বাচনত মিশ্ৰিত ফলাফল ঃ সভাপতি পদ ছাত্ৰ পৰিষদলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী ৫ ডিচেম্বৰ ঃ** কটন বিশ্ববিদ্যালয়ৰ গৰিমা ম্লান কৰি ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ নিশাই কটন বিশ্ববিদ্যালয়ৰ এটা ছাত্ৰাৱাসত সংঘটিত হয় আক্ৰমণৰ ঘটনা। বিশ্ববিদ্যালৰ এম এন ডি পি ছাত্ৰাৱাসত একাংশ উদণ্ড ছাত্ৰই যোৱা নিশা প্ৰায় ১২ বজাত আক্ৰমণ কৰে। আক্ৰমণকাৰীয়ে ছাত্ৰাৱাসৰ কোঠালৈ সুৰাৰ বটল, শিলগুটি আদি দলিয়াই বহুকেইখন খিৰিকী তথা ভেন্টিলেটৰৰ আইনা ভাঙি পেলায়। ছাত্ৰাৱাসত হঠাতে সংঘটিত হোৱা এই ঘটনাই বিশ্ববিদ্যালয়ৰ চৌহদত চাঞ্চল্যৰ সৃষ্টি কৰে। ইপিনে, এই ঘটনাত বিশ্ববিদ্যালয়ৰ ১০ পৃষ্ঠাত চাওক



## চেঙা তেল




*দুদিন ছুটী ল'ব যে, সেই কাৰণে মাক-দেউতাকক সেৱা কৰাৰ প্ৰেক্টিছ কৰি আছে!*

শ্ৰমিক-কৃষিজীৱীৰ সমস্যা সমাধানৰ দাবীত চিপিআইৰ প্ৰতিবাদী কাৰ্যসূচী ■ চৰকাৰক তুলাধুনা ট্ৰেড ইউনিয়নৰ নেত্ৰী অমৰজিৎ কৌৰৰ

## আলু-পিঁয়াজৰ মূল্য মন্দিৰ-মছজিদে নহয়, চৰকাৰেহে নিৰ্ধাৰণ কৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৫ জানুৱাৰী ঃ** দেশৰ শ্ৰমজীৱী জনতাৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ বিপৰীতে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰে কেৱল জাত-পাত-ধৰ্মৰ নামত জনতাক ভাগ ভাগ কৰি ৰাজপাট দখলৰ ষড়যন্ত্ৰ অব্যাহত ৰাখিছে। আজি এইদৰেই কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে সৰৱ হয় নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা অমৰজিৎ কৌৰে। ৰাজ্যৰ শ্ৰমিক আৰু কৃষিজীৱী ৰাইজৰ জ্বলন্ত সমস্যাৱলী সমাধানৰ দাবীত চিপিআইৰ ৰাজ্যিক সমিতিৰ অসমৰ উদ্যোগত আৰু এ আই টি ইউ চি, কৃষক সভাৰ আহ্বানত মহানগৰীৰ ধৰ্ণাস্থলী



চচলত ৰূপায়ণ কৰা গণধৰ্ণা আৰু সমাবেশত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় নেত্ৰীগৰাকীয়ে বিজেপি নেতৃত্বাধীন চৰকাৰৰ জাত-পাত-ধৰ্মৰ নামত জনতাৰ মাজত আৰু ভাগ-বাটোৱাৰা নচলিব বুলি মন্তব্য কৰে। প্ৰায় ডেৰ ঘণ্টাজোৰা উদাত্ত ভাষণত কৌৰে দেশত অব্যাহত থকা অভূতপূৰ্ব মূল্যবৃদ্ধিত জনজীৱন জুৰুলা হোৱাৰ আঁৰত চৰকাৰৰ ভুল নীতিয়ে জগৰীয়া বুলি মন্তব্য কৰে। জনসাধাৰণৰ সমস্যাসমূহে যাতে মূৰ দাঙি উঠিব নোৱাৰে সেয়ে ধৰ্মৰ নামত ব্যস্ত ৰাখি চৰকাৰে জনতাক ভাগ ভাগ কৰি আহিছে বুলি অভিযোগ কৰে। তেওঁ কয়, 'যিখন সংবিধান প্ৰস্তুতৰ সময়ত শ্ৰমিক-মজদুৰৰ অলেখ ১০ পৃষ্ঠাত চাওক

## আইআইটি গুৱাহাটীত ৭০জন ক'ভিড আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ৫ জানুৱাৰী ঃ** আইআইটি গুৱাহাটীত ক'ভিডৰ গণ সংক্ৰমণৰ ঘটনা ধৰা পৰিছে। ৬০গৰাকী শিক্ষাৰ্থীৰ লগতে অধ্যাপকৰ দেহত ধৰা পৰিছে ক'ভিডৰ সংক্ৰমণ। ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৬ জানুৱাৰী, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## বিলাসনন্দন চ'ৰা



# বুক ফেয়াৰ এণ্ড ফেয়াৰ এণ্ড লাভলী

মেলা চলিছে। কিতাপৰ মেলা। কিতাপ মেলিবলৈ কাৰোবাৰে হাতত টাইম নাথাকিব পাৰে, কিন্তু কিতাপৰ মেলালৈ আহিবলৈ আটাইৰে হাতত টাইম আছে। আনকি পাঠ্যপুথিৰ কিতাপ মেলি মুখস্থ কৰাতকৈ গুলুগুলু নে গুগুলু খুলি লৈ পটককৈ শুদ্ধ এনছাৰটো লিখি দিয়াকে মডাৰ্ণ মেথড অব ষ্টাডী বুলি ভবা ল'ৰা-ছোৱালীবোৰেও কিন্তু কিতাপৰ মেলালৈ যাবলৈ বৰ পছন্দ কৰে। সিহঁতে ভাবি লয় যে পঢ়া-শুনালৈ ধাউতি নাই বুলি দিনৰ দিনটো গালি দি থকা ল'ৰাই যেতিয়া আহি ক'ব— 'পাপা, অলপ পইচা দিয়ানা! বুক ফেয়াৰ যাওঁ', বাপেকৰ মূৰত চকুৰ আহি যোৱা যেন হয়। কিতাপৰ লগত কোনোদিনে কোনো ৰিলেছন নকৰা, কিতাপকে ডাই হাৰ্ড এনিমী জ্ঞান কৰা ল'ৰাটোৱে যদি বুক ফেয়াৰলৈ যাব খোজে আৰু তাক যাবলৈ দিয়া নহয়, তেন্তে সেয়া কম আনফেয়াৰ কথা হ'ব নেকি? এইটো বেলেগ কথা যে বুক ফেয়াৰত বুক বিচাৰি যোৱাতকৈ তাত ইফালে-সিফালে ঘূৰি ফুৰা কোনোবা এজনী ফেয়াৰ এণ্ড লাভলীক বুক্ কৰাৰ ধান্দাতহে তাৰ অন্তৰত বুকী বুকী ভাৱ জাগি উঠিছে আৰু বুক ফেয়াৰলৈ গমন কৰিছে। দুই-একে আকৌ খৰচ কমোৱাৰ ধান্দাতো ল'ৰা-তিৰোতাক বুক ফেয়াৰলৈ লৈ গৈছে। ল'ৰা-ছোৱালীৰ একজাম শেষ। গতিকে ক'ৰবালৈ ফুৰাবলৈ নিয়াৰ প্ৰেছাৰ পৰিছে বাপেকৰ ওপৰত। বেলেগলৈ ফুৰাবলৈ নিলে বহু টকাৰ খৰচ। ইটো লাগিব সিটো লাগিব বুলি বকি বকি পকেট ফুটাই পেলাব। কিন্তু কিতাপৰ মেলালৈ নিলে 'অমুকখন কিতাপ লাগে', 'তমুকখন কিতাপ লাগে' বুলি এবাৰলৈও খাটনি নধৰে, সেই অগাধ বিশ্বাস ল'ৰা-তিৰোতাৰ ওপৰত আছে। গতিকে বহুতে বুক ফেয়াৰলৈ যোৱাটোকে অগ্ৰাধিকাৰ দিছে। বিশেষ খৰচ একো নাই। খুব বেছি এক প্লেট ঘুগ্‌নি। বচ লেঠা খতম।

বুক ফেয়াৰ আৰম্ভ হ'লেই এটা প্ৰশ্ন বৰকৈ শুনা যায় যে ভিৰ বাৰু হৈছে, কিন্তু কিতাপ কিনিছে কিমানে? বহুতে কিনিছে। নাই কিনা বুলি ক'লে সত্যৰ অপলাপ হ'ব বা অসত্যৰ প্ৰলাপ হ'ব। বেছিভাগে কিতাপ কিনিছে বিভিন্ন ক্ৰাইটেৰিয়াক আগত ৰাখি। যিবোৰ কিতাপৰ ক'ভাৰটো মোটা, ছাইজ ডাঙৰ, কিন্তু দাম কম, তেনে কিতাপৰ ডিমাণ্ড বেছি। কিয়?



কাৰণ সেইবোৰ কিতাপ ৰঙা-নীলা কাগজেদি মেৰিয়াই দিলে এটা। ষ্টেণ্ডাৰ্ড ছাইজ হৈ যায়। বিয়া-বাৰুত গিফ্‌ট দিবলৈ ভাল হয়। বৰ ডাঙৰ আৰু দামী কিতাপ দিয়া যেন লাগে। কিন্তু বিয়া-বাৰুত দিয়া কিতাপৰ প্ৰথম বগা পেজটোত যদি একো লিখা নাথাকে, তেতিয়াহে কিতাপখন লৈ দৰাই ভাল পায়। কিয়? কাৰণ সি বেলেগৰ বিয়াত সেইখনকে গিফ্‌ট দি দিব পাৰিব। পইচা বাচি যাব। এই যে এখনৰ পাছত আনখন বিয়া, আনখনৰ পাছত সিখন বিয়াত ঘূৰি থকা কিতাপবোৰক এটা নিৰ্দিষ্ট শ্ৰেণীত ভৰাব লগা হৈছে। যেনে ষ্ট'ৰী বুক, চিল্‌ড্ৰেন বুক, জাংগল বুক, ঠিক তেনেকৈ বিয়া-বাৰুত দিব পৰা বুকবোৰক আমি 'মেৰী বুক' নাম দিব পাৰো। চিন্তকসকলে এনেয়ে থকাতকৈ এইবোৰ কথাকে চিন্তা কৰি চাব পাৰে।

সদায় সদায় বুক ফেয়াৰত অজস্ৰ গ্ৰন্থ উন্মোচন হয়। চাৰি-পাঁচজনমানে মিলি একোখনকৈ কিতাপ ওপৰলৈ দাঙি ধৰে, হৈ গ'ল উন্মোচন। কিতাপ বিক্ৰী কৰাসকলে কয় যে এনেকৈ যে গ্ৰন্থবোৰ উন্মোচন হয়, তাৰ বেছিভাগেই দোকান আহিয়ে নাপায়, আদবাটতে খতম হয়। উন্মোচনৰ কাৰণে চাৰি-পাঁচখন কিতাপ কিবাকৈ ছপাই অনা হয়। পাছৰখিনি আৰু ছপা নহয়। লেখক হ'লে ঘৰৰ মানুহে কয়, 'পেপাৰত ফটোখন ওলাল যেতিয়া হৈছে আৰু! অজস্ৰ কিতাপ ছপাই মিছাতে পইচাসোপা খৰচ কৰিব নালাগে। কোনেও নপঢ়ে-চপঢ়ে সেইবোৰ!' লেখিকা যদি হয়, গিৰীয়েকে মৰম লগাকৈ ক'ব, 'ডাৰ্লিং! তোমাৰ কিতাপখন পঢ়িলো বুজিছা!'

ঃ শেষ কৰিলানে?

ঃ পঢ়িও শেষ কৰিলো আৰু মূৰৰ বিষৰ টেবলেটকেইটাও শেষ কৰিলো।

ঃ কি?

ঃ তোমাৰ কিতাপৰ লাষ্ট পেজটো পঢ়ি শেষ কৰিছো আৰু লাষ্ট টেবলেটটোও খাই শেষ কৰিছো।

ঃ তাৰ মানে মোৰ কিতাপখন পঢ়ি মানুহে নাকান্দে।

ঃ কান্দিব— মূৰৰ বিষত!

বুক ফেয়াৰত আমাৰ ৰাইটাৰবোৰৰ খোজ-কাটল, ভাব-ভংগী চাবলগীয়া হয়। যেন সৃষ্টি আৰু বৌদ্ধিকতাই এনে ভৰ দিছে যে সেই ভৰত তেওঁলোকে ভালকৈ খাড়া হ'ব পৰা নাই। ভৰি বেকাই বেকাই খোজ কাঢ়িব লগা হৈছে। যাকেই লগ পায় তাকেই 'খবৰ ভাল নে' বুলি সুধি ফুৰিছে, যাতে বিপৰীত পক্ষৰ পৰা সোধা হয়— 'এইবাৰ আপোনাৰ কি কি কিতাপ ওলাইছে।'

ঃ বহু কিতাপ ওলাইছে।

ঃ সব বেচা গ'ল নে?

ঃ হয় হয়! সব বেচা গ'ল— ছোফা, টিভি, ফ্ৰিজ, টেবুল...

ঃ তেন্তে আপোনাৰ সংসাৰ?

ঃ মোৰ কিতাপবোৰৰ শেষ শব্দটো— সমাপ্ত!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## উদ্ভাৱক উদ্ধৱ ভৰালীৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**


**লখিমপুৰ, ৫ জানুৱাৰী ঃ** অসমৰ বিজ্ঞান জগতত ন ন থলুৱা আৱিষ্কাৰে বিজ্ঞান ক্ষেত্ৰখনত চমকনি সৃষ্টি কৰা অসমৰ থলুৱা বিজ্ঞানী উদ্ধৱ ভৰালীৰ বিৰুদ্ধে উত্থাপিত হৈছে যৌন নিৰ্যাতন তথা ধৰ্ষণৰ অভিযোগ। প্ৰাপ্ত তথ্য অনুসৰি, এজন নাবালিকাক দীৰ্ঘদিন ধৰি যৌন নিৰ্যাতন চলাই আহিছিল। এই সন্দৰ্ভত লখিমপুৰ থানাত ভৰালীৰ বিৰুদ্ধে ভুক্তভোগী পৰিয়ালে দিয়া এজাহাৰৰ ভিত্তিত ১৩৩২/২২ আৰু ভাৰতীয় দণ্ড বিধিৰ ধাৰাৰ অধীনত ৩৫৪/৩৭৬/৩৭৬/৩৭৬ ধাৰা আৰু পস্কো আইনৰ যোৱা ১৮ ডিচেম্বৰত গোচৰ পঞ্জীয়ন কৰা হৈছে। উল্লেখ্য যে লখিমপুৰৰ এটা শিশু গৃহৰ পৰা আনি নাবালিকা গৰাকীক লালন-পালন কৰাৰ দায়িত্ব লৈছিল *ছয় পৃষ্ঠাত চাওক*

## গ্ৰাহামপুৰত চাউল সহ মিনি ট্ৰাক জব্দ

# জব্দকৃত চাউলক কেন্দ্ৰ কৰি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া-চিপাহীৰ মাজত সংঘাত

**তামাৰহাট, ৫ জানুৱাৰী ঃ** চোৰাং চাউল জব্দ কৰাক কেন্দ্ৰ কৰি কোকৰাঝাৰ জিলাৰ গোসাইগাঁও থানাৰ অন্তৰ্গত গ্ৰাহামপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আৰু এগৰাকী চিপাহীৰ মাজত তীব্ৰ সংঘাতৰ সৃষ্টি হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, যোৱা নিশা পশ্চিমবংগৰ অবৈধ চাউল ব্যাৱসায়ী চক্ৰ এটাই ডব্লিউবি-৬৯এ-৬১৩৭ নম্বৰৰ মিনি ট্ৰাক এখনত কোকৰাঝাৰ জিলাৰ বাঁশবাৰীৰ পৰা ১৬ কুইন্টল অবৈধ চাউল বোজাই কৰি তামাৰহাট-হাৱাফুটা গড়কাপ্টানী পথেৰে শ্ৰীৰামপুৰ হৈ পশ্চিমবংগৰ দিশে তীব্ৰ গতিত গৈ আছিল। ইফালে, আন দিনাৰ দৰে যোৱা নিশাও গ্ৰাহামপুৰ আৰক্ষী চকীত কৰ্মৰত ৰঞ্জিত সৰকাৰ নামৰ চিপাহী এজনৰ নেতৃত্বত পহৰাৰত আৰক্ষীৰ দলটোৱে উক্ত তীব্ৰবেগী গাড়ীখন প্ৰত্যক্ষ কৰি ৰখাবলৈ সংকেত দিয়ে। কিন্তু চালকে গাড়ী নৰখাই তীব্ৰ বেগেৰে গুচি যায়। তৎক্ষণাত আৰক্ষীৰ দলটোৰ গাড়ীখনৰ পাচে পাচে খেদি *ছয় পৃষ্ঠাত চাওক*

## সোঁতৰ বিপৰীতে



## ■ তামুলপুৰ এবছুৰ ৩৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সামৰণিত দ্বীপেন বড়োৰ

# জাতিৰ উন্নয়নৰ বাবে শিক্ষিত হ'বই লাগিব



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৫ জানুৱাৰী ঃ** তিনি জানুৱাৰীৰ পৰা তামুলপুৰ মহকুমাৰ অন্তৰ্গত নিজ ডেফেলী বড়োলেণ্ড সমন্বয় ক্ষেত্ৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত তামুলপুৰ আঞ্চলিক এবছুৰ সোণালী জয়ন্তী উৎসৱ আৰু ৩৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। আজি দুপৰীয়া তামুলপুৰ আঞ্চলিক এবছুৰ সভাপতি অজিত বড়োৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে বাগ্‌সা জিলা এবছুৰ সভাপতি উমেশ দৈমাৰীয়ে। সভাখন উদ্বোধন কৰি দৈমাৰীয়ে কয়, 'জন্মলগ্নৰে পৰা জাতিটোৰ উন্নয়নৰ কাম কৰি অহা নিখিল বড়ো ছাত্ৰ সন্থাই আজি সোণালী বৰ্ষত ভৰি দিছে। বড়ো জাতিৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত এবছুই বহু ত্যাগ স্বীকাৰ কৰাৰ ফলত আজি বড়োসকলে উন্নয়নৰ মুখ দেখিছে।' উক্ত সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে কয়, 'বড়ো জাতিৰ ভাষা, সাহিত্য-সংস্কৃতি জীয়াই ৰাখি জাতিটোৰ সৰ্বাংগীণ উন্নয়নৰ কাৰণে নিখিল বড়ো ছাত্ৰ সন্থাই বিগত ৫০ বছৰ ধৰি সংগ্ৰাম চলাই আহিছো। এবছুৰ নেতৃত্বত চলা দীৰ্ঘদিনীয়া বড়ো আন্দোলনৰ ফলশ্ৰুতিত আমি বিটিআৰ পাবলৈ সক্ষম হৈছো। আমাৰ জাতীয় অস্তিত্ব জীয়াই ৰাখিবলৈ সক্ষম হৈছো।' এবছুই সদায় ৰাইজৰ হৈ কাম কৰি যাব বুলি মন্তব্য কৰি এবছুৰ সভাপতি বড়োৱে পুনৰ কয়, ' বড়ো জাতিৰ অধিকাৰ আঁজুৰি অনাৰ বাবে আমি কাম কৰিব লাগিব। এটা জাতিৰ উন্নয়ন হ'ব লাগিলে জাতিটো শিক্ষিত আৰু অৰ্থনৈতিকভাৱে টনকিয়াল হ'ব লাগিব। গতিকে বড়ো জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিকভাৱে আগবঢ়াই নিয়াৰ বাবে কিছু গঠনমুলক কাম কৰিব লাগিব। জাতিটোৰ উন্নয়নৰ বাবে আমি এটা শৈক্ষিক আৰু অৰ্থনৈতিৰ বিপ্লৱ আনিব বিচাৰিছো। সমান্তৰালভাৱে আমি ৰাজ্যৰ অইন জাতি-জনগোষ্ঠীৰ *ছয় পৃষ্ঠাত চাওক*

# বনভোজ খাবলৈ যাওঁতে বাহনৰ পৰা পৰি যুৱকৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৫ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰে নিৰ্দেশমৰ্মে জিলা প্ৰশাসনসমূহে দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰাৰ চেষ্টা চলোৱাৰ মাজতে একাংশ আইন অমান্য লোকৰ বাবে পুনৰ সংঘটিত হৈছে পথ দুৰ্ঘটনা। ইয়াৰ মাজতে আজি ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ডত সংঘটিত হয় এক অঘটন। খোলা বাহনত উঠি ভৈৰৱকুণ্ড অভিমুখে বনভোজৰ বাবে গৈ থকা অৱস্থাত বাহনৰ পৰা পৰি যোৱাৰ ফলত এজন যুৱকৰ মৃত্যু হয়। প্ৰাপ্ত তথ্য অনুসৰি, দৰঙৰ খাৰুপেটীয়াৰ পৰা এটা দলে এ-এছ-০১ এচি-১৮৯৯ নম্বৰৰ মহিন্দ্ৰ পিক আপ' ভানৰ পিছফালে থিয় হৈ ভৈৰৱকুণ্ডলৈ বনভোজৰ বাবে গৈ আছিল। তেনে অৱস্থাত পুৱা প্ৰায় ১০ বজাত ভৈৰৱকুণ্ডৰ দিনা মিছন চ'কত খোলা বাহনখনৰ পৰা এজন যুৱক তললৈ পৰি যায়। গুৰুতৰভাৱে আহত যুৱকজনক চিকিৎসা প্ৰদানৰ বাবে নিয়াৰ যো-জা চলাওতেই মৃত্যু হয়। নিহত যুৱকজন দৰং জিলাৰ খাৰুপেটীয়া হাস্পতাল ৰোডৰ ময়নুল হক (২২)। অভিযোগ মতে, ভৈৰৱকুণ্ড পথৰ কাঁহিবাৰীত আজি *ছয় পৃষ্ঠাত চাওক*

# বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত এ বি ভি পি-আছুৰ সংঘাত

**বিশেষ সংবাদদাতা**


**বৰপেটা, ৫ জানুৱাৰী ঃ** ৰাজ্যৰ আগশাৰীৰ মহাবিদ্যালয় মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে । বিদ্যাৰ্থী পৰিষদৰ আঠগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন পদত জয়লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে, মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত এইবেলি প্ৰথমবাৰৰ বাবে অৱতীৰ্ণ হৈছিল অগপৰ ছাত্ৰ সংগঠন অসম ছাত্ৰ পৰিষদ। সংগঠনটোৰ চাৰিজনকৈ প্ৰাৰ্থী জয় লাভ কৰি দ্বিতীয় স্থানত থাকিবলৈ সক্ষম হয়। অসম ছাত্ৰ পৰিষদৰ পৰা সাধাৰণ সম্পাদক পদত ইনজামুল হক, সাহিত্য সম্পাদক পদত অংকিতা চক্ৰৱৰ্তী, তৰ্ক সম্পাদক পদত ৰূপচান আলী, সমাজ সেৱা পদত জহুৰুল ইছলাম আৰু শৰীৰ চৰ্চা সম্পাদক পদত আশীকুল ইছলাম জয়ী হয়। আনহাতে, সভাপতি পদত যুৱ চিত্ৰশিল্পী নিৰ্জুৰাজ দাস বিজয়ী হয়। মন কৰিবলগীয়া যে মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সদায় আধিপত্য বিস্তাৰ কৰি অহা আছুৱে এইবাৰ মাত্ৰ দুটা পদত জয়লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে মাধৱ চৌধুৰী মহাবিদ্যালয়ত আজি অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আছু আৰু এবিভিপিৰ মাজত মুকলি সংঘাত সৃষ্টি হয়। আজি মহাবিদ্যালয়খনত অনুষ্ঠিত ছাত্ৰ একতা নিৰ্বাচনৰ ভোটদানৰ লগতে ঘোষণা কৰা হয় নিৰ্বাচনৰ ফল। ফলাফল ঘোষণাৰ পাছতে আছু আৰু এভিবিপি সদস্য-কৰ্মীৰ মাজত সৃষ্টি হয় মুকলি সংঘাত। এভিপিৰ কৰ্মীয়ে আছু কৰ্মীক প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে আছুৰ সমৰ্থক একাংশ ছাত্ৰীৰ গাতো হাত দিয়াৰ অভিযোগ উঠিছে এগৰাকী এবিভিপ কৰ্মীৰ বিৰুদ্ধে। জনৈক ৰাকেশ নামৰ এবিভিপি সদস্যজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰিছে স্থানীয় আছুই। আছুৰ অভিযোগ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ নহয় ৰাকেশ নামৰ এবিভিপি সদস্যজন। আনহাতে, নিজৰ সদস্য-কৰ্মীসকলৰ বিৰুদ্ধে *ছয় পৃষ্ঠাত চাওক*

# গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ অধীনত থকা দুটা বিধানসভা সমষ্টিৰ চূড়ান্ত সংশোধনী ভোটাৰ তালিকা প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ৫ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা প্ৰশাসনে আজি ২৮ নম্বৰ গোসাঁইগাঁও আৰু ২৯ নম্বৰ কোকৰাঝাৰ জনজাতি সংৰক্ষিত সমষ্টিৰ সংশোধনী ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। গোসাঁইগাঁও মহকুমাধিপতি কাৰ্যালয়ৰ সভাগৃহত আয়োজন কৰা এক সংবাদমেল সম্বোধন কৰি মহকুমাধিপতি তথা জিলা নিৰ্বাচনী বিষয়া মছন্দা পাৰ্টিনে সংশোধনী ভোটাৰ তালিকাখন প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰা মতে, ২৮ নম্বৰ গোসাঁইগাঁও সমষ্টিত ৯৭,৯৮৫ জন পুৰুষ ভোটাৰৰ বিপৰীতে আছে ৯৫,০৮৯ গৰাকী মহিলা ভোটাৰ। বিগত সময়ত সমষ্টিটোত ৪,০৮৩ গৰাকী ভোটাৰৰ নাম অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে ২,২৮০ ভোটাৰৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে। আনহাতে, সমষ্টিত তৃতীয় লিংগৰ ভোটাৰ আছে দুগৰাকী। ইয়াকে লৈ সৰ্বমুঠ ১,৯২,০৭৬ গৰাকী ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিৱিষ্ট হৈছে। আনহাতে, ২৯ নম্বৰ কোকৰাঝাৰ পশ্চিম জনজাতি সমষ্টিত ৯৫,৬১১ জন পুৰুষ ভোটাৰৰ উপৰি ৯১,৭০০ গৰাকী মহিলা ভোটাৰ আছে। সংশোধনী ভোটাৰ তালিকাত ৩,৪৪৭ গৰাকী ভোটাৰৰ নাম নতুনকৈ অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে ২,০৫১ গৰাকী ভোটাৰৰ নাম তালিকাৰ পৰা কৰ্তন হৈছে। সমষ্টিটোত ১,৩৯৬ গৰাকী ভোটাৰ বৃদ্ধিৰে মুঠ ভোটাৰৰ সংখ্যা হ'ল ১,৮৭,৩১২ গৰাকী। দুয়োটা সমষ্টিত ভোটাৰ তালিকাৰ সংশোধনী প্ৰক্ৰিয়াত ভোটাৰসকলে নিজৰ নাম অন্তৰ্ভুক্ত আৰু কৰ্তনৰ সুবিধা লাভ কৰিব বুলিও মহকুমাধিপতি মছন্দা পাৰ্টিনে সংবাদমেলত সদৰী কৰিছে। সংবাদমেলত মহকুমা নিৰ্বাচনী বিষয়া আহমেদুল্লাহ ঠাকুৰীয়া, সহকাৰী আয়ুক্ত প্ৰিয়ংকৰ প্ৰতীম ডেকা, গোসাঁইগাঁও ৰাজহ চক্ৰ বিষয়া কমলজ্যোতি বৰা উপস্থিত থাকে।

# ইউপিএচিৰ সৰ্বভাৰতীয় পৰ্যায়ত ৫২ সংখ্যক স্থান দখলৰে উজলিল তেজপুৰৰ নেহা



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৫ জানুৱাৰী ঃ** যোৱা নিশা ঘোষিত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা পৰিচালিত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ২০২০ৰ সহকাৰী অধিনায়কৰ চূড়ান্ত পৰীক্ষাত তেজপুৰৰ নেহা বৰাই দেশৰ ভিতৰত ৫২সংখ্যক স্থান দখল কৰি উত্তীৰ্ণ হৈছে। তেজপুৰ ডিপোটাৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়া তপেশ্বৰ বৰা আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উপ-অধিনায়ক *ছয় পৃষ্ঠাত চাওক*

## আক্ৰান্ত কে'বাজনো

# ডিমাকুছিত বিষাক্ত মাটি আলু খাই এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৫ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত আটাৰীখাট চাহ বাগিচাত আজি বিষাক্ত মাটি আলু খাই এজনৰ মৃত্যু হোৱাৰ লগতে আন কে'বাজনো গুৰুতৰভাৱে অসুস্থ হয়। উল্লেখ্য যে কালি আটাৰীখাট অঞ্চলৰ পশ্চিম কাচ্চিম নামৰ লোকজনে আটাৰীখাট চাহ বাগিচাৰ গধূলি বজাৰৰ মাটি আলু আনিছিল। মাটি আলু খাই লোকজন শৌচ, বমি হোৱাত আজি সংকটজনক



অৱস্থাত লোকজনক আটাৰীখাট চাহ বাগিচাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসালয়তে তেওঁৰ মৃত্যু হয়। আনহাতে, মাটি আলু খাই কে'বাজনো লোক আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হৈছে। মাটি আলু বিক্ৰী কৰা অসাধু ব্যৱসায়ীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে স্থানীয় ৰাইজে।

# জনীয়াৰ কাদঙত ভোগালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

**কলগাছিয়া, ৫ জানুৱাৰী ঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও বৰপেটা সদৰৰ পশ্চিম প্ৰান্তত অৱস্থিত কাদং বজাৰত বিভিন্ন কাৰ্যসূচীৰে ভোগালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। তদুপলক্ষে আজি লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে জনীয়া আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদৰ সম্পাদক আব্দুল মালিকে। দোকান-পোহাৰ, চাৰ্কাছ, নাগৰতলা আদিৰ সমাহাৰেৰে অহা ১৩ৰ পৰা ২০ জানুৱাৰীলৈ বিস্তৃত্ব কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব ভোগালী বিহু। ভোগালী বিহুৰ লগত সংগতি ৰাখি আলোচনাচক্ৰ কবিতা আবৃত্তি, কুইজ, গীত-মাত, ক্ৰীড়া আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে চৰ-চাপৰি লোক-সংস্কৃতিৰ আধাৰত কবি গান আৰু প্ৰতি দিনাই আকৰ্ষণীয় সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰা হ'ব বুলি উদ্‌যাপন সমিতিয়ে জনাইছে। চৰকাৰী নীতি-নিয়মৰ মাজেৰে *ছয় পৃষ্ঠাত চাওক*

# সোণাপুৰত চিনাক্ত অ'মিক্ৰণৰ আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ৫ জানুৱাৰী :** কৰ'না অতিমাৰীৰ শেহতীয়া ভেৰিয়েন্ট অ'মিক্ৰনে বিশ্বজুৰি সংহাৰ সৃষ্টি কৰি থকাৰ সময়তে ৰাজ্যত প্ৰথমবাৰৰ বাবে এজন কিশোৰৰ দেহত ধৰা পৰিছে অ'মিক্ৰনৰ অৱস্থিতি। অ'মিক্ৰনৰ সংক্ৰমণত পৰা কিশোৰজন হৈছে কামৰূপ মহানগৰ জিলা তথা সোণাপুৰৰ মৈৰাকুছিৰ ৰোহন দাস (১৩)। সোণাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ডিগাৰু-মৈৰাকুছিত এঘৰত ভাড়াতীয়াৰূপে থকা মুন্না দাস আৰু পূৰ্ণিমা দাসৰ সন্তান ৰোহন। উল্লেখ্য যে মুন্না কৰ্মসূত্ৰে মুম্বাইত *ছয় পৃষ্ঠাত চাওক*

## সদৌ অসম ভিত্তিত বিভিন্ন প্ৰতিযোগিতা সম্পন্ন

# ধিঙত নগাঁও মহকুমা-ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**ধিং, ৫ জানুৱাৰী ঃ** ধিঙৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ প্ৰাংগণত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে নগাঁও মহকুমা ছাত্ৰ সন্থা আৰু ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পতাকা উত্তোলন, ছহিদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কৰা হয়। পতাকা উত্তোলন কৰে ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰজ্যোতি নাথে, ছহিদ তৰ্পণ কৰে ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হীৰকজ্যোতি বৰাই আৰু স্মৃতি তৰ্পন কৰে ধিঙৰ প্ৰাক্তন আছুৰ সদস্য ৰুদ্ৰকান্ত শইকীয়াই। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰদুষণ মুক্ত আৰু সেইজীকৰণৰ বাবে বৃক্ষ ৰোপন কাৰ্যসূচী মুকলি কৰে সাংবাদিক তৰুণ বৰাৰ লগতে সমাজসেৱক শশধৰ দেৱনাথে। ইয়াৰ পিচতে শিশুসকলৰ মাজত সদৌ অসম ভিত্তিত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। দ্বিতীয় দিনা কাইলৈ ধিঙৰ প্ৰতিখন বিদ্যালয়-মহাবিদ্যালয়ৰ পৰা নিজৰ সাংস্কৃতিক শৈলী আৰু বিভিন্ন জাতি জনগোষ্ঠীয় নৃত্য আৰু শংকৰী কলা-সংস্কৃতিৰে এক শোভাযাত্ৰা ধিঙৰ ৰাজপথত উলিওৱা হ'ব। উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ লগতে বহুকেইগৰাকী জনপ্ৰিয় শিল্পী। নিশা সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী সুৱাসনা দত্ত।

# বিশ্বনাথত চূড়ান্ত খচৰাৰ তালিকা প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৫ জানুৱাৰী ঃ** বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ত আজি জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই ৰাজ্যৰ প্ৰতিখন জিলাৰ লগতে প্ৰতিটো সমষ্টিৰ ভোটাৰ তালিকা সন্দৰ্ভত সংবাদমেল সম্বোধন কৰে। এই সংবাদমেলৰ জৰিয়তে বিশ্বনাথ আৰু বিহালী সমষ্টিৰ ভোটাৰৰ চূড়ান্ত খচৰাৰ তালিকা প্ৰকাশ কৰে। ইতিমধ্যে নতুনকৈ অন্তৰ্ভুক্ত হোৱা আদি কৰি বিভিন্ন ভোটাৰ তালিকাৰ লগত জড়িত বিভিন্ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি অৱশেষত আজি জাৰি কৰে ভোটাৰ তালিকাৰ চূড়ান্ত খচৰা। উল্লেখ্য যে উপায়ুক্ত মিশ্ৰই সংবাদমেলত অৱগত *ছয় পৃষ্ঠাত চাওক*

# সৰ্বভাৰতীয় পৰ্যায়ত উজলিল পাঠশালাৰ ৰাতুল ৰয়



**বিশেষ সংবাদদাতা**

**পাঠশালা, ৫ জানুৱাৰীঃ** কালি ঘোষণা কৰা কেন্দ্ৰীয় লোকসেৱা আয়োগৰ চিএপিএফ(এচিএছ)পৰীক্ষাৰ ফলাফলত উজলিল অসমৰ দুই সন্তান। দেশৰ ভিতৰতে শিক্ষানগৰী পাঠশালাৰ ৰূপনগৰৰ মেধাৱী যুৱক ৰাতুল ৰয়ে ১৭৭ নম্বৰ স্থান লাভ কৰিছে। শিক্ষানগৰী পাঠশালাৰ দুই নম্বৰ ৱাৰ্ডৰ ৰূপনগৰৰ বাসিন্দা প্ৰয়াত সুৰথ ৰয় আৰু গোলাপী ৰয়ৰ চতুৰ্থ সন্তান হ'ল ৰাতুল। পাঠশালাত চাহ দোকানৰ ব্যৱসায় কৰা প্ৰয়াত সুৰথ ৰয়ে অতি কষ্টৰে নিজৰ তিনিগৰাকী কন্যাসহ দুই পুত্ৰক শিক্ষাত আগবঢ়াই নিছিল যদিও শৈশৱতে পিতৃহাৰা হোৱা পৰিয়ালটোৰ মুৰব্বী হিচাপে মাতৃ গোলাপী ৰয়ে পৰিয়ালৰ সকলো দায়িত্ব চম্ভালি লৈছিল। ২০০৪ত বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ৰাতুলে ২০০৬ৰ জানুৱাৰীত *ছয় পৃষ্ঠাত চাওক*

# সমাজকৰ্মী অৱসৰপ্ৰাপ্ত কৰ্মচাৰী দানেশ্বৰ কলিতাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দুনী, ৫ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত খটৰা সত্ৰৰ একান্ত সেৱক-সমাজকৰ্মী অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী দানেশ্বৰ কলিতা (৬৫)ৰ আকস্মিকভাৱে অসুস্থ হৈ যোৱা নিশা মৃত্যুমুখত পৰাত দিপীলা অঞ্চলত শোকৰ ছাঁ পৰে। অসম চৰকাৰৰ ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা খটৰা গাঁও নিবাসী কলিতাৰ কালি হঠাৎ শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হোৱাত চিকিৎসালয়লৈ নিয়া হয় *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২১ পুহ ১৪২৮ভাস্কৰাব্দ ৬ জানুৱাৰী ২০২২

# চীনৰ ষড়যন্ত্ৰ


চীনৰ চৰকাৰী দৈনিক কাকত 'গ্ল'বেল টাইমছ'ত প্ৰকাশ পাইছে যে আমেৰিকা আৰু ভাৰতৰ মাজত যি সম্পৰ্ক সেই সম্পৰ্কতকৈ ভাৰত আৰু চীনৰ সম্পৰ্কৰ গুৰুত্ব বেছি। উল্লেখ্য যে শেহতীয়াভাৱে চীন-ভাৰতৰ মাজত সীমা সমস্যাক কেন্দ্ৰ কৰি বিবাদ তথা সংঘাতে তীব্ৰ ৰূপ লৈছে আৰু আনকি দুয়ো দেশৰ মাজত যুদ্ধৰ আশংকায়ো দেখা দিছে। বিশেষকৈ গালৱানত চীনৰ সেনাই ২০২০ত অপ্ৰত্যাশিতভাৱে আক্ৰমণ কৰাত ২০ জন ভাৰতীয় সেনা ছহিদ হোৱাৰ পাছৰে পৰা সীমান্তৰ পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰে। দুয়ো দেশে নিজ নিজ সীমাত হেজাৰ হেজাৰ সেনা নিয়োগ কৰিছে। চীনৰ ভাৰত-বিৰোধী কাৰ্যকলাপ দেখি ভাৰতেও যিকোনো আক্ৰমণ প্ৰতিৰোধ কৰিব পৰাকৈ প্ৰস্তুত হৈছে। ভাৰতে আমেৰিকাকো উদ্বিগ্ন কৰা ৰাছিয়াৰ এছ-৪০০ অত্যাধুনিক ক্ষেপণাস্ত্ৰ ক্ৰয় কৰিছে আৰু ফ্ৰান্সৰ পৰা ৰাফেল যুদ্ধ বিমান ক্ৰয় কৰিছে। ভাৰতে শেহতীয়াকৈ ৰাছিয়াৰ পৰা ছয় লাখ এ কে-২০৩ এছল্ট ৰাইফল ক্ৰয়ৰ চুক্তি স্বাক্ষৰ কৰিছে আৰু প্ৰথম পৰ্যায়ত ৭০ হেজাৰ এ কে-২০৩ ৰাইফল ভাৰতে লাভ কৰিব। এই অত্যাধুনিক ৰাইফল ভাৰতীয় সেনাবাহিনীক প্ৰদান কৰা হ'ব। উল্লেখ্য যে ভাৰতৰ সেনাবাহিনীয়ে এতিয়াও বহু পুৰণি ৰাইফল ব্যৱহাৰ কৰি আছে। ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰাও বিভিন্ন অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিছে। ভাৰতৰ এনে সামৰিক শক্তি বৃদ্ধিৰ প্ৰধান উদ্দেশ্য হ'ল চীনক ভেটা দিয়া; কিন্তু সীমা বিবাদক কেন্দ্ৰ কৰি সীমান্তত উত্তেজনা বৃদ্ধি পাইছে যদিও দুই দেশৰ মাজত হেজাৰ হেজাৰ কোটি টকাৰ বাণিজ্যিক লেনদেন অব্যাহত আছে। ভাৰতে চীনা সামগ্ৰী বৰ্জনৰ কথা কৈছে যদিও চীনা সামগ্ৰীৰে দেশ ভৰি পৰিছে। ঔষধৰ পৰা ইলেক্ট্ৰনিক সামগ্ৰীলৈকে— বিভিন্ন ৰেডিমে'ড সামগ্ৰী, যন্ত্ৰাংশ আদি ভাৰতে চীনৰ পৰা আমদানি কৰিবলৈ বাধ্য। ভাৰতৰ ঔষধ প্ৰস্তুতকাৰী কোম্পানীবিলাকৰ বাবে ৭০ শতাংশ কেঁচা সামগ্ৰী যোগান ধৰি আহিছে চীন দেশে। চীন দেশৰ কেঁচা সামগ্ৰীৰ যোগান বন্ধ হ'লে ভাৰতৰ ঔষধ প্ৰস্তুতকাৰী উদ্যোগসমূহ বন্ধ হৈ পৰিব। ইয়াৰ ফলত ভাৰতত ঔষধৰ অভাৱ হ'ব। এনেবোৰ কাৰণতে চীনৰ চৰকাৰী মুখপত্ৰত চীন-ভাৰতৰ সম্বন্ধ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰা হৈছে; কিন্তু চীনৰ ভূমিকা সন্দেহজনক। ইয়াৰ ভাৰত-বিৰোধী নীতিয়ে সৰ্বাধিক গুৰুত্ব লাভ কৰিছে। শেহতীয়াকৈ চীনে অৰুণাচল প্ৰদেশৰ ১৫টা অঞ্চলৰ চীনা নামেৰে নতুনকৈ নামকৰণ কৰা কাৰ্যত ভাৰতে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি ইয়াৰ প্ৰতিবাদ কৰিছে। চীনে এইদৰে নাম সৃষ্টি কৰা কাৰ্যত ভাৰত সামান্যতমো আতংকিত হোৱা নাই। অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু ই সদায় ভাৰতৰ অবিচ্ছেদ্য অংগ হৈয়ে থাকিব। এয়ে ভাৰতৰ স্পষ্ট আৰু দৃঢ় স্থিতি। চীনে অৰুণাচলৰ স্থানসমূহ চীনা নামেৰে নতুনকৈ নামকৰণ কৰি সেই স্থানবিলাক চীনৰ বুলি দাবী কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। চীনে ইয়াৰ আগেয়েও ২০১৭ত অৰুণাচলৰ ছটা স্থান চীনা নামেৰে নামকৰণ কৰিছিল। অৰুণাচল প্ৰদেশক নিজৰ বুলি দাবী কৰিবলৈ গৈ চীনে অৰুণাচল প্ৰদেশৰ স্থানসমূহৰ চীনা নামেৰে নতুনকৈ নামকৰণ কৰিছে ষড়যন্ত্ৰমূলকভাৱে।

চীনে অৰুণাচলক দক্ষিণ তিব্বত বা 'জাংনান' বুলি দাবী কৰি আহিছে। অৰ্থাৎ অৰুণাচল প্ৰদেশ তিব্বতৰ এটা অঞ্চল বা অংশ; কিন্তু তিব্বতকো চীনে ১৯৪৯ত চীনা সেনাবাহিনীৰ সহায়ত দখল কৰিছিল। বৃহৎ সেনাবাহিনীৰ সহায়ত এইদৰে সাৰ্বভৌম এটা অঞ্চল দখল কৰি চীনা শাসন প্ৰৱৰ্তন কৰিছিল বলপূৰ্বকভাৱে। তিব্বত দখলৰ পাছত এতিয়া চীনে ভাৰতৰ অংগ ৰাজ্য অৰুণাচল প্ৰদেশক দক্ষিণ তিব্বত নাম দি দখলৰ ষড়যন্ত্ৰ অব্যাহত ৰাখিছে। তিব্বত দখল কৰি তাত চীনা কমিউনিষ্ট শাসন প্ৰৱৰ্তন কৰিবলৈ সক্ষম হোৱাৰ পাছত অৰুণাচল প্ৰদেশকো তিব্বতৰ এটা অংশ দক্ষিণ তিব্বত বুলি দাবী কৰি ইয়াক দখল কৰাৰ ষড়যন্ত্ৰ চলাইছে; কিন্তু চীনে যিদৰে সহজে ইয়াৰ বৃহৎ সেনাবাহিনীৰ সহায়ত ১৯৪৯ত তিব্বত দখল কৰিলে, সেইদৰে ভাৰতৰ অংগৰাজ্য অৰুণাচল প্ৰদেশ দখল কৰা সম্ভৱ নহ'ব। ভাৰতে ইয়াৰ অংগৰাজ্য অৰুণাচলৰ বাবে সৰ্বশক্তি প্ৰয়োগ কৰিব।

চীনেও হয়তো এই মুহূৰ্তত ভালদৰে জানে যে অৰুণাচল দখল কৰিবলৈ যোৱা মানে ভাৰতৰ বিৰুদ্ধে আক্ৰমণ বা যুদ্ধ। ভাৰতৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হোৱাটো চীনৰ বাবে হ'ব অতি বিপজ্জনক। চীনে সেয়ে যুদ্ধ কৰিবলৈ নগৈ অৰুণাচল প্ৰদেশৰ স্থানসমূহকে চীনা নামেৰে নামকৰণ কৰাত লাগি গৈছে। এইদৰে নামকৰণ কৰি অৰুণাচল প্ৰদেশ চীনৰ অন্তৰ্ভুক্ত কৰিব পাৰিব বুলি ভবাটো হ'ব মাৰাত্মক ভুল। ভাৰতেও এতিয়া অৰুণাচল প্ৰদেশ সীমান্তত সুৰক্ষা ব্যৱস্থা পূৰ্বতকৈ অধিক শক্তিশালী কৰি তুলিছে। সীমান্তত পহৰা অধিক শক্তিশালী কৰাৰ প্ৰয়োজন। চীনে ইয়াৰ মানচিত্ৰত যি মন যায়, কৰিব পাৰে; কিন্তু অৰুণাচলৰ সীমা পাৰ হৈ চীন সৈন্য যাতে ভিতৰলৈ সোমাই আহিব নোৱাৰে, সেয়া ভাৰতৰ সেনাবাহিনীয়ে নিশ্চিত কৰিব লাগিব। চীনে অৰুণাচল প্ৰদেশৰ সীমাৰ ভিতৰত বহুতো ঘৰ নিৰ্মাণ কৰাৰ ছবি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। চীনে এই ঘৰবিলাক সামৰিক বাহিনীৰ ব্যৱহাৰৰ বাবে নিৰ্মাণ কৰা বুলিও প্ৰকাশ পাইছে। চীনে পথ আৰু দলং আদি সীমান্তত নিৰ্মাণ কৰিছে বুলি প্ৰকাশ পাইছে। চীনে ইয়াৰ সেনাবাহিনীৰ বাবেই যে এইবিলাক কাৰ্যকলাপ অব্যাহত ৰাখিছে, সেয়া স্পষ্ট। চীনৰ কাৰ্যকলাপক ভাৰতে সহজভাৱে লোৱা উচিত নহ'ব। সেয়ে লাডাখ অঞ্চলৰ দৰেই অৰুণাচল প্ৰদেশৰ সীমা সুৰক্ষাও শক্তিশালী কৰাটো অত্যন্ত জৰুৰী।

## খোলা মঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



'**চিৰ** চেনেহী মোৰ ভাষা জননী'। আই অসমীৰ অসমীয়া ভাষা জননী বিশ্ব বিজয়িনী। জগত সভাত স্থান প্ৰাপক, ৰাজমৰ্যাদা মণ্ডিত, বিভিন্ন জনগোষ্ঠীৰ অসমীয়া ভাষা জননীৰ ভাষা সম্পদ। সৌ তাহানিৰে পৰা অলেখ ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি অসমীয়া ভাষা এইখিনি অৱস্থা পাইছেহি যদিও অস্তিত্বৰ সংকটে কোনোদিন অসমীয়া ভাষাক ৰেহাই দিয়া নাই। দুষ্কৃতিকাৰী অপশক্তিবোৰেও ভাষাটোক প্ৰতিহত কৰাৰ ষড়যন্ত্ৰ কোনোদিনেই এৰি দিয়া নাই। ভাষাপ্ৰেমী মনীষীসকলৰ যত্নত ঠন ধৰি উঠিও বাৰে বাৰে ভাষা জননীৰ গাৰ চাদৰখন যেন খহি খহি যোৱাৰ উপক্ৰম হৈছে। ভাষা জননীৰ মান ৰক্ষাৰ বাবে ভালেকেইজন অসমীয়া সুযোগ্য সন্তানে জীৱন বলিদান দিব লগা হৈছে। কাব্য-গ্ৰন্থ ৰচনাৰে অসমীয়া ভাষাক সঞ্জীৱনী প্ৰদান কৰা কত শতজনে ধৰাৰ পৰা বিদায় লৈছে ইতিপূৰ্বে। তথাপি এচাম অসমীয়া জনগণেও নিজৰে ভাষাটোক এলাগী কৰাৰ অহোপুৰুষাৰ্থ কৰিছে। ভাষা-শিক্ষা লওক সকলোৱে। তাত আপত্তি নাই; কিন্তু নিজৰ ভাষাটো ল'ৰা-ছোৱালীৰ মুখৰ পৰা আঁতৰাবলৈ যত্ন কৰাটো সহিবলৈ টান লাগে।

**পৰাণ চন্দ্ৰ দাস** *লেখক*

ইংলণ্ড-আমেৰিকা-কানাডাৰ পৰা অসমীয়া ভাষাপ্ৰেমীয়ে উৎকৃষ্ট ৰচনাৱলীৰে অসমীয়া ভাষাৰ প্ৰচাৰ-প্ৰসাৰ কৰি আছে অহৰ্নিশে; কিন্তু কি কাৰণত এই অসমীয়া মানুহখিনিয়ে মা-দেউতাক আদি শব্দৰ ঠাইত নতুন ৰূপ দিলে। ইও চাগে এক প্ৰতিভায়ে। আমি আশা কৰো যে বিভিন্ন ভাষাত পাৰদৰ্শিতা লাভ কৰাটো বিজ্ঞজনৰ কথা। লগতে নিজকে নাপাহৰিলে কোনো দোষ নাই। জীয়াই থাকো মানে যাতে সুৱদি সুৰীয়া অসমীয়া ভাষা সৰ্বকালৰ উজ্জ্বলত্বৰ হৈ থাকে, এয়া আমাৰ কামনা। তাৰ বাবে নবীন-প্ৰবীণসকলৰ লগতে নতুন প্ৰজন্মই ভাষাটোৰ উন্নতি সাধিবলৈ আগবাঢ়ি আহিলে ভাষাৰ বোৱতী সুঁতি চিৰকালে প্ৰৱাহিত হৈ থাকিব। মোৰ দেশ মোৰ ভাষা। ইয়াক নিশ্চিহ্ন কৰাৰ সুযোগ সচেতন অসমবাসীয়ে প্ৰাণান্তেও এৰি নিদিব বুলি আশা কৰিছো।

*ফোন ঃ ৯৮৫৪২৯৪০২০*


দুৰ্যোগৰ অমানিশাৰ পাছত

# নতুন বছৰৰ আগমনে কঢ়িয়াই আনিছে আশাৰ ৰেঙণি

## বছৰটোৰ অধিক সময় জনসাধাৰণৰ জীৱন ব্যাঘাত কৰা আন্দোলন কোনেও নিবিচাৰে

**অসমীয়া মানুহৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি আকৰ্ষণ কমি ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি বৃদ্ধি হোৱা আকৰ্ষণ, ৰাজ্যভাষা আইন বলৱৎ কৰাৰ ক্ষেত্ৰত অনীহা আৰু বৈদ্যুতিন মাধ্যমত কৰা ভাষাৰ বিকৃতিকে অনেকেই আমাৰ ভাষাটোৰ প্ৰতি অহা ভাবুকি বুলি গণ্য কৰে**

### সোঁতৰ বিপৰীতে চিন্তা



**প্ৰবীণ চৌধুৰী**

**যোৱা** দুবছৰৰ তুলনাত এইবাৰৰ নতুন বছৰটোৰ আগমনে মানুহৰ মনলৈ কিছু হ'লেও উদ্দীপনা কঢ়িয়াই আনিছে। ক'ভিড ৰোগৰ প্ৰাদুৰ্ভাৱে অনা শংকা আৰু সন্ত্ৰাসৰ বাবে ২০২০ আৰু ২০২১ৰ বছৰ দুটাত নতুন বছৰৰ আদৰণি উৎসৱত চেঁচাপানী পৰিছিল। দুবছৰৰ অন্তত পুৰণি বছৰৰ বিদায় আৰু নতুন বছৰৰ আদৰণি উৎসৱ এইবাৰ কিছু হ'লেও আনন্দ আৰু উদ্দীপনাৰ মাজেৰে উদযাপন কৰা হৈ গ'ল।

প্ৰাক-ক'ভিড কালৰ বছৰবোৰৰ দৰেই এই বছৰো নতুন বছৰৰ আগমনে মানুহৰ মনত আশাৰ সঞ্চাৰ কৰিছে, অনেকেই পৰস্পৰৰ মাজত শুভেচ্ছাৰ আদান-প্ৰদান কৰিছে, পুৰণি বছৰটোৰ কাম-কাজৰ খতিয়ান লৈছে আৰু অনেকেই নতুন বছৰত কৰিবলগীয়া কাম-কাজ আদিৰ পৰিকল্পনাৰে 'নিউ ইয়াৰ ৰিজলিউচন'ও লৈছে।

নতুন বছৰৰ আদৰণি উৎসৱ পালন, শুভেচ্ছাৰ পাৰস্পৰিক আদান প্ৰদান, 'নিউ ইয়াৰ ৰিজলিউচন' গ্ৰহণ আদি পশ্চিমীয়া সংস্কৃতি। ই এতিয়া আমাৰ দেশ, ৰাজ্য আৰু জাতি-জনগোষ্ঠীৰ সংস্কৃতিত সোমাই পৰিছে। আনৰ সংস্কৃতি আদৰি লোৱাত আগৰণুৱা অসমীয়া জাতিৰ বাবে নতুন বছৰৰ উৰুকা আৰু মাঘ বিহুৰ উৰুকাৰ আনন্দোৎসৱ একেই হৈ পৰিছে আৰু নতুন বছৰৰ আৰম্ভণিতেই ইজনে-সিজনক সুখ, শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধিৰ বাবে শুভেচ্ছা জনোৱাৰ প্ৰথাটো অসমীয়া সংস্কৃতিত প্ৰায় সোমাই পৰিছে। শুভেচ্ছা জনোৱাৰ লগতে সুখ-শান্তি-সমৃদ্ধি আহৰণত সহায় হোৱাকৈ ইজনে-সিজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়োৱাৰ প্ৰথা এটাও যদি প্ৰচলিত হ'লহেঁতেন তেন্তে সমাজখন অধিক বাসোপযোগী আৰু সুন্দৰ হৈ পৰিলেহেঁতেন।

সমাজ বোলোতে সাধাৰণতে নিজৰ লগতে আপোনজন, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া, নিজৰ কৰ্মক্ষেত্ৰৰ সহযাত্ৰীসকল, একে বৃত্তিৰ লোক, গীত, নৃত্য, অভিনয়, ক্ৰীড়া আদি বিশেষ বিষয়ৰ প্ৰতি আগ্ৰহী লোক-সমষ্টিৰে গঠিত সমাজ আদিৰ কথা চিন্তা কৰিব পাৰি। শিক্ষক সমাজ, গায়ক সমাজ, শিল্পী সমাজ, চিকিৎসক সমাজ, বিভিন্ন খেলৰ খেলুৱৈৰ সমাজ আদি একে বৃত্তি আৰু বিশেষ বিষয়ৰ প্ৰতি অনুৰাগী লোকেৰে গঠিত সমাজৰ উদাহৰণ। এই সমাজসমূহৰ সদস্যসকলে ইজনে-সিজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়োৱাৰ লগতে তেওঁলোকৰ পৰিয়ালবোৰৰ প্ৰতিও সহায়ৰ হাত আগবঢ়াব পাৰে। সমাজৰ এই পৰিসৰৰ পৰা এখোপ আগবাঢ়ি গৈ আমি নিজ নিজ জাতি-জনগোষ্ঠীক সামৰি এখন বৃহৎ সমাজৰ কথা চিন্তা কৰিব পাৰো যেনে— অসমীয়া সমাজ, বাঙালী সমাজ, বড়ো সমাজ, মিচিং সমাজ, বিহাৰী সমাজ ইত্যাদি। তাতোতকৈ বৃহৎ সমাজ হ'ব এখন ৰাজ্যৰ সমূহ ৰাজ্যবাসীক সামৰি লৈ কল্পনা কৰা সমাজ; আৰু তাতোতকৈও বৃহৎ সমাজ হ'ব এখন দেশৰ সমূহ দেশবাসীক সামৰি কল্পনা কৰা সমাজ। নানা বিভিন্নতা থকা সত্ত্বেও সমূহ দেশবাসীক সামৰি এখন ভাৰতীয় সমাজৰ কল্পনা কৰা যিমান সহজ, সমূহ অসমবাসীক সামৰি এখন অসমীয়া সমাজৰ কল্পনা কৰাটো সিমান সহজ নহয়। জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে দেশখনৰ বিভিন্ন প্ৰান্তত বসবাস কৰা লোকে নিজকে ভাৰতীয় বুলি ক'বলৈ দ্বিধাবোধ নকৰে; কিন্তু অসমত স্থায়ীভাৱে বসবাস কৰা বিভিন্ন ভাষাভাষী, ধৰ্মীয় আৰু জাতি-জনগোষ্ঠীৰ লোকৰ সৰহভাগেই নিজকে অসমীয়া বুলি ক'বলৈ টান পায়। কাৰণ, জাতীয় আৰু ভাষিক চেতনা থকা লোকে নিজৰ জাতীয় আৰু ভাষিক পৰিচয় এৰিব নোখোজে। কলকাতা বা পাটনাত স্থায়ীভাৱে বসবাস কৰা অসমীয়াই নিজকে কেতিয়াও বাঙালী বা বিহাৰী বুলি নাভাৱে; অসমীয়া বুলিয়েই ভাবে। তেনেদৰে অসমত বসবাস কৰা আন ভাষা-ভাষী লোকেও নিজ ভাষিক পৰিচয়েৰে পৰিচয় দিব খোজে; কিন্তু অনেক অসমীয়াই অসমত বসবাস কৰা সকলো লোককে অসমীয়া বুলি ক'ব খোজে। কুৰি শতিকাৰ আগছোৱালৈকে অসমত বসবাস কৰা সকলো লোকক অসমীয়া বুলি ভবা হৈছিল। অনেক উগ্ৰ জাতীয়তাবাদী অসমীয়াই এতিয়াও তেনেদৰেই ভাবে। কিন্তু এতিয়া সকলো অসমবাসী অসমীয়া নহয়। আন ভাষিক আৰু জাতীয় পৰিচয়ৰে পৰিচিত বিভিন্ন সম্প্ৰদায়ৰ লোক অসমত স্থায়ীভাৱে বসবাস কৰে। আনকি এসময়ত অসমীয়া বুলি গণ্য কৰা বড়োসকলেও নিজকে অসমীয়া বুলি নকয়। এতিয়া যে সকলো অসমবাসী অসমীয়া নহয়, এই বাস্তৱ সত্যটো অসমীয়াই হৃদয়ংগম কৰিব পৰা নাই বা হৃদয়ংগম কৰিব খোজা নাই। নতুন বছৰটোত অসমীয়াই এই বিষয়টোৰ ওপৰত চিন্তা-চৰ্চা কৰি বাস্তৱ সত্যটো উপলব্ধি কৰাৰ চেষ্টা কৰিব নোৱাৰে নে? অসমত বসবাস কৰা বিভিন্ন সম্প্ৰদায়ৰ মাজৰ সম্প্ৰীতি অক্ষুণ্ণ ৰখা আৰু বৃদ্ধি কৰাৰ বাবে অসমীয়া মানুহে পুৰণিকলীয়া মানসিকতা পৰিহাৰ কৰি নতুন বাস্তৱবাদী আৰু বহল মানসিকতা গঢ়ি তোলাটো সময়ৰ আহ্বান বুলি গণ্য কৰিব পাৰি।

ব্যক্তিগত পৰ্যায়ত বছৰৰ আৰম্ভণিতে মানুহে পাৰস্পৰিক সুখ, শান্তি আৰু সমৃদ্ধিৰ বাবে যেনেদৰে চিন্তা কৰে, তেনেদৰে নিজ নিজ ভাষা, জাতি-জনগোষ্ঠী আৰু নিজ নিজ ৰাজ্যৰ সমৃদ্ধি আৰু শান্তিৰ বাবেও চিন্তা কৰিব পাৰে। প্ৰতিদিনে কথাটো অন্ততঃ এবাৰ স্মৰণ কৰি নিজৰ সাধ্য অনুসৰি জাতিটোৰ উত্তৰণ আৰু ৰাজ্যখনৰ শান্তি আৰু প্ৰগতিৰ বাবে পৰাখিনি কৰাৰ বাবে বছৰৰ আৰম্ভণিতে সকলোৱে সংকল্পবদ্ধ হ'ব নোৱাৰে নে?

প্ৰথমে আহো ভাষাৰ কথালৈ। অসমীয়া ভাষালৈ সংকট নামি অহা বুলি আৰু ভাষাটোৰ ভৱিষ্যতক লৈ উদ্বিগ্নতা প্ৰকাশ কৰি কাকতে-পত্ৰই সমালোচনা হৈ থকা দেখা যায়। অসমীয়া মানুহৰ মনত কিয় এনে নেতিবাচক চিন্তা সোমাইছে বুজা নাযায়। বড়ো বা বাঙালী ভাষাৰ ভৱিষ্যতক লৈ উদ্বিগ্নতা প্ৰকাশ কৰা লেখা কিন্তু মই দেখা নাই। অসমীয়া মানুহৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি আকৰ্ষণ কমি ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি বৃদ্ধি হোৱা আকৰ্ষণ, ৰাজ্যভাষা আইন বলৱৎ কৰাৰ ক্ষেত্ৰত অনীহা আৰু বৈদ্যুতিন মাধ্যমত কৰা ভাষাৰ বিকৃতিকে অনেকেই আমাৰ ভাষাটোৰ প্ৰতি অহা ভাবুকি বুলি গণ্য কৰে। চৰকাৰে প্ৰতিটো সমষ্টিতে একোখনকৈ ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰিব খোজা সিদ্ধান্ত আৰু অসম প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ পৰা অসমীয়া ভাষাৰ অপসাৰণৰ সিদ্ধান্তইও অসমীয়া ভাষাপ্ৰেমীৰ মনত নতুন শংকাৰ সৃষ্টি কৰিছে। এচাম অসমীয়াই চৰকাৰে নাগৰিকত্ব আইনৰ সংশোধনেৰে অসমত বাঙালী হিন্দুক নাগৰিকত্ব প্ৰদান কৰি অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে বুলিও শংকা প্ৰকাশ কৰিছে। এনে এক ভিন্নমুখী কে'বাটাও চিন্তা বা ধাৰণা একত্ৰিত কৰি বুদ্ধিজীৱী আৰু জাতীয় সংগঠনসমূহে সকলোৱে গ্ৰহণযোগ্য এক সমাধান সূত্ৰ



আগবঢ়াই চৰকাৰৰ ওচৰত একেমুখে দাবী উত্থাপন কৰিব পাৰিলেহে সমস্যাটোৰ সমাধানৰ পথ মুকলি হ'ব। সংগঠনসমূহে বহুধা বিভক্ত হৈ বেলেগে বেলেগে দাবী উত্থাপন কৰি আন্দোলন কৰি থাকিলে একো ফল নধৰে। গতিকে নতুন বছৰটোৰ আৰম্ভণিতে সমূহ জাতীয় সংগঠনৰ মাজত ঐক্য স্থাপনৰ প্ৰচেষ্টা আৰম্ভ কৰাৰ অঙ্গীকাৰ সংগঠনসমূহৰ বাবে নতুন বছৰৰ সংকল্প হ'ব পাৰে।

এতিয়া আহোঁ শান্তি আৰু প্ৰগতিৰ বিষয়লৈ। উল্লেখ নিস্প্ৰয়োজন যে, শান্তি অবিহনে প্ৰগতি অসম্ভৱ। অসমখন প্ৰায়েই অস্থিৰ আৰু অশান্ত হৈ থাকে। তাৰ কাৰণে প্ৰগতিৰ গতি হৈছে লেহেমীয়া। 'লাহে লাহে'ৰ দেশ অসমত ক্ষিপ্ৰ প্ৰগতি আনিবলৈ হ'লে শান্তি আনিবই লাগিব। অসমৰ অশান্তিৰ এক অন্যতম কাৰণ হৈছে অসমত সঘনাই চলি থকা প্ৰতিবাদ আৰু আন্দোলন। ছাত্ৰ সন্থাৰ লগত থকা ৩০টা আৰু কৃষক মুক্তিৰ লগত থকা ৭০টা, মুঠ এশটাৰো অধিক তথাকথিত জাতীয় সংগঠনে কেতিয়াবা অকলে আৰু কেতিয়াবা যুটীয়াভাৱে যিকোনো অজুহাতত অসম ভিত্তিত, অঞ্চল ভিত্তিত অথবা স্থানীয় পৰ্যায়ত প্ৰতিবাদ আৰু আন্দোলন কৰাটো তেওঁলোকৰ ধৰ্মস্বৰূপ হৈ পৰিছে। অলপতে ডিব্ৰুগড়ত ছাত্ৰ সংগঠনৰ মাজত হোৱা সংঘাতৰ ফলশ্ৰুতিত ছাত্ৰ নেতা আঘাতপ্ৰাপ্ত হোৱা আৰু ছাত্ৰ সংগঠনৰ সদস্যক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত তাৎক্ষণিকভাৱে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বন্ধ দিয়া হৈছিল। সেই আন্দোলনৰ দীঘলীয়া কাৰ্যসূচী ঘোষণা কৰা হৈছে। কোনো কোনো সংগঠনৰ উদ্যোগত 'কা' বিৰোধী আন্দোলন আৰম্ভ হৈছেই। আন কিছুমান সংগঠনে জোৰদাৰ 'কা' বিৰোধী আন্দোলন আৰম্ভ কৰিব বুলি হুংকাৰ দিছে। বিৰোধী দলসমূহেও কেৱল চৰকাৰক শ'লঠেকত পেলোৱাৰ মানসেৰে যেতিয়াই তেতিয়াই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। গণতান্ত্ৰিক দেশত প্ৰতিবাদ কৰাৰ অধিকাৰ সকলোৰে আছে। কিন্তু বছৰটোৰ অধিক সময় জনসাধাৰণৰ জীৱন ব্যাঘাত কৰা আন্দোলন কোনেও নিবিচাৰে। ই সমাজত অস্থিৰতা আনি মানুহৰ ব্যক্তিগত উত্তৰণ আৰু ৰাজ্যৰ প্ৰগতিত বাধা প্ৰদান কৰি আহিছে। আন্দোলনকাৰী সংগঠনসমূহে এই কথা চিন্তা কৰি বছৰৰ খুব কম দিনতহে, অতি বেছি মাহত এদিন, আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব লাগে। একেটা ইছ্যুতে বেলেগ বেলেগ দিনত বেলেগে বেলেগে আন্দোলন নকৰি সংগঠনসমূহে একেলগে একেটা সময়তে আন্দোলনত নামিব লাগে। ৰাইজৰ বিলৈ আৰু ৰাজ্যৰ প্ৰগতিৰ প্ৰতি লক্ষ্য ৰাখি সংগঠনসমূহে এই বছৰৰ আৰম্ভণিতে অসমত আন্দোলনৰ মাত্ৰা হ্ৰাস কৰাৰ বাবে সংকল্পবদ্ধ হ'ব নোৱাৰেনে?

ৰাজহুৱা স্থানত ৰাজনৈতিক দল আৰু অৰাজনৈতিক সংগঠনৰ নেতাসকলৰ শ্ৰুতিকটু আৰু নতুন প্ৰজন্মৰ মূল্যবোধত কু-প্ৰভাৱ পেলাব পৰা 'আনপাৰ্লিয়ামেণ্টৰী' উচ্চ-বাচ্য আৰু প্ৰতি উচ্চ-বাচ্য সামাজিক ব্যাধিস্বৰূপ হৈ পৰিছে। বছৰটোৰ আৰম্ভণিতে নেতাসকলে আত্মবিশ্লেষণ কৰি আত্মশুদ্ধি কৰাৰ কথা চিন্তা কৰিব নোৱাৰে নে?


নতুন বছৰটোৰ এসপ্তাহ গ'লেই। পাখি লগা কাঁড়ৰ দৰে সময় নিৰন্তৰে আগবাঢ়ি গৈ আছে। পাৰ হৈ যোৱা সময়খিনি আৰু দুনাই ঘূৰি নাহে। সেয়ে জ্ঞানী লোকে সময়ৰ সদ্ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ কথা কয়। কিন্তু প্ৰকৃততে সকলোৰে পক্ষে, বিশেষকৈ সাধাৰণ মানুহৰ পক্ষে সময়ৰ সদ্ব্যৱহাৰ কৰাটো সম্ভৱ নহয়। সৰহ ভাগ মানুহেই সময়ৰ সদব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত নহয় আৰু অৱগত হোৱাসকলেও সচেতন হৈ নাথাকে। পৰিয়ালে, ঘৰে-ঘৰোৱাহে, সংসাৰে, পৰিৱেশে, নিয়োগকৰ্তাই অথবা নিজে নিজৰ বাবে ধাৰ্য কৰা কৰ্তব্যই যেনেদৰে পৰিচালিত কৰে সেইমতে সাধাৰণ মানুহে কৰ্তব্য কৰি গৈ থাকে। সময়ৰ সদ্ব্যৱহাৰ হৈছে নে অপচয় হৈছে সেই কথা তেওঁলোকে ভাবি নাচায়। ঘৰখন নিয়াৰিকৈ চলোৱা গৃহিণী, পঢ়া-শুনা বা কলা আদিত ৰাপ থকা তেনে গৃহিণী, লেখা-পঢ়া কৰা মানুহ, উচ্চ পদবীত অধিষ্ঠিত চৰকাৰী বা কৰ্প'ৰেট খণ্ডৰ দায়িত্বশীল লোক আদিৰ বাবে সদায় সময়ৰ নাটনি হয়। আনহাতে, এলেহুৱা লোকৰ সময়েই সময়। তেওঁলোকে সময়ৰ সদ্ব্যৱহাৰ যিমান কৰে তাৰ কে'বাগুণো বেছি অপচয় কৰে। চিকিৎসকে ৰোগী চাবলৈ বহা কোঠাৰ বাহিৰত চিকিৎসকৰ বাবে অপেক্ষা কৰিবলগীয়া হোৱা ৰোগী আৰু অভিভাৱকৰ বহু সময় অপচয় হয়। সভাবোৰ সময়ত আৰম্ভ নোহোৱা কাৰণে আৰু সভাত বিশিষ্ট লোকক সম্বৰ্ধনা জনাওঁতে সমবেত সকলো ৰাইজৰ সময়ৰ অপচয় হয়। চৰকাৰী অফিচত কেৰাণী, মণ্ডল আদিৰ অনেকেই নিষ্ঠাহীনতাৰ বাবে আৰু উপঢৌকনৰ আশাত নিজৰ লগতে ৰাইজৰ বহু সময়ৰ অপচয় কৰে। তেওঁলোকে প্ৰকৃততে দিনটোত কিমান ঘণ্টা কাম কৰে আৰু ৰাইজক ঘূৰাই ঘূৰাই কেনেদৰে তেওঁলোকৰ লগতে ৰাইজৰো সময়ৰ অপচয় কৰি থাকে তাৰ হিচাপ তেওঁলোকে কেতিয়াও নকৰে। ৰাইজৰ হাৰাশাস্তিৰ কথা বাদেই দিছো। খেতিয়কসকলৰ সৰহভাগেই বছৰটোত মাথোন এটা খেতি কৰি বাকী সময় শুই-বহি এনেয়ে কটায় কাৰণে তেওঁলোকৰ বছৰটোৰ সিংহভাগ সময়ৰে অপচয় হয়। খেতিপথাৰত থকা আৰু খেতিৰ লগত জড়িত আনুষংগিক কাম-কাজত লাগি থকা সময়খিনিৰ বাহিৰে বাকীখিনি সময়ৰ সদ্ব্যৱহাৰ কৰাৰ কথা তেওঁলোকে নাভাবে। সময়ৰ সদ্ব্যৱহাৰ নকৰাৰ বাবে মানুহৰ নিজৰ ব্যক্তিগত উন্নতিৰ গতি লেহেমীয়া হোৱাৰ লগতে দেশখন বা ৰাজ্যখনৰ প্ৰগতিৰ গতিও লেহেমীয়া হয়। গতিকে আমি সকলোৱে সময়ৰ সদ্ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে সচেতন হোৱাটো অতি আৱশ্যকীয় কথা। নতুন বছৰটোৰ আৰম্ভণিতে আমি সকলোৱে সময়ৰ সদ্ব্যৱহাৰ কৰাৰ বাবে চেষ্টা কৰিম বুলি অংগীকাৰ কৰিব নোৱাৰোনে?

কথাবোৰ কোৱা সহজ; কিন্তু সেইবোৰৰ বাস্তৱীয়তা অতি কঠিন। তথাপি জাতি এটাৰ একাংশ লোকেও যদি এনেবোৰ কথা চিন্তা কৰে জাতিটোৰ উত্তৰণ আৰু ৰাজ্যখনৰ প্ৰগতিত ইয়াৰ অৰিহণা হ'ব অতি তাৎপৰ্যপূৰ্ণ। *ফোন নং ৮১৩৫৮৪৮৬২৩*

# লেখকৰ সৃষ্টিত পাঠকৰ ভূমিকা


## লেখকৰ সৃষ্টিৰ আঁৰত পাঠক সমাজৰ ভূমিকা অপৰিসীম। পাঠক অবিহনে লেখক এজনৰ লেখা মূল্যহীন হৈ পৰে

### অৱলোকন



**চাইৰা ইছলাম বড়া**

**ভূপেনদাই** তাহানিতে এটি বিখ্যাত গীতত দৰ্শক-শ্ৰোতাক মূল্যৱান অলংকাৰৰ স'তে ৰজিতা খুৱাই গৈছে— 'মোৰ গীতৰ হেজাৰ শ্ৰোতা তোমাক নমস্কাৰ, গীতৰ সভাত তুমিয়েইতো প্ৰধান অলংকাৰ।' হয় এজন গায়কৰ বাবে শ্ৰোতাসকলেই মুখ্য ভূমিকা পালন কৰে, শ্ৰোতাৰ অবিহনে এজন গায়ক সম্পূৰ্ণ হ'ব নোৱাৰে। ঠিক একেদৰে এজন লেখকৰ বাবে পঢুৱৈ সমাজ মূল্যৱান অলংকাৰ। লেখক এজনৰ সৃষ্টিৰ আঁৰত পাঠক সমাজৰ ভূমিকা অপৰিসীম। পাঠক অবিহনে লেখক এজনৰ লেখা মূল্যহীন হৈ পৰে। পঢুৱৈসকলৰ মনৰ জগতখনত প্ৰৱেশ কৰিব পাৰিলেই লেখক এজনৰ কলমে কিছু হ'লেও মান্যতা পোৱাৰ উপৰি পাঠকৰ তাগিদাত তেওঁ লিখি যাবলৈ অনুপ্ৰাণিত হয়। প্ৰকৃত অৰ্থত গ্ৰন্থৰ উপৰি বাতৰি কাকতৰ লেখনিৰ জৰিয়তেহে লেখক এজনৰ পাঠক সমাজৰ স'তে এক নিবিড় সম্পৰ্ক গঢ়ি উঠে। 'দৈনিক অগ্ৰদূত'ত নিয়মীয়াকৈ লিখাৰে পৰা ব্যক্তিগতভাৱেও অজস্ৰজ পাঠকৰ পৰা অহা ফোনকল আৰু মেছেজবোৰে মোক যথেষ্ট অনুপ্ৰাণিত কৰি আহিছে। ঠিক সেইদৰে এইবাৰো নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰি বহুজনৰ মেছেজ, ফোনৰ লগতে সুদূৰ কাৰ্বি আংলংঙৰ পৰা অহা এটা গুৰুত্বপূৰ্ণ মেছেজে মোৰ দৃষ্টি বিশেষভাৱে আকৰ্ষণ কৰিলে। মেছেজটো প্ৰেৰণ কৰা লোকজন মানৱ সম্পদ গঢ়া শিক্ষক বৃত্তিৰ স'তে জড়িত, নাম ভোলা কোচ। ব্যক্তিগতভাৱে তেওঁৰ যি পৰিচয়েই নহওক মোৰ দৃষ্টিত তেওঁ প্ৰিয় পাঠকসকলৰ ভিতৰৰে এগৰাকী শুভাকাংক্ষী। আজি এই ব্যতিক্ৰমী লেখাটো অৱতাৰণা কৰাৰ উদ্দেশ্যৰ বিষয়ে কিছু হ'লেও আভাস দিবলৈ ভোলা কোচলৈ ক্ষমা-প্ৰাৰ্থনাৰে পাঠকৰ জ্ঞাতাৰ্থে মেছেজটো কাকতৰ পাতত হুবহু লিপিবদ্ধ কৰিলো— 'বাইদেউ নৱবৰ্ষৰ শুভেচ্ছা যাচিলো আপোনালৈ। যেতিয়াৰ পৰা আপোনাৰ লেখা পঢ়িবলৈ ল'লো তেতিয়াৰ পৰাই বহুত জ্ঞানৰ সন্ধান পালো আৰু জীৱনৰ প্ৰতি অধিক সজাগ হ'লো। মোৰ দৰে বহু পাঠকেও জ্ঞানৰ সন্ধান পাইছে। আহি থকা দিনবোৰত আপুনি যেন আৰু উদ্যমেৰে আৰু সক্ৰিয়তাৰে লিখি যাব পাৰে তাৰ বাবে ভগৱানে আপোনাক শক্তি দিয়ক। শেষত আপোনাৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰিলো।' প্ৰথম অৱস্থাতেই এই মেছেজটোৰ ভাৱাৰ্থই নিশ্চিতভাৱে যিকোনো এজন লেখকক অনুপ্ৰাণিত কৰিব পাৰে, তাৰ বাবে প্ৰেৰকজন ধন্যবাদৰ পাত্ৰ। কোচে কোৱাৰ দৰে এগৰাকী সাধাৰণ লেখিকা হিচাপে কাৰোবাক জ্ঞান দিব পৰা যোগ্যতা মোৰ এতিয়াও হৈছে বুলি ভবা নাই, অৱশ্যে সদিচ্ছা আৰু সদভাৱাপন্ন থাকিলে যিকোনো বিষয় বস্তুৰ পৰা আমি যৎকিঞ্চিৎ হ'লেও জ্ঞান আহৰণ কৰিব পাৰো। এই মেছেজটো এটা উদাহৰণ মাত্ৰ, এনেদৰে বহু পাঠকৰ পৰা আশীৰ্বাদসূচক শুভেচ্ছামূলক মেছেজ বা ফোনকলবোৰ পাই থকাটো এতিয়া যেন জীৱনৰ এটা নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। প্ৰিয় পাঠকসকলে মোৰ লেখাবোৰ অন্তঃকৰণেৰে হৃদয়ংগম কৰাৰ বাবে আজীৱন কৃতজ্ঞ হৈ ৰ'ম, ধন্যবাদৰ কোনো ভাষা নাই। পূৰ্বতকৈ এতিয়া আৰু কলমৰ দায়িত্ব বাঢ়িল যেন অনুভৱ হৈছে। পাৰ্যমানে মোৰ সাধ্যানুসৰি প্ৰয়াস কৰি যাম নিত্য নতুন তথ্যৰ সমল আপোনাসৱৰ স'তে ভাগ-বাটোৱাৰা কৰিবলৈ। আজিৰ লেখাত প্ৰতিজন পাঠকৰ মেছেজৰ স'তে নামসমূহ সন্নিৰিষ্ট কৰা সম্ভৱ নহয় যদিও সকলোকে সমজুৱাকৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আপোনাসৱৰ সঁহাৰিত পলমকৈ হ'লেও মোৰ কলমে নিশ্চয় পূৰ্ণতা পাব। আগতেও মোৰ লেখাৰ মাজত উল্লেখ কৰিছো অসমৰ বিভিন্ন ঠাইৰ পৰা বৃহস্পতিবাৰৰ দিনটোত মোলৈ বহুজন প্ৰিয় পাঠকৰ ফোন, মেছেজ আহে। তেওঁলাকৰ শুভেচ্ছা আৰু আশীৰ্বাদসূচক ফোনবোৰে মোক কলম চলাই যাবলৈ সদায়েই উৎসাহিত কৰি আহিছে। এইবাৰ নৱবৰ্ষত অহা অজস্ৰ শুভেচ্ছাবাণীৰ মাজত ভ্ৰাতৃপ্ৰতীম ভোলা কোচৰ এই মেছেজটোৱে মোক বিশেষভাৱে আকৰ্ষণ কৰিলে, কিয়নো তেওঁ অকপটে উল্লেখ কৰিছে যে মোৰ কলমত প্ৰাণ পাই উঠা জীৱনবোধৰ বাস্তৱসন্মত লেখাসমূহে তেওঁৰ জীৱন পথত ইতিবাচক প্ৰভাৱ পেলাই জীৱনৰ গতিপথ সহজ কৰি তুলিছে। মোৰ বোধেৰে এজন লেখকৰ বাবে ইয়াতকৈ ডাঙৰ উপহাৰ আন একোৱেই হ'ব নোৱাৰে। যিহেতু লেখক এজনৰ উদ্দেশ্যই হৈছে তেওঁৰ লেখাৰে পাঠক সমাজক যৎকিঞ্চিৎ হ'লেও উপকৃত কৰাটো। এই অভাজনে ভাবিবই পৰা নাছিলো যে মোৰ লেখাইও এদিন কোনোবা পঢুৱৈৰ জীৱনৰ বাট সহজ কৰি তুলিব। তেওঁ জনোৱাৰ দৰেই এই কথাষাৰ যদি সত্য হয়, তেনেহ'লে মই ধন্য মানিছো যে সঁচা অৰ্থত মোৰ উদ্দেশ্য যৎকিঞ্চিৎ হ'লেও সফল হৈছে। যিহেতু প্ৰতিজন লেখকৰে প্ৰচেষ্টা থাকে তেওঁৰ কলমেৰে সমাজ এখনৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে জনগণক সজাগ-সচেতন কৰি তোলাৰ লগতে স্পৰ্শকাতৰ পৰিস্থিতিৰ মাজতো বেয়াখিনি পৰিহাৰ কৰি সুস্থ জীৱনশৈলীৰ বাবে লাগতিয়ালখিনি গ্ৰহণ কৰাৰ বিষয়ে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাটো। দৈনন্দিন জীৱনত চকুৰ সন্মুখত দেখি থকা ঘটনা-পৰিঘটনাবোৰৰ বাস্তৱ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিয়েই মই মোৰ মনৰ অনুভৱবোৰ কলমৰ জৰিয়তে সুহৃদ পাঠকবৃন্দৰ স'তে ভাগ-বাটোৱাৰা কৰি পৰম তৃপ্তি লাভ কৰো। বেছিভাগ লেখাৰে বিষয়বস্তু সাধাৰণ মানুহৰ জীৱনৰ স'তে সাঙোৰ খাই থকাৰ বাবেই হয়তো কোনোবাখিনিত পঢুৱৈ সমাজে নিজৰ অস্তিত্ব অনুভৱ কৰিব পাৰে। ব্যক্তিগতভাৱে প্ৰিয় পঢুৱৈসকলক লগ পোৱাৰ সৌভাগ্য হোৱা নাই যদিও মোৰ অনুভৱ হয় শ্ৰদ্ধা আৰু আন্তৰিকতাৰ এডাল সোণালী সূতাৰে আমি বান্ধ খাই আছো।



জীৱনৰ আৰম্ভণিতে সাহিত্যৰ প্ৰেমত পৰি কবিতা সৃষ্টিৰ গভীৰ সাগৰখনত নামি পৰিছিলো। কিছু বছৰৰ আগতে এখন উপন্যাস পাঠক সমাজৰ মাজলৈ মুকলি কৰি দিয়া হ'ল। এনেদৰে সাহিত্যৰ জগতখনত ভূমুকি মাৰোতেই জীৱনৰ এটি শুভ ক্ষণত 'অগ্ৰদূত' পৰিয়ালৰ স'তে জড়িত হৈ পৰা প্ৰায় চাৰি বছৰেই হ'ল। বিশেষকৈ জীৱনবোধৰ বিভিন্ন ক্ষেত্ৰৰ বাস্তৱ দিশটোৰ ওপৰত মোৰ অনুসন্ধিৎসু মনটোৱে বিভিন্ন ধৰণৰ খোৰাক পঢুৱৈসকলৰ মাজত ভাগ-বাটোৱাৰা কৰি আহিছে। বহুতে ভবাৰ দৰে আজিৰ ডিজিটেল যুগতো কোনো কাৰণতে প্ৰিন্ট মিডিয়াৰ আদৰ কমি যোৱা নাই। ইয়াৰ প্ৰমাণ বৰ্তমান ঠাই বিশেষে অনুষ্ঠিত হৈ থকা গ্ৰন্থমেলাসমূহেই প্ৰমাণ কৰে। নিয়ৰ সৰা সেমেকা সন্ধিয়াৰ জড়তা ভাঙি অজস্ৰজন জ্ঞান পিপাসু পাঠকে ভিৰ কৰেহি গ্ৰন্থমেলাৰ বাকৰিত। এয়া আমাৰ বাবে শুভ লক্ষণ যে নৱপ্ৰজন্মৰ মাজত ইতিমধ্যে অসমীয়া সাহিত্যৰ বহু অনুৰাগীৰ সৃষ্টি হৈছে। অসমৰ বিভিন্ন প্ৰান্তৰ পঢুৱৈ সমাজৰ পৰা জানিব পাৰিছো পুৱাতেই বাতৰি কাকত এখন পঢ়ি কিদৰে তেওঁলোকৰ দিনটো সজীৱ কৰি তোলে। বহু পাঠকৰ বাবে বাতৰি কাকত অবিহনে পুৱাৰ চাহ কাপৰ সোৱাদেই সেৰেকা হয়। প্ৰত্যেকজন লেখক বা পাঠকৰ ৰুচিবোধ ভিন্ন প্ৰকাৰৰ। এয়া সম্পূৰ্ণ ব্যক্তি বিশেষৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰে। সময়ৰ পাকচক্ৰত কোনোবা এটা শুভদিনত শ্ৰদ্ধাৰ কনকসেন ডেকা ছাৰৰ আদেশ শিৰোধাৰ্য কৰি মই 'দৈনিক অগ্ৰদূত'ৰ এগৰাকী নিয়মীয়া লেখক হৈ পৰিলো। হয়তো ছাৰৰ দৰে এগৰাকী বিদগ্ধ পণ্ডিতে দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ পৰা মোৰ অন্তৰ্নিহিত মনটোত লিখাৰ উকমুকনি দেখা পাইছিল। প্ৰথম অৱস্থাত অসুবিধাৰ সন্মুখীন হ'লেও ক্ৰমান্বয়ে মোৰ কলমৰ ওপৰত বিশ্বাসৰ ভেটি গঢ়ি তোলাত ডেকা ছাৰৰ আশীৰ্বাদসূচক মন্তব্যই যথেষ্ট সহায় কৰিলে। আৰম্ভণিৰ দিনটোৰ পৰাই পঢুৱৈসকলৰ ফোন আৰু মেছেজবোৰে মোক আৰু অধিক উৎসাহিত কৰিলে। জীৱন নামৰ কিতাপখনৰ পৃষ্ঠাবোৰে হয়তো এনেদৰেই নতুন পথৰ সন্ধান দিয়ে। বৰ্তমান লিখাটো মোৰ নিচাত পৰিণত হৈছে, অৱসৰৰ মুহূৰ্তবোৰ কলম-কাগজৰ স'তে মিতিৰালি পাতি এক সুকীয়া মানসিক পৰিতৃপ্তি লাভ কৰো। আজিৰ লেখাৰ বিষয়বস্তু যিহেতু মোৰ শুভাকাংক্ষীসকলৰ লগতে প্ৰিয় পাঠক সমাজক উদ্দেশ্য কৰি আগবঢ়াই দিছো। আশাকৰো ভৱিষ্যতৰ দিনতো আপোনাসৱৰ মূল্যৱান দিহা- পৰামৰ্শই মোক অনুপ্ৰাণিত কৰি যাব। সদৌ শেষত 'অগ্ৰদূত' কাকতৰ সমূহ পাঠকবৃন্দৰ মংগল কামনা কৰি পুনৰবাৰ নৱবৰ্ষৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা নিবেদন কৰিলো।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

## ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!


### ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ

এঘাৰ

**ঊনবিংশ** শতিকাতে ডিব্ৰুগড়ে দেশখনৰ সাংস্কৃতিক ৰাজধানী কলিকতাৰ আৰ্হিত অসমৰ নাট্য সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়াই আহিছে। ডিব্ৰুগড়ৰ নাট্য ঐতিহ্যৰ মূল শিপাডালৰ অতীত বৰ মনোমোহা। সেই তাহানি কালৰ পৰাই এচাম সংস্কৃতিপ্ৰেমী দৃঢ়মনা লোকৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাই ডিব্ৰুগড়ৰ এই নাট্য ঐতিহ্য কঢ়িয়াই অনাৰ লগতে আজিৰ দিনতো ঐকান্তিকাৰে বহন কৰি আহিছে। ইংৰাজী শিক্ষাৰ যোগেদি আধুনিকতাৰ কিৰণে ডিব্ৰুগড়ক স্পষ্ট কৰাৰ সময়ত বহিঃবিশ্বৰ অগ্ৰগতি চাক্ষুষ দৰ্শন কৰা এমুঠিমান প্ৰগতিশীল ডেকাই ১৮৭২তে ডিব্ৰুগড়ত নাট্য মঞ্চ স্থাপন কৰি কলিকতাৰ পৰা কঢ়িয়াই অনা বাংলা ভাষাৰ নাট 'প্ৰহ্লাদ চৰিত্ৰ' মঞ্চস্থ কৰি এই অঞ্চলটোত আধুনিক নাট্য মঞ্চৰ বীজ ৰোপণ কৰিছিল।

ডিব্ৰুগড়ত বসবাস কৰা অসমীয়া আৰু বাঙালী এই দুয়ো সম্প্ৰদায়ৰ লোকে আগভাগ লৈ মঞ্চস্থ কৰা 'প্ৰহ্লাদ চৰিত'ৰ অভিনয়ে ডিবৰু পাৰত আধুনিক মঞ্চনাটৰ ভেটি স্থাপন কৰিলে আৰু স্বাভাৱিকতেই এই প্ৰচেষ্টাই এচাম নাট্যানুৰাগী লোকৰ সৃষ্টি কৰিলে। ইয়াৰ পাছতে কিন্তু নাট্যানুৰাগী লোকসকল অনেক গঞ্জনাৰ মুখামুখি হ'ব লগা হ'ল। তেওঁলোকৰ বাবে এই বাট মুঠেও মসৃণ হৈ নৰ'ল। আধুনিক শিক্ষাৰে শিক্ষিত পূৰ্ণকান্ত দেৱশৰ্মা নামৰ এজন ডেকাই ১৮৭২ তে অসমীয়া ভাষাত প্ৰথমখন নাট 'মধুমালতী' লিখি মঞ্চস্থ কৰাৰ বাবে দুই-এজনৰ স'তে যোগাযোগ কৰিবলৈ গৈয়ে ভীষণ সংকটৰ মুখামুখি হ'ল। চহৰৰ গণ্য-মান্য ডাঙৰীয়া শ্ৰেণীৰ লোকসকলে তেওঁক বঙলুৱা ভাষাৰে নাটক লিখাৰ বাবে এনেদৰে তিৰস্কাৰ কৰি মানসিক নিৰ্যাতন দিলে যে তেওঁ ৰাজহুৱাভাৱে 'মধুমালতী'ৰ পাণ্ডুলিপি দপ্‌দপীয়া জুইত জাহ কৰিহে পৰিত্ৰাণ পালে। নিজ হাতেৰে অশেষ কষ্ট কৰি সাধ্য-সাধনাৰে লিখা পাণ্ডুলিপিত অগ্নিসংযোগ কৰিবলৈ গৈ তেওঁ কি মানসিক পৰিস্থিতিৰ সন্মুখীন হৈছিল, সেয়া আজিৰ দিনত কল্পনাই কৰিব নোৱাৰি ঃ অথচ এনে ঘটনাৰ মুখামুখি হোৱা সত্বেও নাট্যপ্ৰেমীসকল থমকি নৰৈ আজি এক ঐতিহ্যময় পৰম্পৰাৰ ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হ'ল।

এই ঘটনা বনজুইৰ দৰে অসম বিয়পি পৰিল



আৰু কলিকতা নিবাসী অসমীয়া ছাত্ৰসকলে একমুখে গৰিহণা দিলে। ইয়াৰ পাছতে অৱশ্যে অসমীয়া সাহিত্য জগতৰ বৰেণ্য ব্যক্তি গুণাভিৰাম বৰুৱাৰ লগতে ঘনশ্যাম ফুকন, ফণীধৰ চলিহা আদিয়ে অসমীয়া মৌলিক নাটকৰ প্ৰয়োজনীয়তা ৰাইজক বুজাবলৈ আৰম্ভ কৰিলে। কলিকতাৰ নৱজাগৰণৰ খা-খবৰ ৰখা একাংশ শিক্ষিত আৰু গণ্য-মান্য অসমীয়া লাহে লাহে আগবাঢ়ি অহাৰ পাছত বৰ্তমানে ডিব্ৰুগড় চৰকাৰী বালিকা বিদ্যালয় থকা স্থানতে এটি সৰু খেৰ-বাঁহৰ নাটঘৰ সাজি তোলা হ'ল। মঞ্চ হ'ল যদিও অসমীয়া মৌলিক নাটক নথকাৰ বাবে প্ৰায় ১২ বছৰ মান ধৰি কলিকতাৰ পৰা অনা বাংলা নাটকেই মঞ্চস্থ কৰি থকা হৈছিল। ১৮৮৫ত পৰিৱেশ সলনি হ'ল। ১৮৭২ত নাটক লিখি তিৰস্কাৰৰ সন্মুখীন হোৱা পূৰ্ণকান্ত দেৱশৰ্মাক এইবাৰ ৰাইজে এখন অসমীয়া নাটক লিখি দিবলৈ অনুৰোধ জনালে; কিন্তু পূৰ্বৰ তিতা-কেঁহা অভিজ্ঞতাৰ কথা সুঁৱৰি পূৰ্ণকান্ত দেৱশৰ্মাই নতুনকৈ এই কৰ্মত প্ৰবৃত্ত হোৱাৰ প্ৰতি অনীহা প্ৰকাশ কৰিলে। তেওঁ ৰাজহুৱাভাৱে ভগৱানৰ নামত শপত খাই অগ্নিক সাক্ষী কৰি ভৱিষ্যতে কেতিয়াও নাটক নিলিখে বুলি কৰা প্ৰতিশ্ৰুতিৰ কথা দোহাৰি ৰাইজৰ কাকূতি-মিনতিৰ প্ৰতি সঁহাৰি দি নিজে হাতত কাম মৈলাম তুলি লোৱাটো সঠিক নহ'ব বুলি প্ৰকাশ কৰিলে। তথাপিও তেওঁ ৰাইজৰ আকুল আহ্বানৰ প্ৰতি সঁহাৰি জনাই তেওঁৰ বন্ধু এজনক 'অভিমন্যু বধ' নামৰ নাটক এখন লিখি দিবলৈ অনুৰোধ জনালে। পূৰ্ণকান্ত দেৱশৰ্মাৰ সহযোগত বহুজনে 'অভিমন্যু বধ' নামৰ নাটকখন শাৰদীয় দুৰ্গোৎসৱত মঞ্চস্থ কৰিব পৰাকৈ লিখি উলিয়াই অসমীয়া নাটকৰ ক্ষেত্ৰত এক ডাঙৰ অভাৱ পূৰণ কৰিলে। আমোদজনক কথা এইটোহে যে নাটক লিখি উলিয়ালে যদিও দুই বন্ধুৱে সংৰক্ষণশীল লোকসকলৰ ৰোষত পৰাৰ ভয়ত লেখকৰ নাম 'জনৈক জ্ঞানী' বুলি দি মঞ্চত মনে মনে ৰাখি থৈ গ'ল। লেখক 'জনৈক জ্ঞানী' নামেৰেই নাটক মঞ্চস্থ হৈ গ'ল আৰু ৰাইজে অতি তৃপ্তিৰে নাটক উপভোগ কৰিলে। বহুদিন পাছতহে ৰাইজে জানিব পাৰিলে যে নাটকখন লিখি মহৎ উপকাৰ সাধন কৰা পূৰ্ণকান্ত দেৱশৰ্মাৰ বন্ধুজন সেই সময়ৰ ডিব্ৰুগড়ৰ ছাত্ৰ মেজিষ্ট্ৰেট হিচাপে কাৰ্যনিৰ্বাহ কৰা ভাৰত চন্দ্ৰ দাস। উল্লেখ্য যে এই নাটকত অভিমন্যুৰ ভাও লৈ মণিৰাম দেৱানৰ নাতি ভৰকান্ত দুৱৰাই এনে মৰ্মস্পৰ্শী অভিনয় কৰিছিল যে সপ্তৰথী বেহুত প্ৰৱেশৰ পাছত তেওঁ যি বিলাপ কৰিছিল, সেই বিলাপ শুনি দৰ্শকে কান্দি-কাটি কোৰ্হালৰ সৃষ্টি কৰিছিল।

১৮৮৮ত ডিব্ৰুগড়ৰ পূজাঘাটৰ ওচৰত মাধৱ চন্দ্ৰ ৰাজখোৱা নামৰ এজন সংস্কৃতিপ্ৰেমী লোকে স্থায়ী মঞ্চ এখনি সাজিবৰ বাবে এটুকুৰা মাটি দান দিলে। এই মাটি ডোখৰতে 'ডিব্ৰুগড় এমেচাৰ থিয়েট্ৰিকেল ইনষ্টিটিউছন' নাম দি এখন নাট্যমঞ্চ আৰু প্ৰেক্ষাগৃহ গঢ়ি তোলা হয়। এই প্ৰেক্ষাগৃহটি নিৰ্মাণত প্ৰখ্যাত চিকিৎসক ডাঃ ফণী ঘোষ, এ আৰ টি কোম্পানীৰ অভিযন্তা সৰোজ ঘোষ আদিয়ে পুঁজি সংগ্ৰহ কৰাত আগভাগ লৈছিল। ১৯০৮ত সমান্তৰালভাৱে অন্য এখন নাট্যমঞ্চ 'ইণ্ডিয়া ক্লাব এণ্ড থিয়েট্ৰিকেল ইনষ্টিটিউছন' নাম দি প্ৰতিষ্ঠা কৰা হয়।

এই অনুষ্ঠানটো এতিয়া ইণ্ডিয়া ক্লাব হিচাপে সুপৰিচিত; কিন্তু দ্বিতীয় মহাযুদ্ধৰ সময়ত এই দুয়োটা ৰাজহুৱা অনুষ্ঠান আমেৰিকান সৈন্য আৰু তাৰ পাছত ব্ৰহ্মদেশৰ শৰণাৰ্থী শিবিৰ হিচাপে ব্যৱহাৰ কৰাত দুয়োটা অনুষ্ঠানতে লাগতিয়াল সামগ্ৰীসমূহ প্ৰায় ধ্বংসপ্ৰাপ্ত হয়। ডিব্ৰুগড় এমেচাৰ থিয়েট্ৰিকেল ইনষ্টিটিউছন জহি-খহি গ'ল আৰু পুনৰ নিৰ্মাণ নহ'ল; কিন্তু ইণ্ডিয়া ক্লাব পুনৰ গঢ়ি তোলা হ'ল আৰু ১৯৫৩ৰ পৰা পুনৰ আৰম্ভ হ'ল। সিপিনে, আমোলাপট্টি অঞ্চলত গঢ়ি তোলা নাট্যমন্দিৰৰ দুৱাৰো মহাযুদ্ধই বন্ধ কৰি পেলাইছিল। দ্বিতীয় মহাযুদ্ধই আমাৰ সাংস্কৃতিক জীৱন তচ-নচ কৰি পেলোৱাৰ সময়তে ডিব্ৰুগড়ৰ এচাম উদ্যোগী লোকৰ প্ৰচেষ্টাত 'ডিব্ৰুগড় আৰ্ট প্লেয়াৰ্ছ ছ'চাইটি' নামৰ এটি নাট্যানুষ্ঠানৰ জন্ম দিয়া হৈছিল। ১৯৪৪ত এই সংগঠনৰ সদস্যসকলে নাট্যমন্দিৰৰ ভিতৰত ঠাহ খাই থকা সামগ্ৰীসমূহ নিজে বাহিৰলৈ উলিয়াই আনি এখন মঞ্চ পুনৰ নিৰ্মাণ কৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ হাতে লিখা নাটক 'ৰূপালীম' মঞ্চস্থ কৰাৰ দিহা কৰে। উল্লেখ্য যে সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে গোপীনাথ বৰদলৈৰ নেতৃত্বত এচাম লোকে সমগ্ৰ অসম ঘূৰি ধন-টকা-পইচা সংগ্ৰহ কৰি ফুৰিছিল। ১৯৪৫ৰ ১৯ মে'ৰ দিনা এই মঞ্চত 'ৰূপালীম' মঞ্চস্থ কৰি এই নাটকৰ প্ৰদৰ্শনৰ জৰিয়তে সংগ্ৰহ কৰা ২,১৩৪ টকা 'নিউ আৰ্ট প্লেয়াৰ্ছ ছ'চাইটি'ৰ সদস্যসকলে ডিব্ৰুগড়লৈ যোৱা গোপীনাথ বৰদলৈৰ হাতত অৰ্পণ কৰে। প্ৰকৃতাৰ্থত ১৯৪৪ৰ পৰাই নিউ আৰ্টছ প্লেয়াৰ্ছ ছ'চাইটি'য়ে



**বিশ্বজিৎ বৰুৱা**

নাট্যমন্দিৰৰ দায়িত্ব গ্ৰহণ কৰে। এই সম্পৰ্কত চাহ খেতিয়ক প্ৰসন্ন কুমাৰ বৰুৱাৰ সভাপতিত্বত বহা এখন যুটীয়া সভাই নাট্যমন্দিৰৰ সকলো ভাৰ নিউ আৰ্টছ প্লেয়াৰ্ছ ছ'চাইটি'ৰ হাতত অৰ্পণ কৰে। উল্লেখ্য যে প্ৰসন্ন কুমাৰ বৰুৱাই ডিব্ৰুগড়ত স্থাপন কৰা 'ৰংঘৰ চিনেমা গৃহ' দীৰ্ঘ সময় জুৰি অসমৰ সাংস্কৃতিক চৰ্চা কেন্দ্ৰ হৈ আহিছিল; কিন্তু দুৰ্ভাগ্যৰ কথা আজি আৰু ৰংঘৰ চিনেমা হল বিচাৰি পাবলৈ নাইকিয়া হ'ল। ইয়াৰ পাছৰ পৰাই ডিব্ৰুগড়ত বিভিন্ন অনুষ্ঠানৰ জন্ম হৈ অসমৰ সাংস্কৃতিক জগতখন ফুলে-ফলে জাতিষ্কাৰ কৰি তুলিছে। ইয়াৰ ভিতৰত নাম ল'ব লাগিব— গণনাট্য সংঘ ঃ ডিব্ৰুগড় শাখা, জ্ঞানদায়িনী সংঘ, ৰত্ন সংঘ, প্ৰদীপ সংঘ, মঞ্চৰূপা, জয়শ্ৰী সংঘ, জেউতি মৰল সংঘ, বিজয় সংঘ, মিলনজ্যোতি সংঘ, অসমী সংঘ, চৌকিডিঙি ইয়ুথ ক্লাব, আজনকা, আখৰাঘৰ, ভাবিকাল নাট্যগোষ্ঠী, চয়নিকা, দিশাৰী আদি। এই নাট্যদল বা সংঘসমূহে প্ৰদৰ্শন কৰা নাটসমূহ সামাজিকভাৱে দায়বদ্ধ হোৱাৰ বাবে সমাজত প্ৰভাৱ পেলাবলৈ সক্ষম হয়। এখন সৰু চহৰত ইমানখিনি নাট্যদলৰ উপস্থিতি মন কৰিবলগীয়া। সামাজিকভাৱে দায়বদ্ধ নাটকৰ প্ৰতি এই আগ্ৰহৰ বাবেই ডিব্ৰুগড়ৰ পৰা ব্ৰজেন বৰুৱা পৰিচালিত ড° বেজবৰুৱা, দেউতি বৰুৱাৰ কৃষ্টি, চাহ মজদুৰ সংঘৰ ৰতনলাল আদিৰ লেখীয়া যুগসৃষ্টিকাৰী চিনেমা অসমীয়া চলচ্চিত্ৰ জগতে লাভ কৰিবলৈ সক্ষম হৈছিল। ডিব্ৰুগড়ৰ নাট্য সাহিত্য আৰু এই জগতখনৰ বিষয়ে সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ 'মঞ্চলেখা'ৰ উপৰি ড° পোনা মহন্ত, মুনীন শৰ্মা, প্ৰসেনজিৎ চৌধুৰী, ভূপেন গোস্বামী, মনোৰঞ্জন ফুকন, দেউতি বৰুৱা, সৌমিত্ৰ কুমাৰ সেন আদিৰ লেখাৰ পৰা বহু কথা জানিব পৰা যায়।

*(আগলৈ)*

ফোন ঃ ৯৪৩৫০২৮০০৮

**টেইলপিচ**

কলিয়াবৰৰ আগ্ৰহী পাঠক জয়ন্ত বৰাই ফোনযোগে জনাইছে যে তেওঁ এই ধাৰাবাহিকখনৰ শেহতীয়া অংশ পঢ়ি অত্যন্ত সুখী হৈছে যদিও পূৰ্বৰ সংখ্যাসমূহ পঢ়িবলৈ পোৱা নাই। জয়ন্ত বৰাক জনাইছে যদিও এনে হ'ব পৰা অন্যান্য পাঠক-পাঠিকাসকলকো জনাওঁ যে স্থানীয় চৰকাৰী জিলা আৰু মহকুমা পুথিভঁৰালসমূহত 'দৈনিক অগ্ৰদূত'ৰ পূৰ্বৰ সংখ্যাসমূহ পঢ়িবলৈ পাব। যোৱা ২৮ অক্টোবৰৰ সংখ্যাৰ পৰা প্ৰতি বৃহস্পতিবাৰে প্ৰকাশিত হৈ অহা এই লেখাসমূহ প্ৰকাশিত কাকতখন যদি পোৱা নাযায়, তেন্তে 'দৈনিক অগ্ৰদূত'ৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ হৈ অহা ৯১০১২-৩৮০০৩ নম্বৰ ম'বাইল ফোনযোগে জনাবলৈ অনুৰোধ জনালো। এসময়ত সক্ৰিয় সাংবাদিকতাত জড়িত জয়ন্ত বৰাই কলম এতিয়াও এৰা নাই। সেয়ে তেওঁক ৰাজহুৱাভাৱে অনুৰোধ জনালো তেওঁৰ অঞ্চলৰ চৰকাৰী আৰু ব্যক্তিগতভাৱে স্থাপিত পুথিভঁৰালসমূহৰ বৰ্তমানৰ অৱস্থিতিৰ বিষয়ে এটি সংবাদধৰ্মী লেখা লিখিবলৈ যাতে গ্ৰাম্য পুথিভঁৰালৰ সমস্যাসমূহৰ বিষয়ে চৰকাৰৰ লগতে নৱ প্ৰজন্মও অৱগত হয়। এই ৰচনাৰাজি পঢ়ি ভালপোৱা বুলি জনোৱা আৰু সামাজিক মাধ্যমৰ যোগেদি সঁহাৰি জনোৱা ব্যক্তিসকল হৈছে ঃ যোৰহাটৰ কৌশিক শৰ্মা, শ্বিলঙৰ দীপক বৰ্মন, ডিব্ৰুগড়ৰ অভিজিৎ দত্ত, শিৱসাগৰৰ অধ্যক্ষ তথা বিশিষ্ট সাংবাদিক সৌমাৰ জ্যোতি মহন্ত, গুৱাহাটীৰ অধিবক্তা শ্যামলীমা বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মৃণাল কলিতা, শিৱসাগৰৰ আব্দুল আহাদ, মাকুমৰ গীতাঞ্জলী বৰুৱা, লাহোৱালৰ ইক্ৰাম আলী, নগাঁৱৰ সিদ্ধাৰ্থ এছ বৰা, নগাঁৱৰ বিশিষ্ট গল্পকাৰ সোমনাথ বৰা, গড়গাঁৱৰ ঈশানজিৎ বৰকাকতি, ডিব্ৰুগড় আদালতৰ মহচিন হুছেইন আদি। সকলোলৈকে কৃতজ্ঞতা জনালো। বাকীসকলৰ নাম পৰৱৰ্তী সংখ্যাত জনাম। বিশেষ এই যে নাম প্ৰকাশত অনিচ্ছুক এজন ব্যক্তিয়ে চহৰখনৰ পুৰণি ফটোগ্ৰাফ কেইখনমান মোলৈ প্ৰেৰণ কৰিছিল যদিও মোৰ ই-মেইলৰ ঠিকনা ভুল হোৱাৰ বাবে একে নামৰ অন্য এজন ব্যক্তিৰ ইনবক্সত প্ৰৱেশ কৰিলেগৈ। এনে প্ৰমাদ নহ'বৰ বাবে মোৰ ই-মেইল ঠিকনা উল্লেখ কৰিলো ঃ biswajitbarooah@gmail.com.



## অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰী, পণ্ডিত

# হেমচন্দ্ৰ গোস্বামী

## আৰু অসমীয়া ভাষাৰ প্ৰসংগ

### ডেৰশ বছৰীয়া জন্ম জয়ন্তীৰ শ্ৰদ্ধাঞ্জলি

**এসময়ত** কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া এম এ মহলাৰ পাঠ্যক্ৰমৰূপে স্থান লাভ কৰা হেমচন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা বিবিধ প্ৰসংগ আৰু সমলেৰে পৰিপূৰ্ণ 'অসমীয়া সাহিত্যৰ চানেকি' হেমচন্দ্ৰ গোস্বামীৰ জীৱনৰ এক যুগমীয়া কীৰ্তি আৰু অসমীয়া ভাষা-সাহিত্যৰ এক গৌৰৱময় ইতিহাস। ধাই নাম, বিয়ানাম, বিহুনাম আদি সাহিত্যৰ মেটমৰা থলুৱা সম্পদসমূহ সংগ্ৰহ কৰি সম্পাদনা কৰা এই গ্ৰন্থ তিনিটা খণ্ডত আৰু সাতটা ভাগত যুগুত কৰা হৈছে। অসমীয়া ভাষা-সাহিত্যৰ অতিকৈ গুৰুত্বপূৰ্ণ এই কাম হেমচন্দ্ৰ গোস্বামীয়ে সম্পূৰ্ণ কৰে ১৯১৮ৰ পৰা ১৯২১ৰ ভিতৰত। এই সাতটা খণ্ড প্ৰকাশ কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ ধন নথকাৰ কাৰণে কলিকতা বিশ্ববিদ্যালয়ৰ উদাৰচিতীয়া মনৰ, দূৰদৰ্শীসম্পন্ন সেই সময়ৰ উপাচাৰ্য আশুতোষ মুখাৰ্জীয়ে বিচৰা মতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া সাহিত্যৰ চানেকি গ্ৰন্থৰ এখন আঁচনি যুগুত কৰি দিছিল আৰু অনুমোদন লাভ কৰিছিল।

অসম লোকসেৱা আয়োগত অসমীয়া ভাষাৰ প্ৰশ্নকাকতৰ যোগ্যতা নিৰূপণ পৰীক্ষাত অন্তৰ্ভুক্ত কৰা প্ৰয়োজন বুলি ভিন ভিন সংগঠনে দাবী কৰি থকাৰ মাজতে সিদিনা অসমৰ মুখ্যমন্ত্ৰীয়ে জ্ঞানপীঠ বঁটাপ্ৰাপক বিশিষ্ট কবি নীলমণি ফুকনক সম্বৰ্ধনা আৰু শুভেচ্ছা জনাবলৈ যাওঁতে সৰ্বস্ব ত্যাগ কৰি হ'লেও অসমীয়া ভাষাটো জীয়াই ৰাখিব লাগিব বুলি কৈছে। ভাষাটো নাথাকিলে মানুহ নাথাকে, মানুহ নাথাকিলে মাটি নাথাকে, মাটি নাথাকিলে একো নাথাকিব বুলি প্ৰসংগক্ৰমে উল্লেখ কৰিছিল।

অসমীয়া ভাষা, ভাষা আৰু অসমৰ আন জনগোষ্ঠীয় ভাষা প্ৰসাৰৰ সুবিধা এইখন অসমত নাথাকি আন ক'ত থাকিব বুলিও বহুতে প্ৰশ্ন কৰা দেখা গৈছে। উল্লেখ্য যে ১৯৬০তে চৰকাৰী ভাষা আইন প্ৰণয়ন কৰি অসমীয়া ভাষাক স্বীকৃতি প্ৰদান কৰা হৈছিল। ১৯৭০ত চৰকাৰী ভাষা নিয়মাৱলী প্ৰণয়ন কৰা হয়। অসম চৰকাৰী ভাষা আইনৰ তিনি নম্বৰ ধাৰা মতে সকলো চৰকাৰী যোগাযোগ পত্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষাত, বৰাক উপত্যকাত বাংলা ভাষাত আৰু স্বায়ত্তশাসিত অঞ্চলত ইংৰাজীত হোৱাৰ কথা উল্লেখ আছে। ১৯৬৪ৰ ৩১ জুলাইৰ পৰা এই আইন বলৱৎ হয়। ১৯৮৫ত উক্ত আইন সামান্য সংশোধন কৰি বড়ো বসতিপ্ৰধান অঞ্চলত বড়ো ভাষাক সহযোগী ভাষা হিচাপে স্বীকৃত দিয়া হয়। বৰ পৰিতাপৰ কথা যে এতিয়াও অসমীয়া ভাষাৰ সংকট মাজে-সময়ে উদ্‌গীৰণ হোৱা দেখা যায়। ঊনবিংশ শতিকাৰ প্ৰায় শেষত কলিকতালৈ পঢ়িবলৈ যোৱা তেতিয়াৰ ছাত্ৰসকলে অসমীয়া ভাষাক কিদৰে প্ৰতিষ্ঠা কৰিছিল, সেই কথা আমি হয়তো পাহৰিলো। ২০২২ৰ আঠ জানুৱাৰীত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ১৫০ বছৰ সম্পূৰ্ণ হ'ল। সেই উদ্দেশ্যতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কিদৰে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰিছিল, সেই প্ৰসংগ এই লেখাৰ জৰিয়তে দাঙি ধৰা হ'ল।

অসমীয়া সাহিত্যত চতুৰ্দশপদী কবিতাৰ বাটকটীয়া পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে ১৯২০ত তেজপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ চতুৰ্থ সংখ্যক অধিৱেশনত সভাপতিৰ আসন অলংকৃত কৰিছিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে পোনপ্ৰথম অসমৰ প্ৰাচীন সাহিত্যৰ আৰু বুৰঞ্জীৰ মণি-মুকুতাবোৰ বুটলি আনি একেলগ কৰি সংকলন আৰু সম্পাদনা কৰি থৈ যোৱা গ্ৰন্থসমূহৰ ভিতৰত আছিল সূৰ্য্যখড়ি দৈৱজ্ঞৰ ৰাজবংশাৱলী (১৯১৭), ভট্টদেৱ (বৈকুণ্ঠ নাথ ভট্টাচাৰ্য)ৰ কথা-গীতা (১৯১৮) পুৰণি অসম বুৰঞ্জী (১৯২২), কামৰত্ন তন্ত্ৰ, হস্তীবিদ্যাৰ্নৱ, বিদ্যাকল্পতৰু (১৯২৯)।

হেমচন্দ্ৰ গোস্বামীয়ে ১৯১৬ খ্ৰীষ্টাব্দত কলিকতাৰ পৰা 'অকণ' নামৰ এখন সচিত্ৰ মাহেকীয়া শিশু আলোচনী সম্পাদনা কৰিছিল। বৰপেটাৰ লোহিত চন্দ্ৰ ভূঞাই প্ৰকাশ কৰা এই আলোচনীখন ১৮৭২ৰ পৰা ১৯২৮লৈ চলিছিল।

১৯১২ খ্ৰীষ্টাব্দৰ সাত এপ্ৰিলত প্ৰতিষ্ঠা লাভ কৰা কামৰূপ অনুসন্ধান সমিতি (আসাম ৰিছাৰ্চ ছ'চাইটী)ৰ লগত জড়িত থাকি পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে বহু যাউতিযুগীয়া কাম কৰি থৈ গৈছে। কামৰূপ অনুসন্ধান সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল মহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য আৰু তৃতীয়গৰাকী সভাপতি আছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামী। প্ৰাচীন কামৰূপৰ বিষয়ে গৱেষণা, প্ৰাচীন সাঁচিপাত পুথি সংৰক্ষণ, ইতিহাস, পাণ্ডুলিপি আদিৰ অনুসন্ধানৰ উদ্দেশ্য লৈ গঠিত এই কামৰূপ অনুসন্ধান সমিতি অসম ৰাজ্যিক সংগ্ৰহালয়ৰ চৌহদত অৱস্থিত। হেমচন্দ্ৰ গোস্বামীৰ কাৰ্যকালছোৱাত (১৯১৭-১৯২৩, পুনৰ ১৯২৫-১৯২৮) সংগৃহীত আৰু সম্পাদিত 'ডেস্ক্ৰিপটিভ কেটেলগ অৱ আছামিজ মেনাস্ক্ৰিপ্ট' ১৯৩০ত প্ৰকাশ

**কমল কলিতা**

হয়। হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ভাষাৰ দ্বিতীয়খন অভিধান 'হেমকোষ'ক ছপা কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা বিশেষ ব্যক্তিগৰাকী আছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামী।

অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ (অ ভা উ সা) জন্ম হৈছিল ১৮৮৮ খ্ৰীষ্টাব্দৰ ২৫ আগষ্টত। ঊনবিংশ শতিকাৰ শেহৰ ফালে এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ কলিকতাৰ কলেজত পঢ়ি থকা ছাত্ৰসকলে এই সভা গঠন কৰিছিল। ইয়াৰ আগতে চাহ খোৱা মেল নামৰ এখন সন্মিলনী আছিল। অ ভা উ সভাৰ প্ৰথম সম্পাদক আছিল শিৱৰাম শৰ্মা, দ্বিতীয়গৰাকী আছিল কমলচন্দ্ৰ শৰ্মা আৰু তেওঁৰ মৃত্যুৰ পাছত হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, কনকলাল বৰুৱাকে ধৰি সম্পাদক বা সহকাৰী সম্পাদক হিচাপে কে'বাগৰাকী লোকে দায়িত্ব লৈছিল। অ ভা উ সভাৰ মুখ্য উদ্দেশ্য আছিল অসমীয়া ভাষাৰ উন্নতি সাধন। লগতে পুথি সংগ্ৰহ, অসমৰ বিদ্যালয়সমূহত অসমৰ ল'ৰা-ছোৱালীয়ে যাতে নিজ মাতৃভাষা পঢ়িবলৈ পায়, তাৰ কাৰণে চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰা, অশুদ্ধ ব্যাকৰণ, অশুদ্ধ বৰ্ণবিন্যাস আঁতৰাই শুদ্ধ ভাষাৰ পুথি বিদ্যালয়ত চলোৱাৰ বাবে আন্দোলন গঢ়ি তোলা, বৈষ্ণৱ কবিসকলৰ বিষয়ে আলোচনা কৰা, আন ভাষাৰ পৰা অনুবাদ কৰি অসমীয়া ভাষাক সমৃদ্ধ কৰা, অসমৰ এখন বুৰঞ্জী লিখা, সাধাৰণ মানুহৰ মাজত শিক্ষাৰ প্ৰতি আগ্ৰহ বঢ়োৱা আদি। আধুনিক অসমীয়া সাহিত্যৰ দ্বিতীয় পৰ্যায়টোক অসমীয়া সাহিত্যৰ ইতিহাসৰ দ্বিতীয় সোণালী যুগ বুলি কোৱা হয়। ১৮৮৯ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰীৰ পৰা প্ৰকাশ পোৱা 'জোনাকী' কাকতে ১৮৮৯ৰ পৰা ১৮৯৯ আৰু ১৯০১ৰ পৰা ১৯০৩ খ্ৰীষ্টাব্দলৈক নৱন্যাস সাহিত্যৰ ভাব যোগাই তোলাই নহয়, অসমীয়া জাতীয় জীৱনৰ চেতনা যোগাই তুলিবলৈও সক্ষম হয়। সব্যসাচী স্বৰূপ লক্ষ্মীনাথ বেজবৰুৱা, কবি চন্দ্ৰ কুমাৰ আগৰৱালা আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে জোনাকী যুগৰ এই ত্ৰিমূৰ্তিৰ সাহিত্যিক ব্যক্তিত্বই এই যুগটো প্ৰতিনিধিত্ব কৰিছে। এই গ্ৰন্থৰ গোটেইকেইটা খণ্ড প্ৰকাশ কৰিবলৈ কলিকতা বিশ্ববিদ্যালয়ৰ পৰ্যাপ্ত পৰিমাণৰ ধন নথকাৰ কাৰণে কলিকতা নিবাসী ব্যৱসায়ী লৌহ পুৰুষ, দেশহিতৈষী ভোলানাথ বৰুৱাই উদাৰচিত্তে এই গ্ৰন্থ প্ৰকাশ কৰে।

১৮৭২ৰ আঠ জানুৱাৰীত গোলাঘাটৰ ঢেকিয়াল মৌজাৰ গৌৰাংগ সত্ৰত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জন্ম হৈছিল। তেওঁৰ পিতৃ ডম্বৰুধৰ গোস্বামী। গৌৰাংগ সত্ৰৰ সত্ৰাধিকাৰ আৰু ঢেকিয়াল মৌজাৰ মৌজাদাৰ আছিল। হেমচন্দ্ৰ গোস্বামীয়ে নগাঁও চৰকাৰী উচ্চ বিদ্যালয়ৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাৰ প্ৰেছিডেন্সী কলেজত নামভৰ্তি কৰে। অৱশ্যে বি এ উপাধি নোলোৱাকৈ গুৱাহাটীলৈ উভতি আহি ১৮৯৪ত সোণাৰাম হাইস্কুলত প্ৰধান শিক্ষকৰূপে নিয়োজিত হয়। ১৮৯৫ত প্ৰধান শিক্ষকৰ চাকৰি পদত্যাগ কৰি এড্‌ৱাৰ্ড গেইটৰ নিৰ্দেশত শ্বিলঙৰ সচিবালয়ত চাকৰিত যোগদান কৰে। ১৮৯৭ত ছাব ডেপুটী কালেক্টৰ আৰু তাৰ কিছুদিন পাছত এক্সট্ৰা এছিষ্টেন্ট কমিছনাৰ আৰু ডেপুটী মেজিষ্ট্ৰেট হয়। এই চাকৰি কালতে চৰকাৰৰ নিৰ্দেশত অসমৰ গাঁও বা চহৰত থকা সত্ৰ (বৰপেটা, মধুপুৰ, ভেলেডাঙা, আউনীআটি, গড়মূৰ, দক্ষিণপাট, বেঙেনাবাৰী, বৰএলেঙী, কমলাবাৰী আদি) মঠ-মন্দিৰ, থান আদিৰ প্ৰায় ১১শ পুৰণি পুথি সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ১৩৩৪ খন সাঁচপতীয়া পুথিকে ধৰি এই পুথিসমূহ কামৰূপ অনুসন্ধান সমিতিৰ পুথিভঁৰালত সংৰক্ষিত হৈ আছে।

হেমচন্দ্ৰ গোস্বামীৰ কবিতাত প্ৰকৃতি, প্ৰেম আৰু দেশাত্মবোধৰ পৰিচয় পোৱা যায়। কলিকতাৰ পৰা প্ৰকাশিত গুণাভিৰাম বৰুৱাৰ সম্পাদনাত ১৮৩৪ত প্ৰকাশ পোৱা 'আসাম বন্ধু' অসমীয়া ভাষাৰ প্ৰথম মাহেকীয়া আলোচনী আছিল। 'আসাম বন্ধু'ৰ পণ্ডিত হেমচন্দ্ৰ গোস্বামী নিয়মীয়া লেখক আছিল। অসমৰ সৰ্বাংগীণ উন্নয়নৰ বাবে সৃষ্টিশীল আন্দোলন গঢ়ি তোলা আৰু সাহিত্য ৰচনাৰ এক পৰিৱেশ গঢ়ি তোলাৰ বাবে আসাম বন্ধুৱে গ্ৰহণ কৰা ভূমিকা অসমীয়া সাহিত্যৰ ইতিহাসৰ স্মৰণীয় ঘটনা। হেমচন্দ্ৰ গোস্বামীয়ে লেখাসমূহ ৰোমান এইছ, শ্ৰীহ, শ্ৰীহঃ, হে, হে চ গো বা হ গ বুলিহে ছদ্মনামত লিখিছিল। অকল হেমচন্দ্ৰ গোস্বামীয়েই ছটাকৈ সাংকেতিক চিহ্ন ব্যৱহাৰ কৰি লিখিছিল আৰু আদ্যাক্ষৰ ব্যৱহাৰ কৰি লেখাসমূহ প্ৰকাশ কৰিছিল। ঠিক তেনেদৰে হেমচন্দ্ৰ বৰুৱাই 'হ চ' সোনাৰ চাঁদ বা এইছ চন্দীৰা বুলিহে লিখিছিল। অম্বিকাগিৰী ৰায় চৌধুৰীৰ চেতনা 'আলোচনী'তো হেমচন্দ্ৰ গোস্বামীয়ে লিখিছিল।

১৯১০ত ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত দুৰ্গা নাথ চাংকাকতি, প্ৰসন্ন কুমাৰ বৰুৱা আৰু বাগ্মীবৰ নীলমণি ফুকনে সম্পাদনা কৰা 'আলোচনী'ত হেমচন্দ্ৰ গোস্বামী, পদ্মধৰ চলিহা, কৃষ্ণকান্ত সন্দিকৈ, বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, নীলমণি ফুকন, আনন্দ চন্দ্ৰ আগৰৱালা, লক্ষ্মীনাথ ফুকনকে ধৰি স্বনামধন্য সাহিত্যিকসকলৰ লেখা প্ৰকাশ হৈছিল। হেমচন্দ্ৰ গোস্বামীয়ে উদ্ধাৰ কৰা অসমৰ প্ৰাচীন গীতৰ কলিবোৰৰ সম্পূৰ্ণ পাঠবোৰৰ উপৰি সংগৃহীত পুৰণি অসমীয়া গীতসমূহ (ৰুদ্ৰ সিংহ আৰু শিৱ সিংহৰ) আলোচনীত প্ৰকাশ হৈছিল। ১৯১৭ত 'আলোচনী'ৰ প্ৰকাশ বন্ধ হয়।

১৮৯০ খ্ৰীষ্টাব্দৰ পৰা ১৯৪০ খ্ৰীষ্টাব্দলৈকে এই সুদীৰ্ঘ সময়ছোৱাত যিসকল কবিয়ে আত্মপ্ৰকাশ কৰি ৰোমান্টিক কাব্যধাৰাক শক্তিশালী কৰি তুলিছিল, সেইসকলৰ ভিতৰত চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী অন্যতম আছিল। হেমচন্দ্ৰ গোস্বামীয়ে ১৯০৭ত 'ফুলৰ চাকি' নামৰ একমাত্ৰ কবিতা পুথিৰে ৰোমান্টিক কাব্যধাৰাক বহুখিনি উচ্চ স্তৰলৈ নিছে। প্ৰথম অসমীয়া ছনেট 'প্ৰিয়তমাৰ চিঠি' অসমীয়া সাহিত্যত এক মূল্যৱান সৃষ্টি।

*ফোন ঃ ৯৪৩৫০১০৫৫৪*

## জ্ঞানপীঠ বঁটাবিজয়ী

# মহাশ্বেতা দেৱীৰ স'তে নিবিড় মুহূৰ্ত

**জীৱনৰ** বাটত বহু মহান লোকৰ সান্নিধ্য পাওঁ, সান্নিধ্যৰ মুহূৰ্তবোৰ যুগমীয়া কৰি ৰখাৰ চেষ্টাও কৰো। কিন্তু কেতিয়াবা সময়ৰ কুটিল সোঁতত সেই সোঁৱৰণীৰ মুহূৰ্তবোৰ স্মৃতিৰ গৰ্ভৰ পৰা হেৰাই যাবলৈ ধৰে আৰু তেতিয়া ৰক্ষা কবচ হিচাপে হাতত কাগজ আৰু কলম লোৱাৰ বাহিৰে গত্যন্তৰ নাথাকে। ২০১৪ৰ ১৪ অক্টোবৰৰ কথা। সন্ধিয়া এজাক কিনকিনীয়া বৰষুণ। উলুবাৰী চাৰি আলিৰ দুফালৰ পৰা পিছদিনা পুৱাৰ জলপানৰ বাবে হাতত ব্ৰাউন ব্ৰেড এটা লৈ ঘৰমুৱা হৈছো, এনেতে মোৰ ম'বাইল ফোনটো বাজি উঠিল। ৰিচিভ কৰিলো। সিফালৰ পৰা অচিনাকি যুৱকৰ কণ্ঠত নিগৰিত হ'ল, 'বাইদেউ নমস্কাৰ, মই অনুজে কৈছো। কাইলৈ আপুনি এয়াৰপ'ৰ্টৰ পৰা বাহিৰে বাহিৰে বাইদেউৰ ঘৰলৈ আহিব লাগিব। আপোনাক বাইদেৱে তেওঁৰ ঘৰত সোমাই যাবলৈ কৈছে। আমি আপোনাক এয়াৰপ'ৰ্টৰ বাহিৰত লগ কৰিম।' আচৰিত হৈছিলো আৰু পুলকিতও হৈছিলো। বাইদেউ মানে বংগৰ প্ৰসিদ্ধ লেখিকা জ্ঞানপীঠ বঁটা বিজয়ী স্বনামধন্য মহাশ্বেতা দেৱী। ১৬ অক্টোবৰৰ সন্ধিয়া ছয় বজাত কলকাতাৰ অসম ভৱনৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে মোৰ 'নাহৰ তলত অকলে' নামৰ উপন্যাসখনৰ বাংলা অনুবাদ 'কদম তলাই একলা' গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠান। কোৱা বাহুল্য যে গ্ৰন্থ উন্মোচনী অনুষ্ঠানত মোৰ কোনো কৃতিত্ব নাই। অনুবাদক কলকাতাৰ সুপৰিচিত লেখক 'ছোভিয়েট দেশ' আলোচনীৰ সম্পাদক শক্তিপদ দাশগুপ্ত। তেওঁৰ স্বাস্থ্যৰ বুজ ল'বলৈ বুলি কেইদিনমানৰ পূৰ্বে যা-যোগাৰ চলাইছিলো। মই কলকাতালৈ যাবলৈ ওলোৱা বুলি জানি তেওঁ ক'লে, কিতাপ দুখনমান লগত লৈ আহিব। তেওঁৰ পৰামৰ্শ মতে মই ১৫ অক্টোবৰৰ আবেলি ভাগিন শাৰদী (মানু)ক লগত লৈ কলকাতালৈ উৰা মাৰিলো। যাত্ৰাৰ সময়ৰ পূৰ্বে মোলৈ ফোন আহিল, অসম ভৱনৰ কেম্পাছত থকা মোৰেই কনিষ্ঠ ভগ্নীসম শিখা ভট্টাচাৰ্যই ক'লে, 'বাইদেউ, মই অনুজৰ লগত কথা পাতিছো (অনুজ হ'ল মহাশ্বেতা দেৱীৰ একান্ত ঘনিষ্ঠ আৰু ক'বলৈ গ'লে অনুগত)। আপোনাৰ উপন্যাসখন অসম ভৱনত মহাশ্বেতা দেৱী বাইদেউৰ হতুৱাই উন্মোচন কৰোৱাম। মই অসম ভৱনৰ বাণিজ্য উপদেষ্টাক কৈছো। কথাবোৰ তেতিয়ালৈকে মোৰ বাবে পৰিষ্কাৰ নহ'ল। সি যি নহওক, তেতিয়ালৈকে মোৰ কলকাতাৰ অসম ভৱনত থকাৰ ব্যৱস্থা হোৱা নাছিল। মোৰ থকাৰ ব্যৱস্থা এটা কৰি দিয়াৰ বাবে ট্ৰেড এডভাইজৰ দেৱাশিস চক্ৰৱৰ্তীক খাটনি ধৰিলো। তেওঁ মুহূৰ্ততে মোকে অভয় দি ক'লে, বাইদেউ, আপুনি চিন্তা কৰাৰ কাৰণ নাই। মই সকলো ব্যৱস্থা কৰি আছো।'

অসম ভৱনৰ প্ৰেক্ষাগৃহত গ্ৰন্থ উন্মোচনীৰ সভাখন কৰাৰ ব্যৱস্থা। ইতিমধ্যে অনুজ আৰু শিখাই ডাইৰেক্টৰৰ লগত আলোচনা কৰি মই গৈ পোৱাৰ পূৰ্বেই সকলো আয়োজন কৰি পেলালে। মই তেতিয়ালৈকে বুজিব পৰা নাই— দীৰ্ঘদিন হুইল চেয়াৰত থকা আৰু চিকিৎসকৰ নিৰ্দেশত চলা-ফুৰা কৰা মানুহগৰাকী কেনেকৈ আহিব। মোৰ মনে ধৰা নাই। তথাপি অনুজ, শিখা আৰু অসম ভৱনৰ ডাইৰেক্টৰৰ অভয় মাত— ১৫ অক্টোবৰৰ বিয়লি ৫.৫৫ বজাত কলকাতাৰ নেতাজী সুভাষ চন্দ্ৰ বসু আন্তঃৰাষ্ট্ৰীয় কিমানকোঠত মই যোৱা বিমানখনে অৱতৰণ কৰিলে। বাহিৰলৈ ওলাই আহি দেখো— শিখাই গাড়ী এখনৰ দৰ্জা খুলি মাতিলে— বাইদেউ আহক। অনুজক মই শাৰীৰিকভাৱে প্ৰথম দেখো। দুয়ো মোক সাৱটি ধৰি গাড়ীলৈ লৈ গ'ল আৰু ক'লে— আমি প্ৰথমে বাইদেউ (মহাশ্বেতা দেৱী)ৰ ঘৰলৈ যাম। বাইদেৱে আপোনাক এয়াৰপ'ৰ্টৰ পৰা বাহিৰে বাহিৰে তেওঁৰ ঘৰলৈ মাতি পঠাইছে। মই পুলকিত হৈছো। সুদীৰ্ঘ ৩০ বছৰৰ পাছত বাইদেউক লগ পাম। ১৯৮৪ৰ কথা। বাইদেউৰ মনত আছেনে বাৰু? নানা প্ৰশ্নৰ উক্‌মুকনি। ১৫ অক্টোবৰৰ সন্ধিয়া ৬.৪৫ বজাত কলকাতাৰ ৰাজদাংগা পথৰ কাছবা নামৰ ঠাইত মহাশ্বেতা দেৱীৰ ঘৰত গৈ উপস্থিত হ'লো। এটা সৰু ফ্লেটৰ প্ৰথম মহল দুটা চিৰি বগাই তেওঁৰ কোঠাটো পালো। তেওঁৰ ব্যক্তিগত সচিব জয়ভদ্ৰই পোনে পোনে আমাক তেওঁৰ কাষলৈ লৈ গ'ল। এখন সৰু টেবুল। কিছুমান কিতাপ, লিখাৰ সঁজুলি। উকা কাগজ, টেবুলত এটা লেম্প। (টেবুল লেম্প) সোমায়েই 'প্ৰণাম দিদি' বুলি কাষ চাপিলো। মই বাংলাতেই ক'লো— 'আমি সুমিত্ৰা। আসামেৰে সুমিত্ৰা...।' কথা আৰু ক'বলৈ নাপালো, তেওঁ গুৰু-গম্ভীৰ কণ্ঠেৰে ক'লে— 'হেঁ, তুমি আমাৰ ছোট বোন। অৱশ্যে মনে আছে।' তাৰ পাছত ক'লো— দিদি, ১৯৮৪ত মই আপোনাৰ বালিগঞ্জৰ ঘৰলৈ আহিছিলো...। উত্তৰ দিলে— তুমি আসামেৰ মিলিটেন্ট মে'তা নয়?

মই আচৰিত হ'লো। কোৱা বাহুল্য— সেই সময়ত অৰ্থাৎ '৮০ দশকত মই এটা সৰ্বভাৰতীয় বিপ্লৱী ৰাজনৈতিক দলৰ এগৰাকী সৰ্বক্ষণৰ কৰ্মী আছিলো। দলটোৰ দাবী সংগঠনৰ দায়িত্ব আমাৰ ওপৰত আছিল। তদুপৰি নক্সালবাদৰ প্ৰতি আকৃষ্ট

**সুমিত্ৰা হাজৰিকা**

হৈ যৌৱন কালত সপোন দেখিছিলো সমাজ পৰিৱৰ্তনৰ। সেইবিলাক দীঘলীয়া কাহিনী। মুঠতে শদিয়াৰ পৰা ধুবুৰীলৈ, অসমৰ পৰা পশ্চিমবংগ, বিহাৰ, ওড়িছা আদি ৰাজ্যবোৰৰ বিভিন্ন ঠাইত সাংগঠনিক কামত ঘূৰিছিলো। ১৯৮৪ৰ মে'ত নক্সালবাৰীৰ পৰা কলকাতালৈ গৈছিলো। কলকাতাৰ প্ৰগতি ময়দানত এক বিশাল জনসমাৱেশত যোগদান কৰি থকাৰ মাজতে এদিন কমৰেড ভাস্কৰ নন্দীয়ে মোক কলকাতাৰ মহাশ্বেতা দেৱীৰ ওচৰলৈ লৈ গৈছিল। ছাত্ৰী জীৱনতেই



মহাশ্বেতা দেৱীৰ 'হাজাৰ চৌৰাশীৰ মা' পঢ়ি সমাজ-পৰিৱৰ্তনৰ বাট বিচাৰি পাইছিলো। মহাশ্বেতা দেৱীৰ সামাজিক জীৱনৰ নানা গৌৰৱোজ্জ্বল কথা শুনি তেওঁৰ প্ৰতি আকৃষ্ট হৈ পৰিছিলো আৰু তেওঁক লেখিতাকৈও এগৰাকী প্ৰগতিশীল সমাজকৰ্মী বুলি বুজিছিলো। সেয়ে তেওঁৰ কাষলৈ যাবলৈ সুযোগ পাই আনন্দিত হৈছিলো।

বালিগঞ্জৰ এটা সাধাৰণ সৰু ঘৰ। কিতাপেৰে আগুৰি থকা এটা কোঠাৰ এখন বিছনাত নানা বাতৰি কাকত, কিতাপ লৈ বাইদেউ বহি আছিল। এগৰাকী অতি সাধাৰণ অথচ সপ্ৰতিভ নাৰীৰ সান্নিধ্যই আমাৰ জীৱন ধন্য কৰিছিল। কাষত বহুৱাই নানা কথা— নানা গল্প। মনত পৰে তেওঁৰ বহু কথাৰ ভিতৰত কিয়দংশ। 'ইমান সৰু ছোৱালী এজনী হৈ তুমি কিদৰে পৰিয়ালক বুজাইছা যে সমাজ-পৰিৱৰ্তনৰ বাবে বিপ্লৱৰ প্ৰয়োজন আছে বুলি? তোমাৰ সাহস আৰু সততাক মই সন্মান কৰিছো। আগুৱাই যোৱা। ভাৰতবৰ্ষৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থা কেতিয়া পৰিৱৰ্তন হ'ব নাজানো; কিন্তু তাৰ বাবে তোমালোকৰ নিচিনা সাহসী ছোৱালীবোৰে দায়িত্ব ল'ব লাগিব...।' আৰু বহু কথা...। ক'বলৈ গ'লে দুদিন ধৰি বাইদেউৰ স'তে নানা কথা পাতিলো।

দুপৰীয়া বাহিৰৰ পৰা তিনিটা চিকেন ৰোল আনিলে। মই, বাইদেউ আৰু কমৰেড ভাস্কৰ নন্দী মিলি খালো। প্ৰথম দিনা আবেলি আমি আমাৰ কেম্পলৈ ঘূৰি আহিলো। পিছদিনা আকৌ মাতি পঠালে আৰু ক'লে— 'এই সাহসী ছোৱালীজনীৰ স'তে কথা পাতি মই প্ৰাণ পাইছো।' অথচ মই তেতিয়া বাংলা ভালদৰে ক'ব নোৱাৰো। অলপ হিন্দী, অলপ ইংৰাজী মিহলি ভাবৰ বিনিময় কৰিছিলো। আহিবৰ সময়ত কিতাপৰ টোপোলা এটা দি বিদায় দিলে— 'কলকাতালৈ আহিলে, মোৰ ঘৰলৈ আহিবা।'


সুদীৰ্ঘ ৩০ বছৰৰ বিৰতিত বাইদেউক লগ পালো। সেই চেহেৰা আৰু স্বাস্থ্য নাই। সহজে পিন্ধিব পৰা এটা মেক্সি পিন্ধি, হুইল চেয়াৰত বাইদেউ। অথচ এতিয়াও যে এগৰাকী মানসিকভাৱে স্বাস্থ্যৱান নাৰী। কিতাপ গঢ়ি আছে, লিখি আছে আৰু আমাৰ লগত মিচিকিয়া হাঁহিৰে কথা পাতিছে। পিছদিনা উন্মোচন হ'বলগীয়া মোৰ উপন্যাসখন হাতত তুলি দিলো। কিতাপখন হাতত লৈ কপালত লগালে আৰু ক'লে— 'আমি অৱশ্যেই এই বইটি উন্মোচন কৰব।' আকৌ ক'লে—'সুমিত্ৰা আমাৰ ছোট বোন। অনেক দিন দেখেনি।' মোৰ লগত যোৱা শিখা আৰু অনুজ আচৰিত। ব্যক্তিগত সচিবজনো আচৰিত হ'ল। কাৰণ চিকিৎসকৰ পৰামৰ্শ মতে তেওঁ বাহিৰলৈ যোৱাত বাধা। মেল-মিটিং বাদেই। আনকি আলহীৰ স'তে কথা পতাও মানা। তেনে অৱস্থাত আমাক সাবটি ধৰি চুমা খাই ক'লে—'কালকে আমি যাব...।' গ্ৰন্থ উন্মোচনী সভাত কি ক'লে? দীঘলীয়া বক্তব্য। সেয়া পৰৱৰ্তী সময়ত লিখিবলৈ চেষ্টা কৰিম। মুঠতে বংগবাসী ৰাইজক আচৰিত কৰি হুইল চেয়াৰত আহি বাৰ্ধক্যকো নেওচি প্ৰসিদ্ধ লেখিকাগৰাকীয়ে ১৬ অক্টোবৰৰ দিনা বিয়লি ছয় বজাত অসম ভৱনৰ প্ৰেক্ষাগৃহত আমাৰ কিতাপ উন্মোচন কৰি আমাৰ দৰে তৃণমূলৰ লেখিকাক ধন্য কৰিলে। কোৱা বাহুল্য উক্ত গ্ৰন্থ উন্মোচনী সভাত প্ৰসিদ্ধ লেখক গৌতম প্ৰসাদ বৰুৱাই কৈছিল— সুমিত্ৰাক মই খেলুৱৈ বুলিহে জানিছিলো। মোৰ 'নাহৰ তলত অকলে' নামৰ উপন্যাসখন পঢ়ি কৈছিল—'তাই দেখাত 'ৰাফ্ এণ্ড টাফ', ভিতৰখন নাৰিকলৰ দৰে...।' মই লগ পোৱাৰ দুবছৰ পাছতেই বাইদেউৰ মহাপ্ৰয়াণ ঘটে।

*ফোন ঃ ৯৪৩৫০১২৬৭৯*

## জেনেৰেল মটৰ্ছক পৰাভূত কৰি আমেৰিকাত সৰ্বাধিক গাড়ী বিক্ৰেতাৰ স্বীকৃতি জাপানৰ বিখ্যাত টয়'টাৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৫ জানুৱাৰী ঃ** জাপানী অট'ম'বাইল প্ৰতিষ্ঠান টয়'টাই আমেৰিকাৰ বজাৰত আধিপত্য স্থাপন কৰিলে। ডেট্ৰয়টস্থিত জেনেৰেল মটৰ্ছে ১৯৩১ৰ পাছত প্ৰথমবাৰৰ বাবে আমেৰিকাত সৰ্বাধিক গাড়ী বিক্ৰেতা প্ৰতিষ্ঠানৰ স্বীকৃতি হেৰুৱালে। আমেৰিকাত সৰ্বাধিক গাড়ী বিক্ৰেতা প্ৰতিষ্ঠানৰ স্বীকৃতি লাভ কৰিলে জাপানৰ বিখ্যাত টয়'টা মটৰ্ছে। জেনেৰেল মটৰ্ছ আৰু তেওঁলোকৰ ডিলাৰে ২০২১ বৰ্ষত ২.২ নিযুত বাহন বিক্ৰী কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, পূৰ্বৰ বৰ্ষৰ তুলনাত বিগত বৰ্ষত জেনেৰেল মটৰ্ছৰ বিক্ৰী ১৩ শতাংশ হ্ৰাস পালে। আনহাতে, টয়'টা মটৰ্ছে ২০২১ বৰ্ষত আমেৰিকাত ২.৩ নিযুত গাড়ী বিক্ৰী কৰি সৰ্বাধিক গাড়ী বিক্ৰেতা প্ৰতিষ্ঠানৰ স্বীকৃতি লাভ কৰিলে। চি এন বি চিৰ প্ৰতিবেদনত প্ৰকাশ পোৱা মতে, ২০২০ বৰ্ষৰ তুলনাত ২০২১ বৰ্ষত টয়'টা মটৰ্ছৰ বাহন বিক্ৰী ১০.৪ শতাংশ বৃদ্ধি পালে। জেনেৰেল মটৰ্ছ আৰু টয়'টাৰ মুঠ গাড়ী বিক্ৰীৰ ক্ষেত্ৰত এক লাখ ১৪ হেজাৰ ৩৪ খন বাহনৰ পাৰ্থক্য আছিল। ৯০ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে জেনেৰেল মটৰ্ছে আমেৰিকাত সৰ্বাধিক বাহন বিক্ৰেতাৰ স্বীকৃতি হেৰুৱালে।



## হংকঙত অ'মিক্ৰনৰ ত্ৰাস ঃ আঠ দেশৰে বিমান নিষেধাজ্ঞা

**নিউজ ব্যুৰ', হংকং, ৫ জানুৱাৰী ঃ** কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ হংকঙে ভাৰতসহ আঠখন দেশৰ স'তে সাময়িকভাৱে বিমান চলাচলত নিষেধাজ্ঞা আৰোপ কৰিলে। ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, কানাডা, ফ্ৰান্স, পাকিস্তান, ফিলিপাইনছ, ব্ৰিটেইন আৰু আমেৰিকাৰ স'তে অনিৰ্দিষ্ট কাললৈ হংকঙে বিমানসেৱা বন্ধ ৰাখিব। বুধবাৰলৈকে হংকঙত অ'মিক্ৰনত আক্ৰান্ত ১১৪ জন লোকক চিনাক্ত কৰা হৈছে। অ'মিক্ৰনৰ উপস্থিতি ধৰা পৰাৰ পাছতে হংকঙত ব্যায়ামাগাৰ আৰু ৰেস্তোৰাঁ বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে।

## কৰ'নাৰ সংক্ৰমণ বৃদ্ধি বাংলাদেশত, তলাবন্ধৰ ইংগিত




**নিউজ ব্যুৰ', ঢাকা, ৫ জানুৱাৰী ঃ** বাংলাদেশত শেহতীয়াভাৱে কৰ'নাৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ বাংলাদেশ চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণৰ যো-জা চলাইছে। দেশখনৰ স্বাস্থ্যমন্ত্ৰী জাহিদ মালিকে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ঢাকাত তলাবন্ধৰ ইংগিত দিলে। ঢাকাৰ সচিবালয়ত মন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি দেশত কৰ'নাৰ সংক্ৰমণৰ হাৰ পুনৰ বৃদ্ধি পোৱাৰ ফলত তলাবন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব পাৰে। স্বাস্থ্যমন্ত্ৰীজনে কয়, 'গৃহমন্ত্ৰীক মই এই বিষয়ত অনুৰোধ জনাইছো। আগন্তুক সাতদিনৰ ভিতৰত তলাবন্ধ ঘোষণা কৰাটো মই বিচাৰিছো। কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনক আমি বাধা দিব লাগিব। ইয়াৰ বাবে কঠোৰ পদক্ষেপ ল'ব লাগিব।'

## অমিতাভৰ বাসগৃহৰ কৰ্মী কৰ'নাত আক্ৰান্ত



**নিউজ ব্যুৰ', মুম্বাই, ৫ জানুৱাৰী ঃ** পুনৰ কৰ'নাৰ সংক্ৰমণ ধৰা পৰিল বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চনৰ বাসগৃহ 'জলছা'ত। বৰ্ষীয়ান অভিনেতাজনৰ এজন কৰ্মচাৰী ক'ভিডত সংক্ৰমিত হ'ল। যোৱা দুই জানুৱাৰীত অমিতাভৰ বাসগৃহত কাম কৰা লোকসকলৰ ক'ভিডৰ পৰীক্ষণ কৰোৱা হৈছিল আৰু ৩১ জন কৰ্মীৰ ভিতৰত এজনৰ শৰীৰত ক'ভিড সংক্ৰমণ ধৰা পৰে। জনপ্ৰিয় অভিনেতাজনে টুইটাৰৰ জৰিয়তে বাসগৃহৰ কৰ্মী ক'ভিড আক্ৰান্ত হোৱাৰ কথা ৰাজহুৱা কৰিছে। স্মৰ্তব্য যে ২০২০ বৰ্ষতে অমিতাভো কৰ'নাত সংক্ৰমিত হৈছিল। অভিষেক বচ্চন, ঐশ্বৰ্য ৰাই বচ্চন আৰু তেওঁলোকৰ কন্যা আৰাধ্যা বচ্চনো এই ভাইৰাছত আক্ৰান্ত হৈছিল।

### শিশু আৰু কিশোৰৰ মাজত ক'ভিডৰ সংক্ৰমণ বাঢ়িছে ঃ জ্বৰ, চৰ্দি, কাহ, এলাৰ্জী, ডিঙিত বিষৰ উপসৰ্গ

# অ'মিক্ৰনত আক্ৰান্ত শিশু ঃ উপসৰ্গক লৈ চিন্তিত চিকিৎসক

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ জানুৱাৰী ঃ** দেশত পুনৰ ক'ভিডৰ ডেল্টা আৰু অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পাইছে। শেহতীয়াভাৱে যথেষ্টসংখ্যক শিশুও অ'মিক্ৰনত সংক্ৰমিত হৈছে। মহাৰাষ্ট্ৰ, দিল্লী, পশ্চিমবংগত ক'ভিডৰ সংক্ৰমণ বৃদ্ধিয়ে সকলোকে উদ্বিগ্ন কৰি তুলিছে। আক্ৰান্তৰ মাজত শিশুৰ সংখ্যা বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি চিকিৎসকসকলো চিন্তিত হৈছে। ইতিমধ্যে দেশত ১৫-১৮ বছৰ বয়সীয়া লোকসকলৰ ক'ভিড টিকাকৰণ আৰম্ভ কৰা হৈছে। চিকিৎসক বিশেষজ্ঞৰ মতে, শিশু আৰু কিশোৰৰ মাজত ক'ভিডৰ সংক্ৰমণ বাঢ়িছে যদিও সৰহসংখ্যক আক্ৰান্তৰ শৰীৰত মৃদু উপসৰ্গহে দেখা দিছে। সাধাৰণতে শিশুৰ ক্ষেত্ৰত জ্বৰ, চৰ্দি, কাহ আৰু এলাৰ্জীৰ সমস্যাই ক'ভিডৰ উপসৰ্গ হিচাপে দেখা দিছে। একাংশ শিশুৰ ক্ষেত্ৰত ডিঙিত বিষৰ সমস্যায়ো দেখা দিছে। অৱশ্যে অ'মিক্ৰনে শিশুৰ বিশেষ ক্ষতি কৰিব পৰা নাই কিয়নো শিশুসকলৰ ৰোগ প্ৰতিৰোধ ক্ষমতা স্বাভাৱিকতে অধিক হয়। গৱেষকসকলৰ মতে, শিশুসকলক ডেল্টা আৰু অ'মিক্ৰনে যৌথভাৱে আক্ৰমণ কৰিব পাৰে। সেয়েহে শিশুৰ টিকাকৰণ প্ৰক্ৰিয়াত অধিক গুৰুত্ব দিয়াটো জৰুৰী হৈছে। বিশেষজ্ঞসকলে দেশৰ সকলো ১৫-১৮ বছৰীয়া লোকক শীঘ্ৰে ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে মাস্ক পৰিধানত সতৰ্ক হ'বলৈ দিহা দিছে। পৰিস্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰাখিবলৈকো চিকিৎসকে শিশুসকলক পৰামৰ্শ দিছে।





## কাশ্মীৰৰ পুলৱামাত পুনৰ তিনি সন্ত্ৰাসবাদী নিহত

**নিউজ ব্যুৰ'**
**শ্ৰীনগৰ, ৫ জানুৱাৰী ঃ আজি পুৱতি নিশা দক্ষিণ কাশ্মীৰৰ পুলৱামা জিলাৰ চাঁদগাম অঞ্চলত সংঘটিত হোৱা এক সংঘৰ্ষত তিনিজন সন্ত্ৰাসবাদী নিহত হ'ল। সেনাৰ সূত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, নিৰাপত্তা বাহিনীৰে হোৱা উক্ত সংঘৰ্ষত জইচ-এ-মহম্মদৰ তিনিজন সন্ত্ৰাসবাদী ধৰাশায়ী হয়। নিহত তিনি সন্ত্ৰাসবাদীৰ এজন পাকিস্তানী নাগৰিক। মৃত সন্ত্ৰাসবাদীকেইজনৰ পৰা যথেষ্ট পৰিমাণৰ গুলি, দুটা এম-৪ কাৰ্বাইন আৰু এটা এ কে ছিৰিজৰ ৰাইফল জব্দ কৰা হৈছে।**



## ঝাৰখণ্ডত বাছ, ট্ৰাকৰ দুৰ্ঘটনাত নিহত কমেও ১৬জন

**নিউজ ব্যুৰ'**
**পাকুড়, ৫ জানুৱাৰী ঃ ঝাৰখণ্ডৰ পাকুড়ত আজি পুৱা সংঘটিত হোৱা এক ভয়াৱহ পথ দুৰ্ঘটনাত কমেও ১৬ জন লোকৰ মৃত্যু হ'ল। ছাহিবগঞ্জৰ পৰা টুমকালৈ যাত্ৰা কৰা এখন বাছে লিট্টিপাড়া-অমড়াপাড়া ৰোডত গৈছ চিলিণ্ডাৰ কঢ়িয়াই অনা এখন ট্ৰাকত প্ৰচণ্ড খুন্দা মৰাৰ ফলত এই ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি, বাছখনত কমেও ৫৫ জন যাত্ৰী আছিল। ঘটনাস্থলীৰ পৰা ১৬টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু দুৰ্ঘটনাত কমেও ৩১ জন লোক গুৰুতৰভাৱে আহত হয়।**

## ক'ভিড পৰিস্থিতি জটিল ঃ উত্তৰ প্ৰদেশ, বিহাৰ, মহাৰাষ্ট্ৰ, দিল্লী, হাৰিয়ানাত বন্ধ হ'ল শিক্ষানুষ্ঠান




**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জানুৱাৰী ঃ** ভাৰতত আকৌ এবাৰ কৰ'নাই মহামাৰীৰ ৰূপ ধাৰণ কৰিলে। মহাৰাষ্ট্ৰ আৰু দিল্লী শেহতীয়াভাৱে ক'ভিডত সৰ্বাধিক প্ৰভাৱিত হৈছে। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধিৰ লগে লগে দেশবাসীৰ উদ্বেগ বৃদ্ধি পাইছে। ধাৰাবাহিক সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ কে'বাখনো ৰাজ্যই ইতিমধ্যে সকলোবোৰ শিক্ষানুষ্ঠান পুনৰ বন্ধৰ নিৰ্দেশ দিছে। দিল্লী, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, বিহাৰ, হাৰিয়ানাসহ কে'বাখনো ৰাজ্যত বিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰা হৈছে। আন কে'বাখনো ৰাজ্যই ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ শিক্ষানুষ্ঠান বন্ধৰ কথা বিবেচনা কৰিছে। বিহাৰ চৰকাৰে ইতিমধ্যে অষ্টম শ্ৰেণীলৈকে বিদ্যালয় বন্ধ ৰাখিবলৈ নিৰ্দেশ দিছে। উত্তৰ প্ৰদেশত দশম শ্ৰেণীলৈকে বিদ্যালয় বন্ধ থাকিব। ইফালে, মহাৰাষ্ট্ৰতো অষ্টম শ্ৰেণীলৈকে শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখা হৈছে। পশ্চিমবংগ চৰকাৰে ১৫ জানুৱাৰীলৈকে সকলো শিক্ষানুষ্ঠান বন্ধৰ নিৰ্দেশ দিছে। ৰাজস্থানতো ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অষ্টম শ্ৰেণীলৈকে বিদ্যালয় পুনৰ বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। দেশৰ ৰাজধানী দিল্লীতো সকলোবোৰ শিক্ষানুষ্ঠান সম্প্ৰতি বন্ধ ৰখা হৈছে।

## মহাৰাষ্ট্ৰত ৫১ শতাংশ বৃদ্ধি দৈনিক সংক্ৰমণ, মুম্বাইতে বৃদ্ধি ৩৪ শতাংশ

**নিউজ ব্যুৰ', মুম্বাই, ৫ জানুৱাৰী ঃ** দেশৰ ক'ভিডৰ দৈনিক সংক্ৰমণৰ তালিকাত পুনৰ শীৰ্ষস্থান দখল কৰিলে মহাৰাষ্ট্ৰই। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত ক'ভিডত আক্ৰান্তৰ সংখ্যা ৫১ শতাংশ বৃদ্ধি পালে। সোমবাৰে মহাৰাষ্ট্ৰত ১২,১৬০ জন লোক কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে মঙলবাৰে আক্ৰান্তৰ সংখ্যা ১৮,৪৬৬ জনলৈ বৃদ্ধি পালে। মুম্বাই চহৰতো সোমবাৰৰ তুলনাত মঙলবাৰে ৩৪ শতাংশ সংক্ৰমণ বৃদ্ধি পালে। মঙলবাৰে মুম্বাইত ১০,৮৬০ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। ইফালে, যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত ২০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।



## কৰ'নাৰ পৰিপ্ৰেক্ষিতত উত্তৰ প্ৰদেশত সকলো বৃহৎ নিৰ্বাচনী সভা বাতিল কংগ্ৰেছৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৫ জানুৱাৰী ঃ** দেশত অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ ফলত কৰ'নাৰ তৃতীয়টো ঢৌ প্ৰবল হৈ উঠিছে। এনে সময়তে উত্তৰ প্ৰদেশৰ বিধানসভাৰ আসন্ন নিৰ্বাচনক লৈ এক বৃহৎ ঘোষণা কৰিলে কংগ্ৰেছে। কংগ্ৰেছে ঘোষণা কৰা অনুসৰি, দলটোৱে ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ প্ৰদেশ আৰু অন্যান্য নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ৰাজ্যত কোনো বৃহৎ নিৰ্বাচনী ৰেলীৰ আয়োজন নকৰে। বুধবাৰে দেশত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা পুনৰ ৫৫ হেজাৰলৈ বৃদ্ধি পায়। ইয়াৰ পাছতে কংগ্ৰেছ দলে উত্তৰ প্ৰদেশ আৰু অন্য ৰাজ্যত বৃহৎ নিৰ্বাচনী ৰেলী অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত লয়।




## পঞ্জাৱৰ মুখ্যমন্ত্ৰীয়ে ক'লে, 'কেজৰিৱালৰ কৰ'না হ'ল, পঞ্জাৱক কৰ'না নালাগে'



**নিউজ ব্যুৰ', চণ্ডীগড়, ৫ জানুৱাৰী ঃ** পঞ্জাৱ বিধানসভা নিৰ্বাচনক লৈ সকলো ৰাজনৈতিক দল ব্যস্ত থকাৰ সময়তে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নীয়ে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ স্বাস্থ্যক লৈ বিতৰ্কিত মন্তব্য প্ৰকাশ কৰিলে। দৰাচলতে কেজৰিৱাল অলপতে কৰ'নাত সংক্ৰমিত হৈছিল আৰু ইয়াৰ পূৰ্বে আপৰ মুৰব্বীজনে পঞ্জাৱ আৰু চণ্ডীগড়ত একাধিক নিৰ্বাচনী সমদলত অংশ লৈছিল। ম'ৰিন্দাত এখন নিৰ্বাচনী সভাত অংশ লোৱাৰ সময়ত পঞ্জাৱৰ মুখ্যমন্ত্ৰী ছন্নীয়ে ভাষণ প্ৰসংগত কেজৰিৱালৰ স্বাস্থ্যৰ প্ৰসংগ উল্লেখ কৰি কয়, 'অৰবিন্দ কেজৰিৱালৰ কৰ'না হ'ল। আমি তেওঁৰ সুস্বাস্থ্য কামনা কৰো। কিন্তু পঞ্জাৱৰ বাহিৰৰ লোক আহি ইয়াত ৰাজত্ব কৰিব বিচাৰিছে যদিও আমাক কৰ'না নালাগে।' ছন্নীৰ এই মন্তব্যই পঞ্জাৱত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## গৌতম আদানীৰ সম্পত্তি বৃদ্ধি, চীনৰ সবাতোকৈ ধনী ব্যক্তি শ্বেনশ্বেনক পৰাভূত কৰি পুনৰ এছিয়াৰ দ্বিতীয় ধনাঢ্যৰ স্বীকৃতি

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৫ জানুৱাৰী ঃ** আদানী গ্ৰুপৰ অধ্যক্ষ গৌতম আদানীয়ে নৱবৰ্ষৰ প্ৰথমটো সপ্তাহতে সুখবৰ লাভ কৰিলে। আদানী আকৌ এবাৰ এছিয়াৰ দ্বিতীয়জন সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত হ'ল। আদানীয়ে এছিয়াৰ দ্বিতীয় ধনী ব্যক্তিৰ স্বীকৃতি লাভ কৰাৰ বিপৰীতে প্ৰথমজন ধনী ব্যক্তিৰ খিতাপ নিজৰ দখলত ৰাখিলে ৰিলায়েন্সৰ অধ্যক্ষ মুকেশ আম্বানীয়ে। আদানীয়ে চীনৰ সবাতোকৈ ধনী ব্যক্তি জংগ শ্বেনশ্বেনক পৰাভূত কৰি এছিয়াৰ দ্বিতীয় সবাতোকৈ ধনী ব্যক্তিৰ স্বীকৃতি লাভ কৰিলে। মঙলবাৰে আদানীৰ সম্পত্তিৰ পৰিমাণ ৪০ কোটি ডলাৰ বৃদ্ধিৰে ৭৭.৪ বিলিয়ন ডলাৰ হৈছিল। আনহাতে, চীনৰ সবাতোকৈ ধনী ব্যক্তি শ্বেনশ্বেনৰ সম্পত্তিৰ পৰিমাণ ৬.৭৩ বিলিয়ন ডলাৰ হ্ৰাস পোৱাৰ ফলত তেওঁৰ মুঠ সম্পত্তি ৭৪.৬ বিলিয়ন ডলাৰ হয়। ফলত শ্বেনশ্বেন এছিয়াৰ তৃতীয়জন ধনাঢ্য ব্যক্তিত পৰিণত হ'ল। সম্প্ৰতি এছিয়াৰ সবাতোকৈ ধনী দুই ব্যক্তি হৈছে ভাৰতীয়। উপাৰ্জনৰ ক্ষেত্ৰত ২০২১ বৰ্ষতো আদানীৰ বাবে যথেষ্ট উল্লেখনীয় আছিল। কিয়নো উক্ত বৰ্ষত ভাৰতৰ এইজন ধনাঢ্য ব্যক্তিয়ে ৪১.৫ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি কৰিবলৈ সফল হৈছিল। ভাৰতৰ সবাতোকৈ ধনী ব্যক্তি মুকেশ আম্বানীৰো সম্পত্তিৰ পৰিমাণ যোৱা সোম আৰু মঙলবাৰে ৩.৩৬ বিলিয়ন ডলাৰ বৃদ্ধি পায়। বৰ্তমানে ৯৩.৩ বিলিয়ন ডলাৰৰ সম্পত্তিৰ অধিকাৰী হৈ আম্বানীয়ে ভাৰত আৰু এছিয়াৰ প্ৰথম তথা বিশ্বৰ ১২ সংখ্যক ধনাঢ্য ব্যক্তি হিচাপে পৰিচিত হৈছে।



## পাকিস্তানৰ উচ্চতম ন্যায়ালয়ত প্ৰথমগৰাকী মহিলা ন্যায়াধীশ আয়েছাৰ নিযুক্তি বিতৰ্ক

**নিউজ ব্যুৰ'**
**ইছলামাবাদ, ৫ জানুৱাৰী ঃ** পাকিস্তানত উচ্চতম ন্যায়ালয়ত প্ৰথমগৰাকী মহিলা ন্যায়াধীশ নিযুক্তিক লৈ বিতৰ্ক অব্যাহত আছে। আয়েছা মলিকক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্তিৰ সন্দৰ্ভত কাইলৈ পাকিস্তানৰ ন্যায়িক আয়োগ (জে চি পি)-এ এখন বৈঠকত সিদ্ধান্ত লোৱাৰ কথা। কিন্তু আয়েছাক উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্তিৰ তীব্ৰ বিৰোধিতা কৰিছে পাকিস্তান বাৰ কাউন্সিলে। ইতিমধ্যে বাৰ কাউন্সিলে ভাবুকি দি কৈছে যে ন্যায়াধীশ আয়েছাক উচ্চতম ন্যায়ালয়ত নিযুক্তি দিলে দেশৰ সকলোবোৰ আদালত বন্ধ কৰি দিয়া হ'ব। বাৰ কাউন্সিলে আয়েছাক সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্তিৰ তীব্ৰ বিৰোধিতা কৰিলেও কোনো কাৰণ বৰ্তমানলৈকে প্ৰদৰ্শন কৰা নাই। বাৰ কাউন্সিলৰ মতে, উচ্চ ন্যায়ালয়ত আয়েছাক নিযুক্তি দিয়াত আপত্তি নাই যদিও উচ্চতম ন্যায়ালয়ত কোনো মহিলাক ন্যায়াধীশ হিচাপে নিযুক্তি দিয়াটো উচিত নহ'ব। উল্লেখ্য যে মুখ্য ন্যায়াধীশ গুলজাৰ আহমেদে দুবাৰকৈ আয়েছাক সৰ্বোচ্চ ন্যায়ালয়ত ন্যায়াধীশ নিযুক্তিৰ সিদ্ধান্ত লৈছিল, কিন্তু দুয়োবাৰে তেওঁ বাৰ কাউন্সিলৰ তীব্ৰ বিৰোধিতাৰ সন্মুখীন হৈছিল। বাৰ কাউন্সিলৰ মতে, ন্যায়াধীশ গুলজাৰে অচিৰে অৱসৰ গ্ৰহণ কৰিব আৰু সেয়েহে আয়েছাৰ নিযুক্তিৰ সন্দৰ্ভত পৰৱৰ্তী মুখ্য ন্যায়াধীশে সিদ্ধান্ত লোৱা উচিত।



## তালিবানে ক'লে 'আফগানিস্তানৰ সেনাত আত্মঘাতী বোমাৰু বাহিনীও থাকিব'

**নিউজ ব্যুৰ', কাবুল, ৫ জানুৱাৰী ঃ** যোৱা ১৫ আগষ্টত আফগানিস্তানৰ ক্ষমতা দখল কৰা তালিবানে এইবাৰ ঘোষণা কৰি ক'লে যে আফগানিস্তানৰ সেনাবাহিনীক আত্মঘাতী বোমাৰুক অন্তৰ্ভুক্ত কৰা হ'ব। ইছলামিক এমিৰেটছ অফ আফগানিস্তানৰ সেনাবাহিনীত প্ৰয়োজন হ'লে মহিলা সেনাকো অন্তৰ্ভুক্ত কৰা হ'ব বুলি তালিবান চৰকাৰে ঘোষণা কৰিলে। তালিবানে আফগানিস্তানৰ ক্ষমতা দখল কৰাৰ পাছত প্ৰথমবাৰৰ বাবে দেশৰ সেনাবাহিনীৰ সন্দৰ্ভত এই কথা ঘোষণা কৰিলে। তালিবানৰ মুখপাত্ৰ জবিউল্লাহ মুজাহিদে এই কথা প্ৰকাশ কৰি কয়, 'আফগানিস্তানৰ নতুন সেনাবাহিনী গঠন কৰা হৈছে। সেনাবাহিনীত আমি আত্মঘাতী সৈনিকক অন্তৰ্ভুক্ত কৰিছো। আত্মঘাতী বোমাৰুৰ সম্পূৰ্ণ এটা বেটেলিয়ন ৰখা হৈছে। তেওঁলোকে প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অধীনত কাম কৰিব। সেনাবাহিনীয়ে প্ৰয়োজন অনুভৱ কৰিলে মহিলাকো সৈনিকৰূপে অন্তৰ্ভুক্ত কৰিব পাৰে।'



## অ'মিক্ৰন আক্ৰান্তলৈ চিকিৎসকৰ দিহা সংক্ৰমিত হ'লে পেৰাচিটামল গ্ৰহণ-গাৰ্গল কৰক

**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ জানুৱাৰী ঃ** আশংকাক সত্য প্ৰমাণিত কৰি ভাৰতত ক'ভিডৰ তৃতীয়টো ঢৌৰ আগমন ঘটিল। ক'ভিডৰ নতুন ঢৌৰ ব্যাপক সংক্ৰমণৰ আঁৰত কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰন জড়িত হৈ আছে। দেশৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি একাধিক বিশিষ্ট চিকিৎসকে দেশবাসীক ক'ভিড প্ৰতিৰোধৰ বাবে কিছু নতুন দিহা আগবঢ়ালে। বিশিষ্ট চিকিৎসক দীপ্তেন্দ্ৰ সৰকাৰে পৰামৰ্শ দি কয়, 'চিকিৎসকৰ পৰামৰ্শ অবিহনে কোনো দৰৱ গ্ৰহণ নকৰিব। কৰ'নাত আক্ৰান্ত হ'লে একমাত্ৰ চিকিৎসা হৈছে পেৰাচিটামল গ্ৰহণ আৰু সময়ে সময়ে গাৰ্গল কৰা। এই মুহূৰ্তত দৈনিক গড়ে ৫০ জন চিকিৎসক কৰ'নাত আক্ৰান্ত হৈছে। প্ৰতিৰোধৰ ক্ষেত্ৰত মাস্কে হৈছে একমাত্ৰ ভৰসা।' ডাঃ সৰকাৰে লগতে কয় যে তৃতীয়টো ঢৌৱে প্ৰতিষেধকৰ কাৰ্যকাৰিতাক অতিক্ৰম কৰিলে আৰু প্ৰথম ঢৌত আক্ৰান্ত লোকো পুনৰ কৰ'নাত সংক্ৰমিত হৈছে। দুপালি প্ৰতিষেধক লোৱা লোকো ক'ভিডৰ নতুন প্ৰজাতিত সংক্ৰমিত হৈছে।



## পাকিস্তানত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৩৫২ জনলৈ বৃদ্ধি

**নিউজ ব্যুৰ', ইছলামাবাদ, ৫ জানুৱাৰী ঃ** বিশ্বৰ আন বহু দেশৰ লগতে পাকিস্তানতো কৰ'নাৰ সংক্ৰমণ শেহতীয়াভাৱে উৰ্ধ্বমুখী হ'বলৈ ধৰিছে। কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণো দেশখনত যথেষ্ট বৃদ্ধি পাইছে। পাকিস্তানৰ স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি বুধবাৰলৈকে দেশখনত ক'ভিডৰ নতুন প্ৰজাতিত আক্ৰান্ত ৰোগীৰ সংখ্যা ৩৫২ জনলৈ বৃদ্ধি পালে। কৰাচী, লাহোৰ আৰু ৰাজধানী ইছলামাবাদসহ পাকিস্তানৰ মুখ্য চহৰসমূহত অধিকাংশ অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। অ'মিক্ৰনৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে পাকিস্তানৰ স্বাস্থ্য বিভাগে টিকাকৰণত সৰ্বাধিক গুৰুত্ব দিছে। তদুপৰি এই নতুন প্ৰজাতিৰ ভাইৰাছৰ দ্ৰুত সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ স্থানীয়ভাৱে তলাবন্ধৰ পদক্ষেপো প্ৰশাসনে গ্ৰহণ কৰিছে।



## ইমৰানৰ দলে বিদেশৰ পৰা লাভ কৰা বৰঙণিৰ তথ্য নিদিলে নিৰ্বাচন আয়োগক

**নিউজ ব্যুৰ'**
**ইছলামাবাদ, ৫ জানুৱাৰী ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ নেতৃত্বাধীন পাকিস্তান তহৰিক-এ-ইনছাফ দলৰ বিৰুদ্ধে চান্দা চুৰিৰ অভিযোগ উত্থাপিত হ'ল। শাসনাধিষ্ঠিত দলটোৱে বিদেশৰ নাগৰিক আৰু প্ৰতিষ্ঠানৰ পৰা কোটি কোটি টকাৰ বৰঙণি সংগ্ৰহ কৰিছিল, কিন্তু পাকিস্তান তহৰিক-এ-ইনছাফে এনেবোৰ বৰঙণিৰ সন্দৰ্ভত নিৰ্বাচন আয়োগক কোনো তথ্যপাতি যোগান ধৰা নাই। আজি পাকিস্তানৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি, ইমৰানৰ দলটোৱে ২০০৯-২০১০ আৰু ২০১২-১৩ বিত্তীয় বৰ্ষৰ চাৰি বছৰৰ সময়ছোৱাত ৩১.২০ কোটি পাকিস্তানী টকাৰ বৰঙণি সংগ্ৰহৰ কথা নিৰ্বাচন আয়োগৰ পৰা গোপনে ৰাখিছিল। পাকিস্তানৰ সংবাদপত্ৰ 'ডন'ৰ বাতৰি অনুসৰি, ২০১২-১৩ বিত্তীয় বৰ্ষত ইমৰানৰ দলটোৱে সংগ্ৰহ কৰা ১৪.৫০ কোটি টকাৰ চান্দাৰ তথ্য গোপন কৰিছিল।



# ছাত্ৰ-ছাত্ৰীক খেলক পেছা হিচাপে লোৱাৰ আহ্বান বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ

## ■ মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ আৰম্ভণি

অগ্ৰদূত বাৰ্তা
**শিমলুগুৰি, ৫ জানুৱাৰী ঃ** কৰ'না মহামাৰীৰ বাবে হোৱা তলাবন্ধৰ পৰিপ্ৰেক্ষিতত দুবছৰৰ অন্তত বিদ্যালয়সমূহত আৰম্ভ হৈছে বাৰ্ষিক ক্ৰীড়া সপ্তাহ। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিদ্যালয়সমূহৰ লগতে মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালিৰে পৰা আৰম্ভ হৈছে বাৰ্ষিক ক্ৰীড়া সপ্তাহ। বাৰ্ষিক ক্ৰীড়াৰ আৰম্ভণি অনুষ্ঠানত সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে বন্তি প্ৰজ্বলনৰে ক্ৰীড়া সপ্তাহৰ মুকলি কৰে। বিদ্যালয়ৰ অধ্যক্ষ ড° গীতিমণি হাতীকাকতিয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক তথা প্ৰকৃতিবিদ, কোঁৱৰে কয় যে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা গ্ৰহণৰ সমান্তৰালকৈ খেলা-ধূলাত বিশেষ পাৰদৰ্শিতা দেখুৱাব লাগে। ছাত্ৰ-ছাত্ৰীসকলে বাৰ্ষিক ক্ৰীড়াত অংশগ্ৰহণ কৰিলেই নহ'ব, খেলক পেছা হিচাপে লৈ ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন খেলত অসমক প্ৰতিনিধিত্ব কৰি ৰাজ্যলৈ খেলৰ যোগেদি সুনাম কঢ়িয়াই অনাৰ প্ৰচেষ্টা চলাব লাগিব। বিদ্যালয়ৰ অধ্যক্ষ ড° হাতীকাকতিয়ে পতাকা উত্তোলন কৰে। শিক্ষক দীপক ৰাজকোঁৱৰে আঁত ধৰা অনুষ্ঠানত শিক্ষক নৱজ্যোতি শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পাছত দুজন ছাত্ৰই অলিম্পিক শিখা লৈ দৌৰ আৰম্ভ কৰাৰ অন্তত বহিঃবিভাগৰ খেলসমূহৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দৌৰ প্ৰতিযোগিতাসমূহ আৰম্ভ কৰা হয়।

## ■ 'আশা কিৰণ'ৰ নামত প্ৰতাৰণা ■ পূৰ্বৰ ফাৰ্মাচীসমূহক বাদ দিয়াক লৈ ক্ষোভ

# অ'এনজিচিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক বঞ্চনাৰ অভিযোগ



*অসম গ্ৰন্থমেলাত মানৱ ভৰালীৰ 'সৰল বিশ্লেষণাত্মক পদাৰ্থ বিজ্ঞান' গ্ৰন্থখন উন্মোচন অনুষ্ঠানত উন্মোচক ড° লৰ ঠাকুৰীয়া, কবি নীলিম কুমাৰসহ বিশিষ্ট ব্যক্তিসকল।*

অগ্ৰদূত বাৰ্তা
**শিমলুগুৰি, ৫ জানুৱাৰী ঃ** অ'এনজিচিক লাভজনক উদ্যোগৰূপে গঢ়ি তোলাত বিশেষ অৰিহণা যোগোৱা ২০০৭ৰ আগতে অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰীসকলৰ পেঞ্চন নথকাত তেওঁলোকক সকাহ দিয়াৰ উদ্দেশ্যে আশা কিৰণ নামৰ এক আঁচনি প্ৰৱৰ্তন কৰিছিল নিগম কৰ্তৃপক্ষই। নিগমৰ এনে পেঞ্চনবঞ্চিত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ বাবে ২০১৩ত সিদ্ধান্ত লোৱা আশা কিৰণ আঁচনিখন ২০১৪ৰ পৰা কাৰ্যকৰী কৰি বিভিন্ন শিতান সামৰি বছৰি দুই লাখ টকাকৈ দিয়াৰ সৰ্বসন্মত সিদ্ধান্ত হৈছিল যদিও প্ৰথম তিনি বছৰ ১,১০ হেজাৰকৈ (এক লাখ ১০হেজাৰ) প্ৰদান কৰে। পৰৱৰ্তী ২০১৮ত এক লাখ ৪০ হেজাৰ আৰু পাছৰ বছৰ বাজেট কম বুলি পুনৰ পাঁচ হেজাৰ কমাই দিয়ে।

আনহাতে, এই বছৰ পুনৰ ৩০ হেজাৰ কমাই এক লাখ পাঁচ হেজাৰকৈ দিয়াৰ সিদ্ধান্ত লোৱাত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল হতবাক হৈ পৰিছে। নিগমৰ মূল লভ্যাংশৰ ১.৫ শতাংশ অবসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক প্ৰদান কৰাৰ নীতি বিসৰ্জন দি বৃদ্ধাৱস্থাত সহবাস কৰা অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক বঞ্চিত কৰিব বিচৰা কাৰ্যই নাজিৰাত বিতৰ্কৰ সৃষ্টি কৰিছে। বৰ্তমানৰ আৰ্থিক সমস্যাৰ সময়ত সমস্যাৰে জৰ্জৰিত সময়তে নিগমে লোৱা এনে হঠকাৰী সিদ্ধান্তত অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকল চলিবলৈ যথেষ্ট সমস্যা হ'ব বুলি বিভিন্নজনে মন্তব্য কৰিছে। এনে সিদ্ধান্তৰ বিৰুদ্ধে অ'এনজিচি অৱসৰপ্ৰাপ্ত কৰ্মচাৰী কল্যাণ সংস্থাই নিগমৰ উৰ্ধ্বতন কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি বিষয়টোৰ সন্দৰ্ভত উচিত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় পেট্ৰ'লিয়াম বিভাগৰ ৰাজ্যিক মন্ত্ৰী তথা অসমৰ মুখ্যমন্ত্ৰীয়ে বিষয়টোৰ সন্দৰ্ভত গুৰুত্ব দিয়াৰ পোষকতা কৰিছে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে। আনহাতে, অ'এনজিচিৰ কৰ্মচাৰীসকলক পূৰ্বতে দৰব যোগান ধৰা পঞ্জীয়নয়নভুক্ত ফাৰ্মাচীসমূহক বাদ দি এককেন্দ্ৰিকভাৱে এপল' কোম্পানীক কৰ্মচাৰীৰ বাবে দৰব যোগানৰ ব্যৱস্থা কৰাত বৰ্তমান অ'এনজিচি চৌহদৰ ভিতৰত স্থাপন কৰা একমাত্ৰ এপল' কোম্পানীৰ ফাৰ্মাচীৰ পৰা সঘনাই গৈ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে দৰব অনাতো বহু অসুবিধাৰ সন্মুখীন হৈছে যদিও এই ক্ষেত্ৰত নৱৰত্ন তৈল প্ৰতিষ্ঠানটো চকুমুদা কুলিৰ ভাৰত অৱতীৰ্ণ হোৱাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত নিগম কৰ্তৃপক্ষই সন্মানীয় অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলৰ সমস্যাসমূহ সমাধান কৰিবলৈ আগবাঢ়ি আহিবনে বুলি শিৱসাগৰ জিলাবাসীয়ে প্ৰশ্ন তুলিছে।

# লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুখপত্ৰ 'নৱযুগ' উন্মোচন



অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ৫ জানুৱাৰী ঃ** বিহপুৰীয়াৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান লোহিত ডিক্ৰুং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুখপত্ৰ 'নৱযুগ' যোৱা চাৰি জানুৱাৰীত উন্মোচন কৰা হয়। বিদ্যালয়খনৰ জন্ম-লগ্নৰে পৰা প্ৰকাশ কৰি অহা মুখপত্ৰখন উন্মোচন উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ অধ্যক্ষ সত্যজিত বৰাই। বিদ্যালয়ৰ শিক্ষক দিগন্ত নেওগে আঁত ধৰা সভাত শিক্ষয়িত্ৰী দুলুমণি বৰাৰ তত্ত্বাৱধানত আৰু ৰুণজুন দাসৰ সম্পাদনাত প্ৰকাশ পোৱা মুখপত্ৰ 'নৱযুগ' উন্মোচন কৰে বিধায়ক ড° অমিয় কুমাৰ ভূঞাই। সভাত স্মৃতি সূৰ্য গোলোক হাজৰিকাই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। সভাত মুখপত্ৰৰ তত্ত্বাৱধায়ক দুলুমণি বৰাই বক্তব্য আগবঢ়ায়। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শোভন শইকীয়া, উপ-সভাপতি ধনঞ্জয় সোণোৱাল আৰু বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুসুম পাটগিৰীৰ লগতে বহুকেইগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। বিদ্যালয়ৰ ছাত্ৰী জিনুমণি বৰুৱাই আধুনিক গীত পৰিৱেশন কৰা সভাখনত বিদ্যালয়ৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত তুলুমণি শইকীয়া, ছায়াস্মিতা শইকীয়া আৰু প্ৰিয়ংকা পেগুক এহেজাৰকৈ টকা প্ৰদান কৰা হয়।

# নৱবৰ্ষত বিদ্যালয়ে বিদ্যালয়ে ১০০ দিনীয়া পঠন অভিযান

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ৫ জানুৱাৰী ঃ** ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা দপ্তৰৰ সৌজন্যত শিশুসকলৰ হকে আনন্দদায়ক পঠন অভিজ্ঞতা সৃষ্টিৰ বাবে প্ৰাক্ প্ৰাথমিকৰ পৰা অষ্টম শ্ৰেণীলৈকে ১০০ দিনীয়া পঠন কাৰ্যসূচী 'পঢ়ে ভাৰত' শীৰ্ষক এক ৰাষ্ট্ৰজোৰা পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশ্য সফল কৰিবলৈ আগবাঢ়ি আহিছে অসম চৰকাৰৰ শিক্ষা বিভাগ। অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা বিভাগে ১০০ দিনীয়া এই পঠন অভিযান পহিলা জানুৱাৰীৰ পৰা বলবৎ হোৱাকৈ অসমৰ প্ৰতিখন প্ৰাক্ প্ৰাথমিকৰ পৰা অষ্টম শ্ৰেণীলৈকে সকলো পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক সামৰি ১০০ দিনীয়া পঠন কাৰ্যসূচী আৰম্ভৰে বিদ্যালয়সমূহত পাঠদান চলি থকা পৰিলক্ষিত হৈছে। শিকনৰ অন্য এক কৌশল হৈছে পঠন। পঠন দক্ষতা বৃদ্ধিকৰণৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে পঠনৰ কৌশল আয়ত্ত কৰা অতিশয় প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। শুদ্ধকৈ পঢ়িলে শুদ্ধকৈ লিখিব পাৰি এই নীতি সাৰোগত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঠন দক্ষতা বৃদ্ধি কৰিবলৈ ১০০ দিনীয়া পঠন কাৰ্যসূচী 'পঢ়ে ভাৰত' শীৰ্ষক অভিযানৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ প্ৰাসংগিকতা অস্বীকাৰ কৰিব নোৱাৰি। যোৱা তিনি জানুৱাৰীত এই শিতানত বিশ্বনাথ শিক্ষা খণ্ডৰ অন্তৰ্গত ধূলি গাঁও পঞ্চায়তৰ মৰাদিৰিং প্ৰাথমিক বিদ্যালয়ত 'পঢ়ে ভাৰত' শীৰ্ষক অভিযানৰ অন্তৰ্গত ১০০ দিনীয়া পঠন কাৰ্যসূচী চলি থকা পৰিলক্ষিত হয়। এই অভিযানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ পঠন সামগ্ৰীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বৃদ্ধি কৰাৰ চেষ্টা কৰা হৈছে। বাতৰি কাকতত প্ৰকাশিত বাতৰি, ছবি পাঠ অথবা বিভিন্ন পুথিভঁৰালৰ পৰা পুথি যোগান ধৰি তেওঁলোকৰ পঠন দক্ষতা বৃদ্ধি কৰাৰ কৌশল খুবেই মনপৰশা আৰু মনস্তাত্ত্বিক। মৰাদিৰিং প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক বীৰেন উৰীয়া, গোলাম ৰছুল আলী জলহাক এই ক্ষেত্ৰত খুবেই ব্যস্ত থকা দেখা যায়। পঠন আচৰণ দৃঢ়িকৰণ কৰিবলৈ লোৱা এনে পদক্ষেপ নিশ্চয় প্ৰশংসনীয়। আনহাতে, খণ্ডটোৰ অন্যান্য বিদ্যালয়সমূহতো পহিলা জানুৱাৰীৰ পৰা 'পঢ়ে ভাৰত' শীৰ্ষক ১০০ দিনীয়া পঠন অভিযান অব্যাহত আছে। নৱবৰ্ষৰ এই শৈক্ষিক আঁচনিয়ে শিক্ষা খণ্ডটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পঠন শিকন দক্ষতা নিশ্চয় আশাতীতভাৱে আগুৱাই লৈ যাব বুলি ভবাৰ থল আছে।

# মুৰফুলনীত হাতীৰ আক্ৰমণত এজন নিহত

**মুৰফুলনী, ৫ জানুৱাৰী ঃ** গোলাঘাট জিলাখনত হাতী আৰু মানুহৰ সংঘাত ৰোধৰ বাবে জিলা বন বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অহাৰ সমান্তৰালকৈ জিলাখনত বিভিন্ন প্ৰান্তত হাতী আৰু মানুহৰ সংঘাত দিনক দিনে বৃদ্ধি পাই আহিছে। নৱবৰ্ষৰ প্ৰথম দিনটোৰ পৰা আজি পৰ্যন্ত জিলাখনত মৰঙী মৌজাৰ বিভিন্ন প্ৰান্তত চাৰিজনকৈ লোক হাতীৰ আক্ৰমণত মৃত্যু হৈছে আৰু তিনিজন লোক আহত হৈ মৃত্যুৰে যুঁজি আছে। কালি জিলাখনৰ মুৰফুলনীত আছুৱা মালপাহাৰীয়া নামৰ এজন লোক হাতীৰ আক্ৰমণত মৃত্যু হয়। জানিব পৰা মতে লোকজনে লগৰীয়াৰ স'তে ওচৰতে থকা বিজুলী বনাঞ্চলত খৰি আনিবলৈ যোৱা অৱস্থাত বনৰীয়া হাতীৰ মুখামুখি হোৱাৰ ফলত এনে ঘটনা সংঘটিত হয়। লগৰ লোকে চিঞৰ-বাখৰ কৰা শুনি দাঁতি-কাষৰীয়া লোকসকলে বিজুলী বনাঞ্চলৰ পৰা লোকজনক উদ্ধাৰ কৰি গোলাঘাট কুশল কোঁৱৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও লোকজনৰ মৃত্যু হয়। আনহাতে, বন বিভাগে মাইকযোগে ৰাইজক হাতীৰ স'তে সংঘাত পৰিহাৰ কৰি নিজকে সজাগ আৰু সচেতন হৈ থাকিবৰ বাবে ৰাইজক সজাগ কৰা পৰিলক্ষিত হয়।

# এতিয়া চৰকাৰৰ টকা নাই

## ■ চামগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ ২৬ সংখ্যক অধিবেশন

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ৫ জানুৱাৰী ঃ** জিলাৰ চামগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ ২৬ সংখ্যাক বাৰ্ষিক অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত তদুপলক্ষে অনুষ্ঠিত অধিবেশনৰ মুকলি সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ৰন্টু শৰ্মাই ৰাজ্যৰ বিজেপি চৰকাৰক সমালোচনা কৰি কয়, 'এতিয়াৰ চৰকাৰৰ টকা নাই। জনসাধাৰণক হাৰাশাস্তি কৰি জধে-মধে টকা তুলি ফুৰিছে। মটৰ চাইকেলৰ পাছফালৰজনেও হেলমেট পৰিধান নকৰাৰ নামতেই জৰিমনা সংগ্ৰহ কৰিছে। ৰাইজে বিচাৰ কৰিব 'চান্দা পাৰ্টি' কোন?' মুকলি সভাত সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক মৃদুল হাজৰিকা, নগাঁও জিলা সমিতিৰ উপ-সভাপতি পংকজ বৰা, ক্ৰীড়া সম্পাদক অপৰূপ শইকীয়া, নগাঁও মহকুমা সমিতিৰ সভাপতি সীমান্ত বৰা, সম্পাদক তুলেন্দ্ৰ পাটৰ, চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দুৰ্লভ কুমাৰ মহন্ত, আটছাৰ নগাঁও জিলা সমিতিৰ সভাপতি মহেন্দ্ৰ নায়ক, চামগুৰি শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য দীগেন বৰা, চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰণৱ কুমাৰ গোস্বামীকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, বিয়লি আৰম্ভ হোৱা বিষয় বাছনি সভাৰ জৰিয়তে চামগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰূপে ৰাজেশ সাহ সোনাৰ, সাধাৰণ সম্পাদক ৰূপে আকাশ বৰকাকতিক নিৰ্বাচিত কৰা হয়।

# শালবাৰীৰ চমুৱাগাতিত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব ব্ৰেইল দিৱস উদ্‌যাপন




অগ্ৰদূত বাৰ্তা
**শালবাৰী, ৫ জানুৱাৰী ঃ** অসম সৰ্বশিক্ষা অভিযান মিছন বাগ্‌সা জিলাৰ জালাহ শিক্ষাখণ্ড মিছনৰ উদ্যোগত কালি দিনজোৰা কাৰ্যসূচীৰে শালবাৰীৰ চমুৱাগাতি নেহৰু হাইস্কুলত বিশ্ব লুই ব্ৰেইল দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে নেহৰু হাইস্কুল চমুৱাগাতিৰ প্ৰধান শিক্ষক অনাদিৰাম দাসে। পাছত বৃক্ষৰোপণ, লুই ব্ৰেইলৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আদি কাৰ্যসূচী অনুষ্ঠিত হয়। তাৰ পাছতে বিভিন্ন অঞ্চলৰ শাৰীৰিকভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ স'তে নেহৰু হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, বিভিন্ন মণ্ডল সমন্বয়কসকল আৰু অভিভাৱক-অভিভাৱিকাসকলে মিলি এক বৰ্ণাঢ্য শোভাযাত্ৰা ৰূপায়ণ কৰে। হাতে হাতে প্লেকাৰ্ড লৈ ছাত্ৰ-ছাত্ৰীসকলে বিশ্ব ব্ৰেইল দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন শ্ল'গান দিয়া পৰিলক্ষিত হয়। শোভাযাত্ৰাৰ পাছতেই শাৰীৰিকভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা, নৃত্যানুষ্ঠান, গীত-মাতৰ অনুষ্ঠান আদি অনুষ্ঠিত হয়। আবেলি মুকলি, বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে কৃতী শিক্ষকৰ বঁটা প্ৰাপক তথা হাটখলাৰ গড় আলি ভোলানাথ এমই স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক জিতেন দাসে। বাগ্‌সাৰ জালাহ প্ৰাথমিক শিক্ষাখণ্ড মিছনৰ আই বিভাগৰ দায়িত্বপ্ৰাপ্ত বিষয়া ভূদেৱ গোস্বামীয়ে আঁতধৰা সভাত বাগ্‌সা জিলা সাহিত্য সভাৰ সদ্য নিৰ্বাচিত সভাপতি তথা গাতি কনকলতা এমই স্কুলৰ প্ৰধান শিক্ষক কামদেৱ দাস, নেহৰু হাইস্কুল চমুৱাগাতিৰ প্ৰধান শিক্ষক অনাদিৰাম দাস, জালাহ প্ৰাথমিক শিক্ষা খণ্ডৰ বিআৰপি উমানন্দ বড়ো, নেহৰু হাইস্কুলৰ শিক্ষক প্ৰবীণ দাস আদিয়ে অংশগ্ৰহণ কৰে। সভাত আনন্দ বজাৰ আৰু পাটলা মণ্ডলৰ সমন্বয়ক টংকেশ্বৰ পাঠকে দুটিকৈ শিশুগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰাৰ লগতে সমগ্ৰ কাৰ্যসূচী পৰিচালনা কৰাত বিশেষভাৱে সহযোগ কৰে মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক প্ৰাণজিৎ কলিতা, হংস দাস, সত্যজিত উজীৰ, সুৰেন্দ্ৰ দাস আৰু নেহৰু হাইস্কুলৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীয়ে। উল্লেখ্য যে বিভিন্ন প্ৰতিযোগিতাত ভুতেপোৱাবড়ী লক্ষ্মীনাথ বেজবৰুৱা হাইস্কুলৰ ছাত্ৰ গুণজিৎ দাস, পনিয়ালগুৰি এলপি স্কুলৰ ৰূপামণি ঘোষ, মৌচম তালুকদাৰ, কৃষ্ণা দাস, মধুস্মিতা কলিতা, নিপুল বড়ো, জিতু কুমাৰ দাস, বন্দনা দাস আদিয়ে বঁটা লাভ কৰে।

# চেনিআমগুৰি মধ্য ইংৰাজী বিদ্যালয়ত লুইচ ব্ৰেইলিৰ জন্মদিন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ৫ জানুৱাৰী ঃ** মধ্য যোৰহাট শিক্ষা খণ্ডৰ সৌজন্যত চেনিআমগুৰি মধ্য ইংৰাজী বিদ্যালয়ত খণ্ড ভিত্তিত লুইচ ব্ৰেইলি দিৱস উদ্‌যাপন কৰা হয়। দিৱস উপলক্ষে পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী স্বপ্না গোস্বামীয়ে। শিক্ষয়িত্ৰী পদ্মা শইকীয়াই স্মৃতি তৰ্পণ কৰাৰ পাছতেই বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। অমৃত শৰ্মা আৰু প্ৰাঞ্জল বৰাৰ পৰিচালনাত খণ্ডটোৰ অন্তৰ্গত প্ৰায় ৬০ জন ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শিক্ষক প্ৰভাত ৰঞ্জন গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত উদ্দেশ্যে ব্যাখ্যা কৰে শিক্ষক দিলীপ বৰাই। বিশিষ্ট অতিথিৰূপে উপস্থিত আছিল মধ্য যোৰহাট খণ্ডৰ শিক্ষা বিষয়া ৰঞ্জন দেউৰী, ঘনকান্ত গগৈ আদি বহুকেইগৰাকী শিক্ষক। মুকলি সভাতেই ছাত্ৰ-ছাত্ৰীৰ ক্ৰীড়া প্ৰতিযোগিতা বঁটা প্ৰদান কৰে।

# গতিশীলতাৰ বাবে জীৱনৰ আন্তঃপ্ৰবাহৰ আবিষ্কাৰ কৰিব লাগিব

## ■ জাঁজী কলেজৰ শংকৰদেৱৰ অধ্যয়ন কেন্দ্ৰৰ বক্তৃতানুষ্ঠানত দিগন্ত বিশ্ব শৰ্মা



অগ্ৰদূত বাৰ্তা
**জাঁজী, ৫ জানুৱাৰী ঃ** 'জীৱন যাত্ৰাত গতি পথৰ নৱ মূল্যায়নৰ বাবে ভাৰতীয় সংস্কৃতিৰ মূলাধাৰাৰ স'তে পৰিচয়ৰ একান্তই প্ৰয়োজন। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মহৰ্ষি শ্ৰীঅৰবিন্দ, স্বামী বিবেকানন্দই জ্ঞান অন্বেষণৰ বাবে সাধনাৰ যি আধ্যাত্মিক মাৰ্গ দেখুৱাইছিল তাৰ স'তে নতুন প্ৰজন্মৰ পৰিচয়েহে প্ৰকৃত জীৱন উপলব্ধি সম্ভৱ কৰি তুলিব। আমি নিজৰ মাজত থকা আত্মাৰ স'তে সংযোগ কৰিবলৈ হ'লে আত্মসন্ধান কৰিব পাৰিব লাগিব। গতিশীলতাৰ বাবে জীৱনৰ আন্তঃপ্ৰৱাহ আবিষ্কাৰ কৰিহে ব্যক্তিত্বৰ পৰিপূৰ্ণতাৰ পথত আগবাঢ়িব পৰা যাব।' জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত আয়োজিত এক বিশেষ বক্তৃতানুষ্ঠানত মূল বক্তাৰূপে 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰি সাহিত্য অকাডেমি বঁটা বিজয়ী বিশিষ্ট অনুবাদক, জনপ্ৰিয় বক্তা দিগন্ত বিশ্ব শৰ্মাই এই মন্তব্য প্ৰদান কৰে। ২০১৩ত মহাবিদ্যালয় অনুদান আয়োগৰ অনুমোদনত প্ৰতিষ্ঠা হোৱা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে অনুষ্ঠিত কৰিবলৈ লোৱা বক্তৃতামালাৰ প্ৰথম বক্তৃতাৰূপে আয়োজিত আজিৰ বক্তৃতানুষ্ঠানত শৰ্মাই জীৱনৰ লক্ষ্য, আধ্যাত্মিক চিন্তন আৰু পৰিপূৰ্ণ জীৱন অন্বেষণৰ বিভিন্ন পথ আৰু গ্ৰহণ কৰিবলগীয়া কৰ্তব্যবোধ সম্পৰ্কে এক মননশীল বক্তৃতা প্ৰদান কৰে। শংকৰদেৱৰ অধ্যয়ন কেন্দ্ৰৰ সঞ্চালক তথা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বৰাই পৰিচালনা কৰা অনুষ্ঠানটি মুকলি কৰে, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল গগৈয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানৰ আৰম্ভণিতে স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী কৃষ্ণা কটকীয়ে মহাপুৰুষ শংকৰদেৱৰ বিৰচিত এটি বৰগীত পৰিৱেশন কৰে। আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক তথা সহযোগী অধ্যাপক বিদ্যাধৰ বৰুৱাই শলাগ জ্ঞাপন কৰা বক্তৃতানুষ্ঠানত উপাধ্যক্ষ কুণ্ডিল কুমাৰ মুদৈ, প্ৰাক্তন অধ্যাপক হৰেন বৰুৱা প্ৰমুখ্যে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

# নাগ্ৰীজুলিত ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক প্ৰদান

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ৫ জানুৱাৰী ঃ** সমগ্ৰ বিশ্বৰ লগতে ক'ভিড-১৯ৰ নতুন ভেৰিয়েণ্ট অ'মিক্ৰনৰ সংক্ৰমণ দেশত বৃদ্ধি পাইছে। ইতিমধ্যে ৰাজ্য চৰকাৰে ক'ভিডৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ১৫ বছৰৰ পৰা ১৮ বছৰ বয়সৰ ভিতৰৰ যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীক প্ৰতিষেধক দিয়া প্ৰক্ৰিয়া আৰম্ভ কৰিছে। কালি বাগ্‌সা জিলাৰ তামুলপুৰ মহকুমাৰ নাগ্ৰীজুলিস্থিত খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ১৫ৰ পৰা ১৮ বছৰৰ ভিতৰৰ ছাত্ৰ-ছাত্ৰীসকলক ক'ভিড-১৯ৰ প্ৰতিষেধক দিয়া কাৰ্য আৰম্ভ কৰা হয়। খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জিতেন বড়োৰ লগতে বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত খাটৰবাৰী ৰাজ্যিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মনোহৰ দাসে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিষেধক দিয়ে। ডাঃ মনোহৰ দাসৰ তত্ত্বাৱধানত কালি প্ৰথম পৰ্যায়ত খাটৰবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ মুঠ ১৮০ গৰাকী ছাত্ৰ-ছাত্ৰীক ক'ভেক্সিন প্ৰদান কৰা হয়। কাৰ্যসূচীত উপস্থিত থাকি ডাঃ মনোহৰ দাসে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰীসকলক মাস্ক পৰিধান কৰা, চাবোনেৰে হাত ধোৱা আদিকে ধৰি চৰকাৰে বান্ধি দিয়া বিভিন্ন নীতি-নিয়ম মানি চলিবলৈ অনুৰোধ জনায়।

# চাপৰত শিক্ষাৰ্থীক ক'ভিড প্ৰতিষেধক প্ৰদান

অগ্ৰদূত বাৰ্তা
**চাপৰ, ৫ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা ঘোষণামৰ্মে দেশৰ ভিন্ন প্ৰান্তৰ লগতে ধুবুৰী জিলাৰ চাপৰতো যোৱা তিনি জানুৱাৰীত ১৫ৰ পৰা ১৮ বছৰ বয়সৰ শিক্ষাৰ্থীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হয়। চাপৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই অভিযান মুকলি কৰে ধুবুৰী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া ৰাতুল কুমাৰ দাসে। অনুষ্ঠানত শিক্ষা বিষয়া দাসৰ লগতে চাপৰ খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া আবুল কালাম আজাদ, বিদ্যালয়খনৰ অধ্যক্ষ হজৰত আলী, ধুবুৰী জিলা সাহিত্য সভাৰ মুখপাত্ৰ তিলক প্ৰসাদ সহিতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। চাপৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হজৰত আলীয়ে জানিবলৈ দিয়া মতে, বিদ্যালয়খনৰ ৩৭০জন ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হয়। ইয়াৰ উপৰি চাপৰৰ বহলপুৰ ছোৱালী হাইস্কুলত ৪০গৰাকী ছাত্ৰী, ৰঙামাটি হাইস্কুলত ২৪৩গৰাকী ছাত্ৰ-ছাত্ৰী আৰু শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এশগৰাকী ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হয়। ধুবুৰী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসে জানিবলৈ দিয়া মতে, জিলাখনত এই ক'ভিড প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ন জানুৱাৰীলৈ চলিব। শিক্ষাৰ্থীসকলে বিদ্যালয়ত প্ৰতিষেধক দিয়া স্থানত বা অনলাইন পঞ্জীয়ন কৰি এই প্ৰতিষেধক ল'ব পাৰিব বুলিও তেওঁ লগতে কয়।

# চিৰাঙৰ দেওশ্ৰীত নেপালী সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস পালন




অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ৫ জানুৱাৰী ঃ** অসম নেপালী সাহিত্য সভাৰ ৪৯ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি চিৰাং জিলাৰ দেওশ্ৰী গোৰ্খা ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। চিৰাং জিলা নেপালী সাহিত্য সভাৰ উদ্যোগত আয়োজিত প্ৰতিষ্ঠা দিৱস কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে জিলা সভাপতি সোমনাথ সুবেদীয়ে। তাৰ পাছত স্মৃতি তৰ্পণ কৰে দেওশ্ৰীৰ হেডমেন টেক বাহাদুৰ সুবেদীয়ে। জিলা সমিতিৰ সভাপতি সোমনাথ সুবেদীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত আয়োজক সমিতিৰ সভানেত্ৰী বীণা ভাৰতীয়ে আদৰণি ভাষণ আগবঢ়ায়। সভাত অসম নেপালী সাহিত্য সভা চিৰাং জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ভীষ্ম প্ৰসাদ শৰ্মাই নেপালী সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি জাতি এটাৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত ভাষা-সাহিত্য সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ছবিলাল নিৰোলাই সাহিত্য সভাৰ লক্ষ্য, উদ্দেশ্য আৰু ভৱিষ্যত ৰণনীতি সম্পৰ্কে বহলাই ব্যাখ্যা কৰি জাতীয় অস্তিত্ব সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে ভাষা-সাহিত্য তথা সংস্কৃতি বচাই ৰখাটো নিতান্তই প্ৰয়োজন বুলি মন্তব্য কৰে। বিটিআৰ ক্ষেত্ৰীয় সমিতি আগছুৰ উপ-সভাপতি ফুৰ্বা লামাই সকলো ভ্ৰাতৃ সংগঠনে একত্ৰিত হৈ জাতীয় উন্নয়নৰ কাম কৰি যোৱাৰ পোষকতা কৰে। ইয়াৰ পূৰ্বে সাংবাদিক ছবিলাল নিৰোলাৰ সঞ্চালনাত অনুষ্ঠিত কবি গোষ্ঠীত ২০ গৰাকীৰো অধিক কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাজেন শাণ্ডিল্যই আঁত ধৰা অনুষ্ঠানত অঞ্চল শতাধিক স্থানীয় সাহিত্যানুৰাগীয়ে অংশগ্ৰহণ কৰে। উক্ত সভাতে ৰোহিত ভূজেলক সভাপতি, দিলমণ ভট্টৰাইক কাৰ্যকৰী সভাপতি আৰু হৰিলাল উপাধ্যায়ক সাধাৰণ সম্পাদক হিচাপে লৈ দেওশ্ৰী শাখা সমিতিৰ ২১ জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

# পশ্চিম কামৰূপত গঢ়ি উঠিছে অবৈধ ইটাভাটা

## ■ জনস্বাস্থ্যৰ প্ৰতি কঢ়িয়াই আনিছে ভাবুকি

**আলোপতি, ৫ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ পাছতে কামৰূপ জিলাৰ বকো সমষ্টিৰ বিভিন্ন প্ৰান্তত গঢ়ি উঠিছে অবৈধ ইটাভাটা। সমষ্টিটোৰ ছমৰীয়া, ছমৰীয়া সত্ৰ, মালিবাৰী, হেকৰা, জামলাই, যোগীপাৰা, বিদ্যানগৰ, চেনীমৰা, হাবিলা পথাৰ, নিছলামাৰী, মন্দিৰা এন চি, মন্দিৰা, বামুণবড়ী, বালিঝাৰ, বৰুৱা পথাৰ, হাতীচৰা, নাটাপাৰা, চাকলা, মালঞ্চাকে ধৰি নগৰবেৰা আৰু ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত গঢ়ি উঠিছে অবৈধ ইটাভাটা। উক্ত অঞ্চলসমূহত দিনে-নিশাই শ শ শ্ৰমিকে ইটা প্ৰস্তুত কৰি থকা হৈছে। নগৰবেৰা আৰু ছমৰীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত গঢ়ি উঠা এনে অবৈধ ইটাভাটাৰ বিৰুদ্ধে স্থানীয় প্ৰশাসনে কোনো কাৰ্য ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। অবৈধ ইটাভাটাৰ বিৰুদ্ধে বন বিভাগো নীৰৱ ভূমিকা গ্ৰহণ কৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে। খাল, বিল, পথাৰত বনোৱা ইটাসমূহ ট্ৰেক্টৰ, ট্ৰাকেৰে আনি জনবসতিপূৰ্ণ গাঁৱৰ মাজত কয়লা আৰু খৰিৰে জ্বলাই জনস্বাস্থ্যৰ প্ৰতি আন এক ভাবুকিৰ সৃষ্টি কৰাৰো অভিযোগ উত্থাপিত হৈছে। পশ্চিম কামৰূপৰ চুকে-কোণে গঢ়ি উঠা এনে অবৈধ ইটাভাটাৰ কলা ধোঁৱা আৰু দুৰ্গন্ধত গ্ৰামাঞ্চলৰ লোকসকলে অস্বস্তি অনুভৱ কৰিলেও এনে ইটাভাটাৰ গৰাকী যথেষ্ট প্ৰভাৱশালী হোৱাৰ বাবেই সৰৱ ল'ব পৰা নাই। এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।



■ নীৰৰ ডিমৌৰ প্ৰশাসন ■ খেতিপথাৰত অবৈধ খনন ■ ধূলিময় হৈছে বৃহত্তৰ অঞ্চ ল

# বাগিচাত অবৈধ খননে শংকা কঢ়িয়াইছে শ্ৰমিকলৈ



**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ৫ জানুৱাৰী ঃ** ডিমৌ ৰাজহ চক্ৰৰ অন্তৰ্গত ৰাজমাই, আঠাবাৰী, কলিয়াপানী, বকতা, পালেঙী আদি অঞ্চলত দৰিদ্ৰ কৃষকৰ খেতিপথাৰত এতিয়া অবৈধভাৱে চলিছে ডাম্পাৰ, এক্সাভেটৰৰ হাতোৰা। আনকি ৰাজমাই চাহ বাগিচাৰ মাজতো আৰম্ভ হৈছে ভূ-মাফিয়াৰ দপ্‌দপ্‌নি। বাগিচাত কাম কৰা শ্ৰমিকসকল ধূলিৰ মাজতে খাদ্য গ্ৰহণ কৰি ছিঙিবলগীয়া হৈছে বাগিছাৰ পাত। ভূ-মাফিয়াই চাহ বাগিচাৰ মাটি খনন কাৰ্য চলাই কাষৰে ইটা ভাটাত বিক্ৰী কৰাৰ অভিযোগ উত্থাপন কৰিছে শ্ৰমিকসকলে। দৈনিক শ শ ডাম্পাৰে বাগিচাৰ মাটি বিক্ৰী কৰি বাগিচাখন ধ্বংসৰ দিশে ঠেলি দিয়াৰ অভিযোগ কৰিছে একাংশ শ্ৰমিকে। ৰাজমাই চাহ বাগিচাৰ পৰিচালকৰ ছত্ৰছায়াত ভূ-মাফিয়াৰ এই খনন কাৰ্যৰ ফলত শ্ৰমিকসকল বাগিচাত বহু সমস্যাৰ সন্মুখীন হৈছে বুলি অভিযোগ উত্থাপন কৰিছে।

ইফালে, ডিমৌৰ বিভিন্ন অঞ্চলত ৰাজহ ফাঁকি দি ডিমৌ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় অন্তৰ্গত ৰাইছাই, কেন্দুগুৰি, দিহিঙ্গীয়া গাঁও, দিহাজান, দিখাৰী, কলিয়াপানী, আঠাবাৰী আদি অঞ্চলত দৈনিক অবৈধ খনন কাৰ্য চলাই অহাৰ পিছতো ঘোৰ নিদ্ৰাত আছে ডিমৌৰ স্থানীয় প্ৰশাসন তথা ডিমৌৰ বন বিভাগ। বন বিভাগৰ দুৰৰা উপাধিৰ বিষয়াজনে মাহেকীয়া লৈ মাটিৰ অবৈধ খনন কৰিবলৈ মৌখিক অনুমতি দিয়াৰো অভিযোগ উত্থাপিত হৈছে । ডিমৌ আৰক্ষী থানাৰ সন্মুখেদি নিতৌ অবৈধ মাটি কঢ়িওৱা গাড়ী চলাচল হৈ আছে যদিও আৰক্ষী নিমাত হৈ থকাৰ ৰহস্য বুজা নাযায়। অবৈধ মাটিৰ গাড়ীসমূহৰ সঘনাই চলাচলৰ ফলত ডিমৌ পৌৰসভাৰ অঞ্চলৰ পথসমূহ ধূলিময় হৈ পৰিছে। যাৰ ফলত ৰাইজ ভীষণ হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে।

## জলসিঞ্চন বিভাগ টংলা সংগুমলৰ দুৰ্নীতি

■ মুখ্যমন্ত্ৰী তদাৰকী আৰু দুৰ্নীতি প্ৰতিৰোধ কোষলৈ স্মাৰকপত্ৰ আক্ৰাছুৰ

**অগ্ৰদূত বাৰ্তা**
**কলাইগাঁও, ৫ জানুৱাৰী ঃ** জলসিঞ্চন বিভাগৰ টংলা সংমণ্ডলত হোৱা দুৰ্নীতি আৰু কেলেংকাৰি সন্দৰ্ভত কেন্দ্ৰীয় আক্ৰাছুৱে মুখ্যমন্ত্ৰী তদাৰকী আৰু দুৰ্নীতি প্ৰতিৰোধ কোষলৈ কালি এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। বিভাগটোৰ টংলা সংমণ্ডলৰ ঠিকাদাৰসকলৰ কামৰ বিপৰীতে ন ন চালানযোগে জমা কৰা আঠ শতাংশলৈ এছডি মানি ৪.১৮ কোটি টকাৰ কেলেংকাৰি আৰু দুৰ্নীতি হোৱাৰ সন্দৰ্ভত ধাৰাবাহিকভাৱে বাতৰি প্ৰচাৰ হৈ আছে। বিভাগটোৰ কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতাই একাংশ ঠিকাদাৰৰ একাউণ্টৰ সহায় লৈ ২০১৭ৰ পৰা ২০২১ৰ মাৰ্চলৈ জমা হোৱা ৪.১৮ কোটি টকা কোষাগাৰ সঞ্চালকৰ পৰা বিভাগটোৰ অধ্যক্ষ তথা চিএইছডি মৃগেন বড়ো আৰু গাণনিক প্ৰভাত কলিতাৰ সহযোগত আত্মসাৎ কৰাৰ অভিযোগ বাতৰিত ফাদিল হৈছে। এই ক্ষেত্ৰত বৰ্তমানলৈ বিভাগটোৱে বা কাৰ্যবাহী অভিযন্তাজনে কোনো ধৰণৰ স্পষ্টীকৰণ প্ৰকাশ নকৰাত বিষয়টোত ৰাইজৰ মাজত প্ৰশ্নৰ উদ্ৰেক হৈছে। এই দুৰ্নীতি-কেলেংকাৰি অভিযোগৰ সন্দৰ্ভত এক নিৰপেক্ষ আৰু উচ্চস্তৰীয় তদন্ত কৰি বিষয়টো পোহৰলৈ অনাৰ বাবে আক্ৰাছুৰ কেন্দ্ৰীয় মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচ আৰু সহকাৰী সম্পাদক হেমন্ত ডেকাই আৰক্ষী মহাপৰিদৰ্শক মুখ্যমন্ত্ৰী তদাৰকী আৰু দুৰ্নীতি প্ৰতিৰোধ কোষলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## আমৰাংগা বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিদ্যালয় সপ্তাহ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ৫ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ আমৰাংগা বৰিহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্কুল সপ্তাহ কালিৰে পৰা আৰম্ভ হৈছে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ক্ষীৰোদ বৰুৱাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ মুকলি কৰে। সপ্তাহজোৰা কাৰ্যসূচীৰে উদ্‌যাপিত বিদ্যালয় সপ্তাহৰ এই কাৰ্যসূচীৰ পতাকা উত্তোলন কৰি উন্নয়ন আৰু পৰিচালনা সমিতিৰ সভাপতি বৰুৱাই বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ছাত্ৰ-ছাত্ৰীসকলক তেওঁ খেল-ধেমালি, সাহিত্য-সংগীত আদি সকলো দিশতে পাৰদৰ্শী হ'বলৈ আহ্বান জনায়। বিদ্যালয়খন ভাৰপ্ৰাপ্ত শৈক্ষিক অধ্যক্ষ ডঃ হাফিজ আহমেদে ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি কয় যে ব্যক্তিৰ সৰ্বাংগীণ বিকাশেই হ'ল শিক্ষাৰ মূল লক্ষ্য। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে চেষ্টা কৰা উচিত। তেওঁ শিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰিবলৈ প্ৰাক্তন কৃতী ছাত্ৰ-ছাত্ৰীৰ উদাহৰণ দিয় কয় যে বিদ্যালয়খনে অজন্তা গোস্বামীৰ দৰে অভিযন্তা, হিমাংশু দাসৰ দৰে কবি, নাট্যকাৰ, বোলছবি নিৰ্মাতা, ডালিম দাসৰ দৰে গল্পকাৰ আৰু বিজু দাসৰ দৰে ৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰা ভাস্কৰ্য শিল্পীৰ সৃষ্টি কৰাত অৰিহণা যোগাইছে। আজিৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকক অনুসৰণ কৰি নিজৰ প্ৰতিভা বিকাশৰ বাবে আত্মনিয়োগ কৰা উচিত। পতাকা উত্তোলনৰ পাছত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী পৰিৱেশ সন্দৰ্ভত ৰাইজক সচেতন কৰিবলৈ বৰিহাট বজাৰৰ মাজেৰে এক দীঘলীয়া শোভাযাত্ৰা উলিয়ায়। বিদ্যালয়খনৰ ইকো আৰু ইউথ ক্লাবৰ সৌজন্যত উলিওৱা শোভাযাত্ৰাই অঞ্চলবাসী ৰাইজৰ পৰা ব্যাপক সঁহাৰি লাভ কৰে।

## দেউদুৱাৰত সাহিত্য-সাংস্কৃতিক বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ৫ জানুৱাৰী ঃ** কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত সদৌ দেউদুৱাৰ সামাজিক সংঘৰ উদ্যোগত দেউদুৱাৰ বিদ্যামন্দিৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত যোৱা ৩১ ডিচেম্বৰত, বৃক্ষৰোপণ, সাহিত্য-সাংস্কৃতিক বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সংঘৰ প্ৰতিষ্ঠাপক তথা সভাপতি গগন কলিতাৰ সভাপতিত্বত এই সভা অনুষ্ঠিত হয়। বৃক্ষৰোপণ কৰে সমাজসেৱিকা আনোৱাৰা বেগম, বৰ্ণালী বৰুৱা আৰু সংঘৰ প্ৰতিষ্ঠাপক সভাপতি গগন কলিতাই। সাহিত্য-সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে ৰক্তিমা ডেকা বৰুৱাই। নিজ মদাৰতলা গাঁৱৰ শিশুশিল্পী পিকিয়ে দিহানামত পাঠিকাৰ ভূমিকা লয়। আন এগৰাকী শিশুশিল্পী চিম্পিয়েও পাঠিকাৰ দায়িত্ব লয়। গীত পৰিৱেশন কৰে দীপক, শিৰম, টুটুমণি ডেকা আৰু উদেষণা দেৱীয়ে। প্ৰতিমা কলিতাই স্ব-ৰচিত কবিতা আবৃত্তি কৰে। বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰে শ্বেখ আব্দুল ফিৰোজে। অনুষ্ঠানত চাৰিগৰাকী বিশিষ্ট ব্যক্তিক গামোচা, জাপি, শৰাই আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানতে প্ৰদীপ দেৱ দাসক দেউদুৱাৰ শিক্ষক বঁটা, দেৱী কলিতাক দেউদুৱাৰ সংগীত সাংস্কৃতিক বঁটা, গিৰীশ কলিতাক দেউদুৱাৰ নাগাৰা নাম সাংস্কৃতিক বঁটা আৰু চৈয়দ ৰিতুকণ দেৱানক দেউদুৱাৰ শুভাকাংক্ষী বঁটা প্ৰদান কৰা হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ মুঠ ৩৯ গৰাকী শিক্ষাৰ্থীক গামোচা, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## পশ্চিম বড়িগোগ আঞ্চলিক কলেজ ছাত্ৰ সংসদৰ নিৰ্বাচন

■ সভাপতি-সাধাৰণ সম্পাদককে ধৰি ছয়গৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ৫ জানুৱাৰী ঃ** হাজো বিধানসভা সমষ্টিৰ অন্তৰ্গত উচ্চ শিক্ষানুষ্ঠান পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয় ছাত্ৰ সংসদৰ নিৰ্বাচন কালি পুৱাৰে পৰা মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। নিৰ্বাচনত মহাবিদ্যালয়ৰ অধ্যায়নৰত ছাত্ৰ-ছাত্ৰীসকলে স্বতঃস্ফূৰ্তভাৱে সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে মহাবিদ্যালয়খনত পূৰ্বতে ছাত্ৰ সংসদৰ নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল। সেয়ে আজিৰ নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীসকলে আনন্দৰে ভোটদান কৰিছে। ইতিমধ্যে মহাবিদ্যালয়খনৰ ছাত্ৰ সংসদৰ বাবে সভাপতি আৰু সাধাৰণ সম্পাদককে ধৰি মুঠ ছটা পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছে বুলি নিৰ্বাচন নিয়ন্ত্ৰক ডঃ পাচান আলী আহমেদ আৰু তপন কুমাৰ শৰ্মাই জানিবলৈ দিছে। এইসকল হ'ল ক্ৰমে সভাপতি মিনহাজুল আলম, উপ-সভাপতি হৰজ্যোতি ডেকা, সাধাৰণ সম্পাদিকা ৰিজুৱানা চুলতানা, সহ-সাধাৰণ সম্পাদিকা লিম্পি লহকৰ, সাহিত্য আৰু তৰ্ক মনিচা আচমিন আৰু সমাজসেৱাত ভাগ্যশ্ৰী কলিতা। মাত্ৰাখেল বিভাগ আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদ দুটাৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। আবেলি ওলোৱা ফলাফল অনুযায়ী খেল সম্পাদক হিচাপে মোজাফৰ হুছেইন আৰু সাংস্কৃতিক সম্পাদিকা হিচাপে সাধনা হুজুৰী নিৰ্বাচিত হৈছে। মনকৰিবলগীয়া যে কোনো সংগঠন অথবা ৰাজনৈতিক দলৰ প্ৰভাৱ উক্ত নিৰ্বাচনত পৰা নাই।

## দিব্যাংগ ছাত্ৰ-ছাত্ৰী আগুৱাই যোৱাৰ ক্ষেত্ৰত সমাজৰ দায়বদ্ধতা আছে

■ মাজুলীত সমগ্ৰ শিক্ষা সৰ্বাত্মক শিক্ষা কোষৰ উদ্যোগত বিশ্ব ব্ৰেইল দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ৫ জানুৱাৰী ঃ** দৃষ্টিহীনসকলৰ বাবে লিখা-পঢ়া পদ্ধতিৰ উদ্ভাৱন কৰোঁতা লুই ব্ৰেইলৰ জন্মদিন অৰ্থাৎ বিশ্ব ব্ৰেইল দিৱস কালি মাজুলী শিক্ষা খণ্ডৰ উদ্যোগত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি লোৱা কাৰ্যসূচীৰ প্ৰথম কাৰ্যসূচী বৃক্ষৰোপণৰ আৰম্ভ কৰে মাজুলীৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক নৰনাথ গোহাঁয়ে। পতাকা উত্তোলন কৰে মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক অধ্যক্ষ জগত জ্যোতি সাতোলাই। স্মৃতি তৰ্পণৰ শুভাৰম্ভ কৰে শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে। শোভাযাত্ৰাৰ আৰম্ভ কৰে মাজুলীৰ বিদ্যালয়সমূহৰ সহঃ পৰিদৰ্শক কেশৱ দেউৰীয়ে। দৃষ্টিহীনসকলৰ শিক্ষা গ্ৰহণৰ বাবে থকা বিভিন্ন সা-সঁজুলিৰ প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে সমগ্ৰ শিক্ষা জিলা আঁচনি বিষয়া ঋতুৰাজ হাজৰিকাই। এই দিৱস উপলক্ষে কমলাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এটি চিকিৎসকৰ দলৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষা শিবিৰো আয়োজন কৰা হয়। খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আৰু খণ্ড মিছন সমন্বয়ক সৌৰভ বৰফুকনৰ সভাপতিত্বত অনুষ্ঠিত মূল সভা আৰম্ভ কৰা হয় মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা বৰগীতেৰে। উদ্দেশ্য ব্যাখ্যা কৰে কমলাবাৰী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক কেশৱ বৰাই। নিৰ্দিষ্ট বক্তাৰ ভাষণত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কৰুণা বৰাই লুই ব্ৰেইলৰ বিষয়ে বহল বক্তব্য আগবঢ়ায়। মাজুলী আৰক্ষী থানাৰ আৰক্ষী বিষয়া প্ৰীতম গগৈ উপস্থিত থাকি সজাগতামূলক বক্তব্য আগবঢ়ায় । খণ্ড সমল ব্যক্তি অনিল দত্তই ব্ৰেইল দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি বক্তব্য আগবঢ়ায়। সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া পাঞ্জাৱ দলেই দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত আমাৰ সমাজখনৰ দায়বদ্ধতা আৰু কৰণীয় সম্পৰ্কত বক্তব্য আগবঢ়ায়। শিক্ষক ডিম্বেশ্বৰ ভূঞাই দৃষ্টিহীনসকলৰ লিখা-পঢ়াৰ বাবে থকা ব্ৰেইল পদ্ধতিৰ ওপৰত বক্তব্য ৰাখে। উক্ত অনুষ্ঠানত দৃষ্টিহীন ব্যক্তি ৰীপা দোলাকাষৰীয়া, বিশেষ প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰী চুমু কলিতা, মীনাক্ষী নাথ, তৃষ্ণা সাহা আৰু কবিতা হাজৰিকাই গীত পৰিৱেশন কৰি সকলোকে আমোদ দিয়ে। মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু নিকটৱৰ্তী কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকি অনুষ্ঠানত সহযোগিতা আগবঢ়ায়। উক্ত অনুষ্ঠানতে ব্ৰেইল দিৱস উপলক্ষে আয়োজিত প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰ বিতৰণ কৰা হয় । সৰ্বাত্মক শিক্ষাৰ সমল ব্যক্তি ৰমেন বৰুৱা, সুনীল শইকীয়া, অতিৰিক্ত সমল ব্যক্তি বিশ্বজিৎ দত্ত, অতিৰিক্ত সহায়ক সমল ব্যক্তি মহেন্দ্ৰ বৰা, খণ্ড সমল ব্যক্তি অৰিন্দম শইকীয়া আৰু কলীয়া গাঁও মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সমুজ্জ্বল বৰা উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।

## ৩০ জানুৱাৰীত মেৰাপানী মহকুমা সাংবাদিক সংস্থাৰ দৈয়াং উপত্যকা বঁটা প্ৰদান অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ৫ জানুৱাৰী ঃ** অহা ৩০ জানুৱাৰীত মেৰাপানী মহকুমা সাংবাদিক সংস্থাৰ প্ৰেক্ষাগৃহত প্ৰদান কৰা হ'ব 'দৈয়াং উপত্যতা বঁটা ২০২১'। বৃহত্তৰ দৈয়াং অঞ্চলৰ শৈক্ষিত, বৌদ্ধিক, সাংস্কৃতিক, স্বাস্থ্য, আৰ্থ-সামাজিক, ক্ৰীড়া আদিৰ ক্ষেত্ৰত বিশেষভাৱে বৰঙণি আগবঢ়াই দৈয়াঙৰ জনজীৱনক সমৃদ্ধ কৰা ব্যক্তিসকলক সন্মানিত কৰাৰ উদ্দেশ্যে 'দৈয়াং উপত্যকা বঁটা' নামৰ বঁটা পূৰ্বৰ দৰে এই বৰ্ষতো অহা ৩০ জানুৱাৰীত মেৰাপানী মহকুমা সাংবাদিক সংস্থাই প্ৰদান কৰিব। উল্লেখ্য যে মেৰাপানী মহকুমা সাংবাদিক সংস্থাই বিবেচনা সহকাৰে এই বৰ্ষৰ বাবে দৈয়াং অঞ্চলত আৰ্থ-সামাজিক, সাহিত্য আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা দুই নম্বৰ গমাৰিগুৰি গাঁৱৰ বাসিন্দা তথা দৈয়াং শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত মহিম দাসক মৰণোত্তৰভাৱে দৈয়াং উপত্যকা বঁটা ২০২১ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বঁটা প্ৰদান অনুষ্ঠানত দৈয়াঙৰ সকলো ৰাইজৰ উপস্থিতি কামনা কৰি অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ আহ্বান জনাইছে মেৰাপানী মহকুমা সাংবাদিক সংস্থাৰ সভাপতি নগেন বৰা আৰু সম্পাদক বাবুল শইকীয়াই।

## যোৰহাটত গ্ৰন্থ উন্মোচনী সভা

**অগ্ৰদূত বাৰ্তা**
**চিনামৰা, ৫ জানুৱাৰী ঃ** সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান প্ৰজ্ঞা সাৰথি আৰু শব্দ প্ৰকাশৰ তিনিখন গ্ৰন্থ অহা ন জানুৱাৰীত মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰত উন্মোচন কৰা হ'ব। যোৰহাট কবি সন্মিলনৰ সভাপতি অজিত কুমাৰ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত ৰফিক হুছেইনৰ কাব্য গ্ৰন্থ 'জালুকবাৰীৰ বৰ্ষণমুখৰ আবেলি', শেখৰ ৰিজৱান হুছেইনৰ শিশু গ্ৰন্থ 'দ্য এডভেঞ্চাৰ অৱ এ নিনজা' আৰু বিজুলী শৰ্মাৰ কাব্য গ্ৰন্থ 'বেলি ডুবা ঘাটৰ আবেলি' উন্মোচন কৰিব সাহিত্য অকাডেমী শিশু সাহিত্য বঁটা প্ৰাপক, মৌচাকৰ সম্পাদক শান্তনু তামুলী, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ডঃ মাণিক শইকীয়া আৰু বিশিষ্ট প্ৰবন্ধকাৰ ডঃ অনিল কুমাৰ শইকীয়াই। উদ্যোক্তাসকলে শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## চেলেংহাটত শংকৰ-মাধৱ সংগীত বিদ্যালয় উদ্বোধন

**চেলেংহাট, ৫ জানুৱাৰী ঃ** যোৰহাট জিলাৰ চেলেংহাটৰ আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান শংকৰ-মাধৱ সামাজিক-সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত কালি চেলেং কুকুৰাচোৱা গাঁৱৰ নামঘৰৰ প্ৰাংগণত শংকৰ-মাধৱ সংগীত বিদ্যালয় নামেৰে এক সংগীত বিদ্যালয়ৰ উদ্বোধন হয়। শংকৰ-মাধৱ সামাজিক-সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক মদন মোহন পাগবন্ধাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত সভাপতি সুনীল দত্তই বন্তি প্ৰজ্বলন আৰু সংগীত বিশাৰদ কাকজান কমাৰ খাটোৱাল গাঁৱৰ নিবাসী প্ৰশান্ত বৰাই এটি গীতেৰে বিদ্যালয়খনৰ আৰম্ভণি কৰে। অনুষ্ঠানত চেলেংহাট অঞ্চলৰ বহু কেইজন সচেতন ব্যক্তি আৰু কুৰিৰো অধিক শিক্ষাৰ্থী উপস্থিত থাকে।

## কয়াকুছি মহাবিদ্যালয়ত সাধাৰণ সভা ঃ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ৫ জানুৱাৰী ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছি মহাবিদ্যালয়ত কমিটী গঠনৰ বাবে এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ছিকান্দাৰ আলী আহমেদে। সভাত সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক ডঃ আলী হুছেইন, মহাবিদ্যালয়ৰ প্ৰাক্তন সম্পাদক তথা পহুমাৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকসকল আবুল হুছেইন, অৱসৰপ্ৰাপ্ত শিক্ষক পাশান আলী দেৱান, পাকা বেতবাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি আবুল হুছেইন, অৱসৰপ্ৰাপ্ত শিক্ষক জয়নাল আবেদিন, হাছেন আলী আদিয়ে মহাবিদ্যালয়ৰ বিভিন্ন দিশ সন্দৰ্ভত ভাষণ প্ৰদান কৰে। সভাত নতুন কমিটী, হিচাপ-নিকাচ, অভিভাৱক প্ৰতিনিধি তথা সকলোবোৰ দিশ চালি-জাৰি বিভিন্নজনে ভাষণ প্ৰদান কৰে। সভাত সৰ্বসন্মতিক্ৰমে সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক সিকদাৰক নতুন কমিটীৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়।

## কেন্দুকোণাৰ অসম পাব্লিক স্কুলৰ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**অগ্ৰদূত বাৰ্তা**
**কমলপুৰ, ৫ জানুৱাৰী ঃ** কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কেন্দুকোণাৰ চিবিএছচি পাঠ্যক্ৰম অন্তৰ্ভুক্ত অসম পাব্লিক স্কুলৰ প্ৰতিষ্ঠা দিৱস দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুৱা পতাকা উত্তোলন স্কুলখনৰ অধ্যক্ষ চন্দন মহন্তই। বৃক্ষৰোপণ কৰে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক আনোৱাৰ খান, কেন্দুকোণা চ'ক উন্নয়ন সমিতিৰ সভাপতি গিৰিশ কলিতা আৰু বিশিষ্ট সমাজকৰ্মী চাইফুল আলীয়ে। আনহাতে, দিনৰ ১২ বজাত অনুষ্ঠিত কৰা সাংস্কৃতিক স্কুল পৰিচালনা সমিতিৰ সদস্য জয়ন্ত ডেকা, ৰিজু দেৱান, মৃদুল হুছেইন আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ঘগ্ৰাপাৰত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নুৰুল হক আলীক ৰাজহুৱা বিদায় সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৫ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ শিক্ষা খণ্ডৰ অন্তৰ্গত বৰজাৰৰিহাটী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নুৰুল হক আলীক কালি বিদ্যালয় প্ৰাংগণত ৰাজহুৱা বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আলীয়ে বিদ্যালয়খনত বিগত ন বছৰে কাৰ্য সুচাৰুৰূপে পালন কৰাৰ অন্তত চৰকাৰীভাৱে গ্ৰহণ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়খনৰ বৰ্তমানৰ দুই শিক্ষক মুন শইকীয়া আৰু মহাৰ আলীৰ তৎপৰতাত আলীক ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ক'ভিড প্ৰট'কল মানি স্থানীয় লোক উপস্থিত থকা ৰাজহুৱা সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে স্থানীয় নাগৰিক চাইফুদ্দিন আহমেদে। সভাখনত তিনি নম্বৰ ক্লাষ্টাৰৰ চিআৰচিচি কংকন বেজবৰুৱা আৰু সমন্বয় মঞ্চৰ সভাপতি হামিদ আলীয়ে বক্তব্য দাঙি ধৰাৰ উপৰি স্থানীয় কে'বাজনো লোকে বিদায়ী ভাষণ ৰাখে। বিদ্যালয়খনৰ দুই শিক্ষকে নিজৰ বক্তব্য ব্যক্ত কৰাৰ লগতে বিদায়ী সম্বৰ্ধিত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলীয়ে বিদ্যালয়ত কৰ্মৰত সময়ৰ সকলো দিশ আলোকপাত কৰি আবেগিক হৈ পৰে। ফুলাম গামোচা, শৰাই, সম্বৰ্ধনা পত্ৰ, আদিৰে আলীক সম্বৰ্ধনা জনোৱাৰ লগতে বিভিন্নজনে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে সমন্বয় মঞ্চৰ পৰাও সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## টংলা মণ্ডল সমল কেন্দ্ৰৰ প্ৰাক্তন সমন্বয়ক কামেশ্বৰ বড়োৰ বিদায় সভা

**অগ্ৰদূত বাৰ্তা**
**টংলা, ৫ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত টংলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কামেশ্বৰ বড়োক কালি টংলাস্থিত ছাটগাড়ী চৰকাৰী মজলীয়া বিদ্যালয় প্ৰাংগণত টংলা নগৰ মণ্ডলে বিদায় দিয়ে। ছাটগাড়ী চৰকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক নৰ কুমাৰ চহৰীয়াই সভাপতিত্ব কৰা বিদায় সভাতে মণ্ডলৰ তৰফৰ পৰা বড়োক স্মাৰকপত্ৰ, জাপি, গামোচা, চেলেং, ফুলৰ থোপা, শৰাই আদি উপদাৰ প্ৰদান কৰে। উল্লেখ্য যে বড়োই ২০০৮ৰ পৰাই টংলাৰ বৃহত্তৰ শিক্ষাৰ সমাজখনৰ লগত সমল ব্যক্তি আৰু টংলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক আৰু সৰ্বশিক্ষা অভিযান মিছন অসমৰ নিষ্ঠাৱান কৰ্মী হিচাপে দায়িত্ব পালন কৰিছিল। বৰ্তমানৰ মূৰমেলা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বড়োই বিগত সময়ছোৱাত ২০১৪ৰ পৰা চাফ-চিকুণতাৰ ওপৰত স্বচ্ছ বিদ্যালয় অভিযানেৰে বিদ্যালয়সমূহত স্বচ্ছতাৰ এক নতুনত্ব আনিবলৈ সক্ষম হৈছিল। তদুপৰি বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীক বিজ্ঞান মেলাত অংশগ্ৰহণ, অঞ্চলটোৰ ল'ৰা-ছোৱালীক চৰকাৰী বিদ্যালয়ৰ প্ৰতি আকৰ্ষিত, শৈক্ষিত সঁজুলি যোগান ধৰা, প্ৰতিভা বিকাক সমাৰোহ আয়োজন কৰা আদি শৈক্ষিক কৰ্ম এক ধৰণৰ ভূমিকা পালন কৰি আহিছিল।

## সীমান্তৰ গোৰ্খাসকলৰ ওচৰত প্ৰতিগৰাকী অসমীয়াই কৃতজ্ঞ হোৱা উচিত

■ অসম নেপালী সাহিত্য সভাৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত প্ৰতিষ্ঠা দিৱস' পালন



**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ৫ জানুৱাৰী ঃ** অসম নেপালী সাহিত্য সভাৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত তথা চুঙাজানবাসী ৰাইজৰ সহযোগত কালি এদিনীয়া কাৰ্যসূচীৰে অসম নেপালী সাহিত্য সভাৰ 'সংখ্যক প্ৰতিষ্ঠা দিৱস' পালন কৰা হয়। কাৰ্যসূচী মতে, পুৱা পতাকা উত্তোলন কৰে নেপালী সাহিত্য সভাৰ জিলা সভাপতি গোপাল শ্ৰেষ্ঠই। আনহাতে, বৃক্ষৰোপণ কৰে সমাজকৰ্মীসকল ক্ৰমে সন্ত লিম্বু, ভৰত থাপা, লালু সাহী, টেক বাহাদুৰ থাপা আৰু বল বাহাদুৰ লিম্বুৱে। ইয়াৰ পাছতে গোলাঘাট জিলা নেপালী সাহিত্য সভাৰ সাধাৰণ সম্পাদক শোভিতমান বিষ্টই। উক্ত অনুষ্ঠানত 'বহু ভাষিক কবি সন্মিলন'ৰ উদ্বোধন কৰে নাওজান শাখা অসম সাহিত্য সভাৰ সভাপতি গোপাল উপাধ্যায়ে। কবি সন্মিলনত ক্ৰমে পুষ্পৰাজ শ্ৰেষ্ঠ, শোভিতমান বিষ্ট, গোপাল শ্ৰেষ্ঠ, পূৰ্ণ লিম্বু, তাছি লামা, কে লোপচন, মহেশ্বৰ বসুমতাৰী, হোমৰাজ দাহাল, দিল্লীৰাম দিয়ালী, মেঘনাথ শৰ্মা, ডম্বৰু লিম্বু ধনপ্ৰসাদ লিম্বু, ৰিকুতে পুলামী আৰু তিলক শৰ্মাকে আদি কৰি কবিসকলে স্বৰচিত কবিতা পাঠ কৰে। বিশিষ্ট সাহিত্যিক প্ৰহ্লাদ ছেত্ৰীয়ে কবিতাসমূহৰ সমীক্ষা আগবঢ়ায়। আনহাতে, অসম নেপালী সাহিত্য সভাৰ গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক শোভিতমান বিষ্টই আঁতধৰা মুকলি সভাৰ সভাপতিত্বত কৰে জিলা সভাপতি গোপাল শ্ৰেষ্ঠই। উক্ত সভাত বিশিষ্ট সমাজকৰ্মী বিক্ৰম আলীয়ে উদ্বোধনী ভাষণ আগবঢ়ায়। ইয়াৰ পাছতে অসম নেপালী সাহিত্য সভাৰ উপ-সভাপতি তিলক শৰ্মাই নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায়। তেওঁৰ নেপালী ভাষাৰ ইতিহাস, অসম নেপালী সাহিত্য সভাৰ কৃতিত্ব আদিৰ সম্পৰ্কে আলোকপাত কৰে। আনহাতে, বিশিষ্ট সাহিত্যিক শিক্ষাবিদ দিপামনি কোচ ভৰালীক বিশেষ সম্বৰ্ধনা তথা অভিনন্দন জনোৱা হয়। সাহিত্যিকজনে বৃহত্তৰ নাওজান-চুঙাজান অঞ্চলৰ এক, তিনি আৰু পাঁচ নম্বৰ ব্লকত কেনেদৰে প্ৰাক্তন গোৰ্খা সৈনিকসকলক সংস্থাপিত কৰি সন্ত্ৰাস জৰ্জৰ অঞ্চলটোত শান্তি ঘূৰাই অনাৰ চৰকাৰে কৰা প্ৰয়াসৰ ইতিহাসৰ পটভূমিত 'ৰ'ড ডেণ্ড্ৰনৰ তেনে ধুৱা সাধু' শীৰ্ষক উপন্যসখন লিখি উলিয়াইছে। তেওঁ ভাষণ প্ৰসংগত কয় যে চুঙাজান অঞ্চলৰ গোৰ্খাসকলৰ প্ৰতি প্ৰতিজন অসমীয়াই কৃতজ্ঞ হোৱা উচিত। ভাৰতীয় সৈন্য-বাহিনীৰ পৰা অৱসৰ গ্ৰহণ কৰি সন্ত্ৰাস জৰ্জৰ অঞ্চলত অৰণ্য ভাঙি তেওঁলোকে সাহসেৰে বাস নকৰা হ'লে সাম্প্ৰতিক সময়ৰ চুঙাজান হয়তো অসমৰ মানচিত্ৰত নাথাকিলে হয় বুলিও তেওঁ কয়। ইপিনে, উক্ত সভাত গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদিকা বন্তি বৰাই মাতৃভাষাৰ মহত্ত্ব সম্পৰ্কে বক্তব্য দাঙি ধৰে। সভাত সন্মিলিত বড়ো গণ মঞ্চৰ সাহিত্য সম্পাদক মহেশ্বৰ বসুমতাৰী, গোৰ্খা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জীৱ লিম্বু, জিলা সভাপতি সঞ্জীৱ ছেত্ৰী, গোলাঘাট জিলা গোৰ্খা সন্মিলনৰ সভাপতি কাজিৰাম বিষ্টকে আদি কৰি বিশিষ্ট ব্যক্তিসকলে বক্তব্য আগবঢ়ায়।

# ১৫,২২১ নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্তিৰে শীৰ্ষত দলগাঁও

■ মঙলদৈ জিলাত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ ■ ৩৭,৩৪০ গৰাকী নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্ত
■ ১৭ গৰাকী তৃতীয় লিংগৰ ঃ ৩১৭ গৰাকী ভোটাৰ বয়সৰ ফালৰ পৰা শতকৰ ঘৰত


তেজপুৰত ১৫-১৮ বছৰৰ শিক্ষাৰ্থীক ক'ভিড প্ৰতিষেধক প্ৰদান স্বাস্থ্যকৰ্মীৰ, বুধবাৰে।

বিশেষ সংবাদদাতা,
**মঙলদৈ, ৫ জানুৱাৰী ঃ** আজি পুৱা ১১ বজাত দৰং জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া প্ৰণৱ কুমাৰ শৰ্মাই ২০২২ বৰ্ষৰ বাবে মঙলদৈ নিৰ্বাচন জিলাৰ চাৰিটা বিধানসভা সমষ্টিৰ চূড়ান্ত ফটো সংলগ্ন ভোটাৰ তালিকা প্ৰকাশ কৰে। চূড়ান্ত তালিকা অনুসৰি, মঙলদৈ নিৰ্বাচন জিলাৰ চাৰিটা বিধানসভা সমষ্টিত সৰ্বমুঠ ৮,৬৩,৮০৫ গৰাকী ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে। ইয়াৰে ৪,৩৮,৪০৯ জন পুৰুষ হোৱাৰ বিপৰীতে ৪,২৫,৩৭৯ গৰাকী মহিলা ভোটাৰ তথা ১৭ গৰাকী তৃতীয় লিংগৰ। মুঠ ২,৫০,৪৪৬ ভোটাৰেৰে শীৰ্ষত আছে দলগাঁও সমষ্টি। ইয়াৰ বিপৰীতে ১,৮২,২০৫ ভোটাৰেৰে ভোটদাতাৰ সংখ্যাৰ পিনৰ পৰা সবাতোকৈ সৰু সমষ্টিৰূপে বিবেচিত হৈছে ছিপাঝাৰ সমষ্টি। মঙলদৈ বিধানসভা সমষ্টিৰ বাবে ২,৪৪,২৪৩ ভোটাৰৰ নাম অন্তৰ্ভুক্ত হোৱাৰ লগতে কলাইগাঁও সমষ্টিত ১,৮৬,৯১১ ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈছে। উল্লেখ্য যে ২০২১ ফটো সংলগ্ন চূড়ান্ত ভোটাৰ তালিকাত ৮,২৬,৪৬৫ গৰাকী ভোটাৰৰ নাম সন্নিবিষ্ট হৈছিল। ইয়াৰে ৪,২০,৯৮৬ জন পুৰুষ হোৱাৰ বিপৰীতে ৪,০৫,৪৬৫ গৰাকী মহিলা তথা ১৪ গৰাকী তৃতীয় লিংগৰ আছিল। অৰ্থাৎ ২০২১ৰ তুলনাত এই বছৰ সৰ্বমুঠ ৩৭,৩৪০ গৰাকী ভোটাৰৰ নাম নতুনকৈ অন্তৰ্ভুক্ত হৈছে। ইয়াৰে ১৭,৪২৩ জন পুৰুষ ভোটাৰ, ১৯,৯১৪ গৰাকী মহিলা তথা তিনি গৰাকী তৃতীয় লিংগৰ ভোটাৰ। নতুনকৈ অন্তৰ্ভুক্ত হোৱা ভোটাৰ তালিকাত ১৫,২২১ গৰাকী ভোটাৰেৰে শীৰ্ষস্থানত আছে দলগাঁও সমষ্টি। ইয়াৰ বিপৰীতে ১০,৬১৯ নতুন ভোটাৰেৰে দ্বিতীয়ত মঙলদৈ, ৬,০৬১ গৰাকী নতুন ভোটাৰেৰে তৃতীয়ত ছিপাঝাৰ আৰু ৫,৪৩৯ গৰাকী নতুন ভোটাৰেৰে চতুৰ্থ স্থানত আছে কলাইগাঁও সমষ্টি। শতাংশৰূপে বিশ্লেষণ কৰিলে ২০২১ৰ তুলনাত এই বছৰৰ তালিকাত ৪.৫১ ভোটাৰ বৃদ্ধি হৈছে। উল্লেখ্য যে মঙলদৈ নিৰ্বাচন জিলাত ভোটদাতাৰূপে

## নতুন লাইনত বিদ্যুৎ সংযোগ

# বৈদ্যুতিক তাঁৰৰ পৰা আঁতৰি থাকিবলৈ বিদ্যুৎ বিভাগৰ আহ্বান

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ৫ জানুৱাৰী ঃ** মৰিয়নিৰ নাগাজাংকাত অৱস্থিত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ মৰিয়নি বৈদ্যুতিক সংমণ্ডলৰ অন্তৰ্গত নতুনকৈ নিৰ্মাণ কৰা ধপাতবাৰী উপ-ষ্টেছনৰ সকলো কাম সম্পূৰ্ণ হৈ উঠিছে। অসম চৰকাৰৰ আই পি ডি এছ আঁচনিৰ অধীনত নিৰ্মাণ হোৱা এই বৈদ্যুতিক উপ-ষ্টেছনটোৱে বৃহত্তৰ মৰিয়নি অঞ্চলৰ বিদ্যুতৰ সমস্যা বহুখিনি লাঘৱ কৰিব বুলি আশা কৰা হৈছে। এই ধপাতবাৰী উপ-ষ্টেছনটো অহা ছয় জানুৱাৰীত চাৰ্জ কৰা হ'ব। নাগাজাংকাৰ পৰা হোনোৱাল চাহ বাগিচাৰ মাজেৰে মৰিয়নি ডিভিজন, হাতীজুৰি ডিভিজন আৰু নগাধুলি ডিভিজন, শিলিখা চাহ বাগিচাৰ ধপাতবাৰী ডিভিজন, আনন্দপুৰ গাঁও হৈ ধপাতবাৰীৰ উপ-ষ্টেছনলৈ উচ্চ ক্ষমতাসম্পন্ন বৈধ তাঁৰৰ জৰিয়তে বিদ্যুৎ সৰবৰাহ কৰা হ'ব। সেইদিনা দিনৰ প্ৰায় ১১ বজাত উপ-ষ্টেছনটো চাৰ্জ কৰা হ'ব বুলি বিভাগীয় সূত্ৰই জানিবলৈ দিছে। সেই সময়ছোৱাত উপৰোক্ত অঞ্চলসমূহৰ ৰাইজক উক্ত বৈদ্যুতিক তাঁৰৰ কাষলৈ নাহিবলৈ বিদ্যুৎ বিভাগে ৰাইজৰ প্ৰতি আহ্বান জনাইছে। আনকি চাহ বাগিচাত কাম কৰি থকা কোনো লোকক এই বৈদ্যুতিক তাঁৰৰ কাষলৈ নাহিবলৈ আহ্বান জনাইছে। প্ৰথমবাৰ চাৰ্জ দিয়াৰ সময়ত যিকোনো দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা থকা হেতুকে বিদ্যুৎ বিভাগে ৰাইজৰ প্ৰতি এই গুৰুত্বপূৰ্ণ আহ্বান জনাইছে। মৰিয়নিৰ নাগাজাংকাৰ অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ মৰিয়নি উপ-সংমণ্ডলৰ সংমণ্ডলিক অভিযন্তা জ্যোতিপ্ৰসাদ পেগুৱে সকলো ৰাইজৰ প্ৰতি এই আহ্বান জনাই সকলোৰে সহযোগিতা কামনা কৰিছে।

# চৰাইদেউৰ-১০৫ নম্বৰ মাহমৰা-১০৬ নম্বৰ সোণাৰি সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

অগ্ৰদূত বাৰ্তা
**মৰাণ, ৫ জানুৱাৰী ঃ** আজি চৰাইদেউ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা নিৰ্বাচনী বিষয়া পল বৰুৱাৰ পৌৰোহিত্যত ১০৫ নম্বৰ মাহমৰা আৰু ১০৬ নম্বৰ সোণাৰি সমষ্টিৰ ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উক্ত সভাত জিলা নিৰ্বাচনী বিষয়াই উল্লেখ কৰা অনুসৰি, চৰাইদেউ জিলাৰ মুঠ ভোটকেন্দ্ৰ হৈছে ৩৬৩ টা। ইয়াৰে ভিতৰত ১০৬ নম্বৰ সোণাৰি সমষ্টিৰ অন্তৰ্গত মুঠ ভোট কেন্দ্ৰ হৈছে ২০২টা আৰু ১০৫ নম্বৰ মাহমৰা সমষ্টিৰ মুঠ ভোট কেন্দ্ৰ হৈছে ১৬১ টা। উল্লেখ্য যে ১০৬ নম্বৰ সোণাৰি সমষ্টিৰ অন্তৰ্গত মুঠ ১,৭৯,১২১ গৰাকী ভোটাৰৰ ভিতৰত পুৰুষ ভোটাৰ ৮৯,৬৭১ জন আৰু মহিলা ভোটাৰ হৈছে ৮৯,৪৫০ গৰাকী। আনহাতে, ১০৫ নম্বৰ মাহমৰা সমষ্টিৰ অন্তৰ্গত মুঠ ১,৩৮,৫৬০ গৰাকী ভোটাৰৰ ভিতৰত পুৰুষ ভোটাৰ ৬৮,৯৫৬ জন আৰু মহিলা ভোটাৰ হৈছে ৬৯,৬০৪ গৰাকী। উক্ত চূড়ান্ত ভোটাৰ তালিকা চৰাইদেউ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়, নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়, পৌৰসভাৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে জিলাখনৰ সমূহ ভোটকেন্দ্ৰত উপলব্ধ হ'ব বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰী কৰিছে। উক্ত সভাত চৰাইদেউ জিলাৰ অতিৰিক্ত উপায়ুক্ত জিমলী শইকীয়া, নিৰ্বাচনী বিষয়া নিবেদিতা বৰঠাকুৰ, সোণাৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চৈতালী দত্ত, জনসংযোগ বিভাগৰ আয়েজাৰ ৰহমানৰ লগতে ৰাজনৈতিক দলৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

# বন বিভাগৰ ছত্ৰছায়াত নদুৱাৰত চোৰাং কাঠৰ ৰমৰমীয়া বেহা



অগ্ৰদূত বাৰ্তা
**নদুৱাৰ, ৫ জানুৱাৰী ঃ** বৃহত্তৰ নদুৱাৰ অঞ্চলৰ অব্যাহত আছে অবৈধ তথা চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায়। অঞ্চলটোৰ একাংশ ভিতৰুৱা গাঁৱত একাংশ লোকে অবৈধভাৱে কাঠফলা কল বহুৱাই চোৰাং কাঠৰ এক ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ঘৰৰ চোতালতে অবৈধভাৱে কাঠফলা কল বহুৱাই বৃহৎ বৃহৎ চোৰাং কাঠ আনি সেই সমূহ ফালি মুকলিকৈ বিক্ৰী কৰি আহিছে। বিশেষকৈ অৰুণাচলৰ চিজোছাৰ পৰা নিশা চোৰাংকৈ কাঠসমূহ ট্ৰাকত আনি সেইসমূহ ফালি স্থানীয় একাংশ ব্যৱসায়িক কেন্দ্ৰত থকা কাঠৰ দোকানত বিক্ৰী কৰি আহিছে। অসাধু ব্যৱসায়ীসকলে পূব শোণিতপুৰ বন সংমণ্ডলৰ বিষয়া আৰু ডিপলোঙা বনাঞ্চলিক বিষয়াজনে গোপন মিতিৰালি কৰি অবৈধভাৱে এই ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত মতে, অভিযোগ বন বিভাগৰ কৰ্মচাৰীয়ে ব্যৱসায়ীক কেন্দ্ৰসমূহত থকা কাঠাৰ দোকানসমূহৰ পৰাও সপ্তাহে-মাহিলি অবৈধভাৱে ধন সংগ্ৰহ কৰি আহিছে। বৃহত্তৰ অঞ্চলটোত সংঘটিত কৰি অহা এই চোৰাং কাঠ ব্যৱসায়ী চক্ৰটোক উৎখাট কৰাৰ লগতে ব্যৱসায়িক কেন্দ্ৰসমূহত কাঠ ফুলাৰ দৰে গঢ়ি উঠা কাঠৰ দোকান বন্ধ কৰিবলৈ ৰাইজে দাবী জনাইছে।

# আটাছু নেতা হিটলাৰ দিহিঙীয়াৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা
**লালুক, ৫ জানুৱাৰী ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা তাই আহোম যুৱ ছাত্ৰ সন্মিলনৰ উপদেষ্টা হিটলাৰ দিহিঙীয়াই যোৱা তিনি জানুৱাৰীত অকাল মৃত্যুক সাবটি লোৱাত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ লখিমপুৰ জিলা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। তাই আহোম ছাত্ৰ সন্থাৰ নেতাজনৰ মৃত্যুত তাই আহোম জনগোষ্ঠীৰ অপূৰণীয় ক্ষতি হোৱা বুলি মন্তব্য কৰিছে। এই লৈ সদৌ তাই আহোম ছাত্ৰ সন্থাৰ লখিমপুৰ জিলা সমিতিৰ সভাপতি প্ৰদীপ গগৈ আৰু সম্পাদক টংকেশ্বৰ গগৈয়ে এক বিবৃতিযোগে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তাই আহোম ছাত্ৰ সন্থাই শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। বিবৃতিটোত লগতে উল্লেখ কৰিছে যে সদৌ তাই আহোম ছাত্ৰ সন্থাৰ লখিমপুৰ জিলা সমিতিৰ আগন্তুক ন আৰু ১০ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া নৱম দ্বি-বাৰ্ষিক অধিবেশন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

# বৰপেটাৰ চৰাঞ্চলত একাংশ বিদ্যুৎ গ্ৰাহকৰ নামত আহিছে অস্বাভাৱিক বিল

■ বিদ্যুৎ বিভাগৰ বিৰুদ্ধে গ্ৰাহকৰ ক্ষোভ ■ ব্যৱস্থা লোৱাৰ দাবী

**আলোপতি, ৫ জানুৱাৰী ঃ** বিদ্যুৎ বিভাগৰ সংস্কাৰ সাধনৰ বাবে ৰাজ্যজুৰি চলোৱা অভিযানক একাংশ লোকে প্ৰশংসা কৰিলেও শেহতীয়াকৈ বিভাগটোৰ এনে অভিযান ভেঁকোভাওনাত পৰিণত হোৱাৰ অভিযোগ উঠিছে। বিদ্যুৎ অনাদায় গ্ৰাহকৰ বিৰুদ্ধে কঠোৰ হোৱা বিদ্যুৎ বিভাগৰ হঠকাৰী কাৰ্যকলাপত অতিষ্ঠ হৈ পৰিছে একাংশ গ্ৰাহক। শেহতীয়াকৈ বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ আলোপতি মাজৰচৰ আৰু বাঘমাৰাচৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত একাংশ গ্ৰাহকৰ নামত অহা অস্বাভাৱিক বিদ্যুৎ বিলে চকু কপালত তুলিছে গ্ৰাহক সকলৰ। জানিব পৰা মতে অঞ্চলটোৰ একাংশ সাধাৰণ আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ গ্ৰাহকৰ নামত প্ৰায় চাৰিহেজাৰ টকা পৰ্যন্ত বিল অহাত আশ্চৰ্য প্ৰকাশ কৰিছে গ্ৰাহকসকলে। জানিব পৰা মতে ডিচেম্বৰত একাংশ গ্ৰাহকৰ নামত আহিছে এনে অস্বাভাৱিক বিদ্যুৎ বিল। প্ৰাপ্ত তথ্য মতে ধূপধৰা বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ নিচানৰচৰ গাঁওৰ আব্দুল কাদেৰৰ নামত ৩,৫৪৯ টকা, আব্দুল জলিলৰ নামত ২,৪৭১ টকা, আলোপতি গাঁৱৰ তছেৰ আলীৰ নামত ২,৪২৭ টকা আৰু কুব্বাত আলীৰ নামত আহিছে ২,৭৮৪ টকাৰ বিল। এনেদৰে উপ-সংমণ্ডৰ অধীনস্থ আলোপতি মাজৰচৰ আৰু বাঘমাৰাচৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন গাঁৱৰ প্ৰায় অৰ্ধশতাধিক গ্ৰাহকৰ নামত আহিছে এনে অস্বাভাৱিক বিদ্যুৎ বিল। সমস্ত বিষয়টো বিভাগটোৰ একাংশ কৰ্মচাৰীক অৱগত কৰোৱাৰ পিছতো গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী গ্ৰাহকসকলে। কাৰ ভুলৰ বাবে একাংশ সাধাৰণ গ্ৰাহকে এনেদৰে বৃহৎ পৰিমাণৰ অস্বাভাৱিক বিদ্যুৎ বিল আদায় দিব লগীয়াত পৰিছে? সমগ্ৰ বিষয়টোৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিদ্যুৎ বিভাগৰ ধূপধৰা উপ-সংমণ্ডলৰ এছ ডি অ'ক ভুক্তভোগী গ্ৰাহকসকলে দাবী জনাইছে।

# ডিমৌত শিক্ষকৰ মৃত্যু আটছাৰ শোক প্ৰকাশ



অগ্ৰদূত বাৰ্তা
**ডিমৌ, ৫ জানুৱাৰী ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ অঞ্চলৰ প্ৰাক্তন ছাত্ৰ নেতা, সমাজ সংগঠক, কে'বাবাৰো ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰত গীত পৰিৱেশন কৰা শিল্পী তথা বৰদিৰৈ মধ্য ইংৰাজী বিদ্যালয়ৰ অসৰসপ্ৰাপ্ত হিন্দী শিক্ষক অনন্ত কুমাৰ পাণ্ডৰ দীৰ্ঘদিনৰ পৰা শাৰীৰিক অসুস্থতাৰ ফলত কালি নিজা বাসগৃহত মৃত্যু হয়। আঠাবাৰী চাহ বাগিচাৰ অন্তৰ্গত বৰদিৰৈ দৰে ভিতৰুৱা অঞ্চলত ১৯৫০ত জন্মগ্ৰহণ কৰি ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৭২ত মেট্ৰিক পৰীক্ষা উত্তীৰ্ণ হৈ মৰাণ মহাবিদ্যালয়ত ১৯৭৭ত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৯১ৰ পৰা বৰদিৰৈ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক হিন্দী শিক্ষকৰূপে সেৱা আগবঢ়াই ২০১৮ত অৱসৰ গ্ৰহণ কৰে। তেওঁৰ মৃত্যুত অসম চাহ জনজাতি ছাত্ৰ সন্থাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# নুমলীগড়ত ইক'-যুৰ ক্লাবৰ উদ্যোগত সজাগতা সভা




অগ্ৰদূত বাৰ্তা
**নুমলীগড়, ৫ জানুৱাৰী ঃ** নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইক' আৰু যুৱ ক্লাবৰ উদ্যোগত স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সজাগতা সম্পৰ্কত এক কৰ্মশালা অনুষ্ঠিত হয়। অনুষ্ঠানৰ সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী মাইনু বৰুৱা, মেঘালী মিশ্ৰ আৰু শিক্ষক ৰাজীৱ কুমাৰ দাসে। ব্যক্তি স্বাস্থ্যৰ বাবে পুষ্টিকৰ খাদ্যৰ গুৰুত্ব, পৰিষ্কাৰ-পৰিচ্ছন্নতা, সুস্থ পৰিৱেশ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক বিষদভাৱে অৱগত কৰে। আনুষ্ঠান মুকলি কৰে মামণি কটকীয়ে। কৰ্মশালাৰ আঁত ধৰে শিক্ষয়িত্ৰী মৌচুমী গগৈয়ে।

# শিক্ষকে কৰ্মস্থলীত পানচিং মেচিনত উপস্থিতি দিবলগীয়া হোৱাটোৱেই লজ্জাজনক ঃ তাছা

অগ্ৰদূত বাৰ্তা
**পশ্চিম যোৰহাট, ৫ জানুৱাৰী ঃ** 'এখন সৎ-শিক্ষিত সমাজ গঢ়াৰ বাবেই শিক্ষানুষ্ঠানৰ প্ৰতিষ্ঠা আৰু শিক্ষাদান কৰা হয়। ৰাজ্যৰ শিক্ষানুষ্ঠানবোৰ প্ৰতিষ্ঠাৰ সময়ত একাংশ লোকে বিৰোধিতা কৰিছিল। ৰাজ্যৰ প্ৰথমখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান কটন কলেজ প্ৰতিষ্ঠা কৰোতেও ৰাজ্যৰ কেইগৰাকীমান বৌদ্ধিক লোকে বিৰোধিতা কৰিছিল।' যোৰহাট জিলাৰ খওঁয়া মৌজাৰ পকামুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্ষজোৰা সোণালী জয়ন্তী উৎসৱৰ আৰম্ভ অনুষ্ঠানৰ দ্বিতীয় দিনাৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰি এনেদৰে কয়। লেখক ময়ূৰ বৰাই চিণ্ময়ী পূজাৰীয়ে পৰিবেশন কৰা মংগলাচৰণৰে আৰম্ভ হোৱা সভাত আদৰণি ভাষণ আগবঢ়ায় হেমন্ত কলিতাই। শিক্ষক নয়নমণি কলিতাই আঁত ধৰা, অধ্যক্ষ জয়ন্ত হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিদ্যালয়খনৰ মুখপত্ৰ 'প্ৰত্যাশা'ৰ দ্বিতীয় সংখ্যা উন্মোচন কৰি যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে বৰ্তমানৰ শিক্ষা ব্যৱস্থা, শিক্ষাৰ্থী, শিক্ষক, অভিভাৱক, শুভাকাংক্ষীৰ কৰণীয়ৰ সম্পৰ্কত ভাষণত আগবঢ়ায়। উদ্‌যাপন সমিতিৰ সভাপতি হেমন্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই সমাজৰ বাস্তৱ ছবিখনৰ সম্পৰ্কত ভাষণত উল্লেখ কৰে। শিক্ষকে কৰ্মস্থলীত পানচিং মেচিনত উপস্থিতি দিবলগীয়া হোৱাটোৱেই লজ্জাজনক। শিক্ষকসকলে কৰ্মত গাফিলতি ১৩ পৃষ্ঠাত চাওক

# গড়পোট বাপুজী হাইস্কুলৰ পৰিৱেশ সংৰক্ষণ সজাগতা

অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ৫ জানুৱাৰী ঃ** কামৰূপ গ্ৰাম্য জিলাৰ অন্তৰ্গত গড়পোট বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা বিদ্যালয়খনৰ যুৱ আৰু পাৰিপাৰ্শ্বিক সংঘৰ উদ্যোগত পৰিৱেশ সংৰক্ষণ আৰু সজাগতা সম্পৰ্কে এলানি কাৰ্যসূচী আৰম্ভ কৰা হৈছে। উল্লেখ্য যে ১৯৮৬ৰ পৰিৱেশ সুৰক্ষা আইনৰ অধীনত কামৰূপ গ্ৰাম্য জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ নিৰ্দেশ মৰ্মে আজিৰে পৰা আৰম্ভ কৰা উক্ত কাৰ্যসূচী পুৱা গছপুলি ৰোপণ কৰে ক্ৰমে বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক দ্বীজন চন্দ্ৰ লহকৰ, গগন চন্দ্ৰ কলিতা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি গগন চন্দ্ৰ পাটোৱাৰী, প্ৰাক্তন সহকাৰী শিক্ষক পৰেশ ডাউকা আৰু বসন্ত কুমাৰ পাটোৱাৰীয়ে। ইয়াৰ পাছতে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশ সংৰক্ষণ আৰু সজাগতাৰ লক্ষ্যৰে উলিওৱা শোভাযাত্ৰা উদ্বোধন কৰে নৰেন শৰ্মা আৰু প্ৰাঞ্জল কলিতাই। ছাত্ৰ-ছাত্ৰীৰ মাজত পোষ্টাৰ অংকন আৰু শ্ল'গান লিখন প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

# বৰপেটাৰ এম চি কলেজত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ সন্দৰ্ভত আলোচনাচক্ৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ৫ জানুৱাৰী ঃ** মাধৱ চৌধুৰী কলেজ, বৰপেটাৰ প্ৰাণীবিজ্ঞান বিভাগৰ উদ্যোগত অলপতে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ সন্দৰ্ভত 'Cummunity Conservation of Manas National Park ' শীৰ্ষক এক আমন্ত্ৰণমূলক আলোচনা চক্ৰ সম্পন্ন হৈ যায়। আলোচনা চক্ৰত আমন্ত্ৰণমৰ্মে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণৰ লগত দীৰ্ঘবছৰে জড়িত বাগ্‌সাৰ স্বেচ্ছাসেৱী সংগঠন মানাহ মাউজিগেন্দ্ৰি ইক'টুৰিজ্যিম ছ'চাইটিৰ কে'বাগৰাকীও বিষয়ববীয়াই অংশগ্ৰহণ কৰে। কলেজখনৰ অধ্যক্ষ ড° প্ৰকাশ শৰ্মাই মুকলি কৰা উক্ত আলোচনা চক্ৰত অধ্যাপক ড° জয়দেৱ মণ্ডলে আমন্ত্ৰিত ব্যক্তিসকলক চিনাকি কৰাই দিয়ে আৰু অধ্যাপক ড° চিৰঞ্জিত বৰুৱাই প্ৰতিগৰাকীকে সম্ভাষণ জনায়। আলোচনা চক্ৰত স্বেচ্ছাসেৱী সংগঠনটোৰ সভাপতি কালিচৰণ বসুমতাৰীয়ে মুখ্য বক্তাৰূপে অংশগ্ৰহণ কৰি সংগঠনটোৱে ২০০৩ৰে পৰা বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কিদৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষা-সংৰক্ষণৰ কামত জড়িত হৈ মানাহৰ সৰ্বাংগীণ উন্নয়নত অৰিহণা আগবঢ়াইছে, সংগঠনটোৰ অতীত আৰু বৰ্তমানৰ কাৰ্যপন্থা ইত্যাদি বিভিন্ন দিশ সামৰি বক্তব্য প্ৰদান কৰে। একেদৰে সংগঠনটোৰ সম্পাদক ৰমেশ নাৰ্জাৰীয়েও তেওঁৰ বক্তব্যত কলেজখনৰ শিক্ষাৰ্থীসকলক মানাহত বন্যপ্ৰাণীৰ উপৰি উদ্ভিদ আদিৰ বৈচিত্ৰ্যতাৰ ওপৰত গৱেষণাৰ সমল থকাৰ বিষয়ে শিক্ষাৰ্থীসকলক অৱগত কৰে। এই আলোচনা চক্ৰত কলেজখনৰ প্ৰাণীবিজ্ঞান বিভাগৰ উপৰি আন বিভিন্ন বিভাগৰ ১৩ পৃষ্ঠাত চাওক

# ছয়গাঁৱত গোৱৰ্ধনত বিশ্ব ব্ৰেইলী দিৱস উদ্‌যাপন

■ বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ গীত-নৃত্যই আবেগিক কৰি তুলিলে উপস্থিত ৰাইজক



অগ্ৰদূত বাৰ্তা
**ছয়গাঁও, ৫ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত গোৱৰ্ধনত কালি বিশ্ব ব্ৰেইলী দিৱস উদ্‌যাপন কৰা হয়। ব্ৰেইলী লিপিৰ আৱিষ্কাৰক লুই ব্ৰেইলীৰ জন্মদিনটোত কালি সমগ্ৰ বিশ্বতে ব্ৰেইলী দিৱস উদ্‌যাপন কৰা হয়। ছয়গাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত গোৱৰ্ধন প্ৰাথমিক বিদ্যালয়ত সৰ্বশিক্ষা অভিযান মিছনৰ উদ্যোগত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ মাজত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা ব্ৰেইল দিৱসত বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তি, বিভিন্ন পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতাৰ ১৩ পৃষ্ঠাত চাওক

# মহাৰজত জয়ন্তীৰ প্ৰাক্‌ক্ষণত সংবাদমেলত উদ্‌যাপন সমিতিৰ ঘোষণা

■ প্ৰাক্তন শিক্ষাৰ্থী, শুভাকাংক্ষী ৰাইজৰ ১৮ লাখ টকা দান-বৰঙণিৰে টিআৰবি হাইস্কুলৰ আন্তঃগাঁথনি উন্নয়ন

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ৫ জানুৱাৰী ঃ** ১৯৪৫ত বৃহত্তৰ ন-আলি ঢেকিয়াজুলি অঞ্চলৰ ১৪খন গাঁও সামৰি স্থাপিত তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ে জ্ঞান কৰ্ম উত্তৰণৰ জ্যোতি বিলাই গৌৰৱোজ্বল ৭৫ বছৰ অতিক্ৰমৰ পাছত অহা আঠ-ন জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান উদ্‌যাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। জয়ন্তী উদ্‌যাপনৰ প্ৰাকক্ষণত যোৱা তিনি জানুৱাৰীত বিদ্যালয় প্ৰাংগণত উদ্‌যাপন সমিতিৰ এখনি সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেল সম্বোধন কৰি উদ্‌যাপন সমিতিৰ সভাপতি তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অৱসৰী প্ৰধান শিক্ষক অতুল চন্দ্ৰ বৰদলৈয়ে জনায় যে ২০১৮ৰ জানুৱাৰীত শুভাৰম্ভ হোৱা আৰু ২০২০ত সামৰণি হ'বলগা অনুষ্ঠান ভাগিৰ গত দুটা বৰ্ষত কৰ'না মহামাৰীৰ বাবে অনুষ্ঠিত কৰিব নোৱাৰাত ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্মে অহা আঠ-ন জানুৱাৰীত অনুষ্ঠান ভাগীৰ সফল সামৰণিৰ বাবে ব্যাপক প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। লগতে বিগত দুটা বছৰত বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ কল্পে ক্ৰমে প্ৰাক্তন শিক্ষাৰ্থী, শুভাকাংক্ষী ৰাইজ, ব্যক্তি বিশেষে তথা প্ৰাক্তন শিক্ষাৰ্থীবৃন্দই দলীয়ভাৱে আগবঢ়োৱা মুঠ ১৮ লাখ টকাৰে ক্ৰমে বিদ্যালয়ৰ গৃহ নিৰ্মাণ, খোৱাপানী আঁচনি, চৌহদৰ বেৰা, চিলিং নিৰ্মাণ, পকী মজিয়াত টাইলছ নিৰ্মাণ আদিকে ধৰি বহু উন্নয়ন কৰা হ'ল বুলি সংবাদমেলত সদৰী কৰে। তদুপৰি অনুষ্ঠান ভাগি সফল কৰিবৰ বাবে ৰভা-মণ্ডপদাতা ব্যক্তিৰ দ্বাৰা মূল পথত বহু কেইখন তোৰণ নিৰ্মাণ চলি থকাৰ লগতে দুদিনীয়া অনুষ্ঠানত বিভিন্ন কাৰ্যসূচী আয়োজনৰ লগতে দ্বিতীয় দিনা দুপৰীয়া মুকলি অধিৱেশনত অসমৰ শিক্ষা মন্ত্ৰী ৰণোজ পেগু, শান্তি স্বৰূপ ভাটনগৰ বঁটা প্ৰাপ্ত জ্যেষ্ঠ বিজ্ঞানী বিনয় শইকীয়া প্ৰমুখ্যে যোৰহাট-তিতাবৰৰ বিধায়কদ্বয়ৰ উপৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি সদৰী কৰে। অনুষ্ঠানত উদ্‌যাপন সমিতিৰ সম্পাদক তথা অৱসৰী ১৩ পৃষ্ঠাত চাওক

# ৰাভাপাৰা বডোফা হাইস্কুলত সজাগতা সভা

অগ্ৰদূত বাৰ্তা
**ফকিৰাগ্ৰাম, ৫ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম ৰাভাপাৰাত বডোফা হাইস্কুলত আজি ক'ভিড-১৯ টিকাকৰণ আৰু শিক্ষামূলক সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সজাগতা সভাত শিক্ষা বিভাগৰ কোকৰাঝাৰ জিলা আঁচনি বিষয়া জাহাংগীৰ হুছেইন, ডাঃ মাণিক বৰুৱা, ৰাভাপাৰা হাইস্কুলৰ প্ৰধান শিক্ষক কমল বৰ্মন, প্ৰাণেশ্বৰ বসুমতাৰী, কৃষ্ণা ৰাণী বৰ্মন আদি উপস্থিত থাকে। উক্ত সভাত উপস্থিত থাকি শিক্ষা বিষয়া হুছেইনে সকলো শিক্ষাৰ্থীয়ে ক'ভিড-১৯ৰ পৰা ৰক্ষা পাবলৈ সকলোকে প্ৰতিষেধক গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইপিনে, ড° বৰুৱাও দেশক সুৰক্ষিত কৰি ৰাখিবলৈ প্ৰতিষেধক সকলোৱে গ্ৰহণ কৰিব লাগে বুলি কয়।

# জেঙনি প্ৰাথমিক বিদ্যালয়ত সামাজিক সম্প্ৰীতি উৎসৱ সম্পন্ন

■ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাংস্কৃতিক বিনিময়

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ৫ জানুৱাৰী ঃ** সমগ্ৰ শিক্ষা অভিযান মিছনৰ এক উল্লেখযোগ্য কাৰ্যসূচী 'সামাজিক সম্প্ৰীতি উৎসৱ' কালি দিনজোৰা কাৰ্যসূচীৰে মৰিয়নিৰ জেঙনি প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। কাটনি সমল কেন্দ্ৰৰ অন্তৰ্গত মুঠ পাঁচখন প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাই সাংস্কৃতিক বিনিময়ৰ যোগেদি মুখৰ কৰি তোলে বিদ্যালয়ৰ প্ৰাংগণ। এই উপলক্ষে কালি পুৱা এই সামাজিক



সম্প্ৰীতি উৎসৱ কায্যসূচী উদ্বোধন কৰে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক নগেন গগৈয়ে। নিজ ভাষণ প্ৰসংগত কৃতী শিক্ষকজনে কয় যে এটা জাতিয়ে তেতিয়াহে বিশ্বৰ বুকুত নিজৰ পৰিচয় ডাঙি ধৰিব পাৰিব যেতিয়া জাতিটোৰ লোক কৃষ্টি-সংস্কৃতিসমূহ অধ্যয়ন কৰি সেইসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিব। তেওঁ লগতে যি সময়ত চৰকাৰী শিক্ষানুষ্ঠানসমূহ ৰাইজৰ কাষৰ পৰা ক্ৰমান্বয়ে আঁতৰি অহাৰ উপক্ৰম হৈছে অথবা ৰাইজ শিক্ষানুষ্ঠানসমূহৰ পৰা আঁতৰি যাব ধৰিছে সেই সময়ত সাংস্কৃতিক বিনিময়ৰ যোগেদি চৰকাৰী বিদ্যালয়ৰ প্ৰতি ৰাইজৰ আকৰ্ষণ বৃদ্ধি কৰিবলৈ লোৱা কাৰ্যৰ ভুয়সী প্ৰশংসা কৰে। আনহাতে, অনুষ্ঠানটোত অংশগ্ৰহণ কৰি সমগ্ৰ শিক্ষা অভিযান মিছনৰ জিলা আঁচনি বিষয়া জবাৰাণী বৰাই কয় যে আৰম্ভণিতে এনে শিক্ষানুষ্ঠানসমূহে ৰাইজেই পাতে যদিও পাছত আঁতৰি যায়। আৰু এটা সময়ত গৈ এই শিক্ষানুষ্ঠানসমূহ কেৱল শিক্ষকৰ অনুষ্ঠানৰ দৰে হৈ পৰেগৈ । সম্প্ৰতি শিক্ষা বিভাগে বিভিন্ন ১৩ পৃষ্ঠাত চাওক

# ৰূপহীৰ শিঙিমাৰীত গুলীত গুলীবিদ্ধ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী

**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ জানুৱাৰী ঃ** নগাঁৱত পুনৰ আৰক্ষীৰ গুলীত আহত হ'ল কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী। জিলাখনৰ ৰূপহীহাটৰ শিঙিমাৰীত আৰক্ষীৰ গুলীত গুলীবিদ্ধ হ'ল আশ্বাদুল ইছলাম ওৰফে জাহাংগীৰ নামৰ ড্ৰাগছ সৰবৰাহকাৰীজন। আজি নিশা ৮.৩০ বজাত আৰক্ষীয়ে কুখ্যাত ড্ৰাগছ মাফিয়া জাহাংগীৰৰ শিঙিমাৰীৰ বাসগৃহত অভিযান চলাইছিল। অভিযান চলোৱাৰ সময়ত ড্ৰাগছ মাফিয়া জাহাংগীৰ ওৰফে জাহাংগীৰ আলমে আক্ৰমণ কৰে। উপায়ান্তৰ হৈ আৰক্ষীয়ে আশ্বাদুল ইছলাম ওৰফে জাহাংগীৰ আলমক লক্ষ্য কৰি গুলি চলায়। আৰক্ষীৰ গুলীত ড্ৰাগছ মাফিয়াজন গুলীবিদ্ধ হয়। তেওঁৰ ভৰিত গুলী লাগে। আৰক্ষীয়ে তেওঁৰ ঘৰত অভিযান চলাই তিনিটা বাকচ ভৰ্তি হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। তদুপৰি এগৰাকী মহিলাকো আৰক্ষীয়ে আটক কৰিছে। ধৃত মহিলাগৰাকীৰ নাম ৰৌচন বিবি। গুলীবিদ্ধ ড্ৰাগছ মাফিয়াজনক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে বুলি আৰক্ষী সূত্ৰে প্ৰকাশ কৰিছে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে, গুলীবিদ্ধ ড্ৰাগছ মাফিয়াজন বিভিন্ন অপৰাধমূলক কাৰ্যকলাপৰ স'তেও জড়িত আছিল।

# ছয়গাঁৱৰ চেপনশিলাত সেনা বাহিনীৰ গাড়ী, শিল-ভৰ্তি ডাম্পাৰ দুৰ্ঘটনাগ্ৰস্ত



**ছয়গাঁও, ৫ জানুৱাৰী ঃ** ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত চেপনশিলাত আজি দিনৰ ১০ বজাত এক পথ দুৰ্ঘটনা সংঘটিত হয়। ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথত সংঘটিত হয় এই পথ দুৰ্ঘটনা। গোৱালপাৰা জিলাৰ আগিয়াৰ পৰা গুৱাহাটী অভিমুখী ভাৰতীয় সেনা বাহিনীৰ গাড়ীখনে ছয়গাঁৱৰ চেপনশিলা পোৱা মাত্ৰকে এ-এছ ০১, এল চি-৭৩৭২ নম্বৰৰ ৰাণীৰ পৰা অহা শিল ভৰ্তি ডাম্পাৰ এখনে নিয়ন্ত্ৰণ হেৰুৱাই খুন্দা মাৰে। লগে লগে দুয়োখন গাড়ী ৰাষ্ট্ৰীয় পথৰ দাঁতিত বাগৰি পৰে। অৱশ্যে দুৰ্ঘটনাটোত কোনো লোক আঘাতপ্ৰাপ্ত হোৱা নাই। সম্প্ৰতি ছয়গাঁও আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈছে।

## মহাৰজত জয়ন্তীৰ প্ৰাককণত

*১২ পৃষ্ঠাৰ পৰা* প্ৰধান শিক্ষক ললিত শইকীয়া, কাৰ্যকৰী সভাপতি হেমন্ত মংগল বৰদলৈ, প্ৰধান শিক্ষয়িত্ৰী জ্যোতি দত্ত বৰদলৈ, নিৰ্মাণ সমিতিৰ সম্পাদক পৰাগজ্যোতি দত্ত, শিক্ষক, প্ৰচাৰ বিভাগৰ সভাপতি প্ৰবীণ দত্ত, শিক্ষক বিমান শইকীয়াই অংশগ্ৰহণ কৰি দুদিনীয়া অনুষ্ঠানত ৰাইজৰ উপস্থিতি সহায়-সহযোগিতা কামনা কৰে।

## শিক্ষকে কৰ্মস্থলীত পানচিং মেচিনত

*১২ পৃষ্ঠাৰ পৰা* কৰাৰ বাবেই চৰকাৰ তথা শিক্ষা বিভাগে এনে ব্যৱস্থা ল'বলৈ বাধ্য হৈছে বুলি সাংসদজনে ভাষণত উল্লেখ কৰে। প্ৰাক্তন বিধায়িকা সুশীলা হাজৰিকাই বক্তব্য আগবঢ়োৱা সভাত দেৱ বৰাই গীত পৰিৱেশন কৰে। আৰম্ভণিতে বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে যোগেন্দ্ৰ নাথ বৰাই।

## ১৫,২২১ নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্তিৰে

*১২ পৃষ্ঠাৰ পৰা* ২,৫৮,০৫৫ গৰাকী ভোটাৰেৰে সবাতোকৈ গুৰুত্বপূৰ্ণ শ্ৰেণীৰূপে বিবেচিত হৈছে ২০ৰ পৰা ২৯ বছৰৰ ভিতৰৰ ভোটাৰসকল। লগতে এই বছৰৰ তালিকাত নিৰ্বাচন জিলাখনত শতকৰ ঘৰত ৩১৭ গৰাকী ভোটাৰৰ নাম সন্নিবিষ্ট হোৱাতো গুৰুত্বপূৰ্ণ দিশৰূপে বিবেচিত হৈছে। ভোটাৰ তালিকা প্ৰকাশ অনুষ্ঠানত জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ লগতে নিৰ্বাচন বিষয়া প্ৰাঞ্জল প্ৰাণ শইকীয়া, মঙলদৈ ৰাজহ চক্ৰ বিষয়া নয়ন পাঠক, দলগাঁও ৰাজহ চক্ৰ বিষয়া সমীৰ চৌধুৰী, জিলা তথ্য আৰু জনসংযোগ বিষয়া অয়ন হাজৰিকাৰ উপৰিও বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

## বৰপেটাৰ এম চি কলেজত মানাহ ৰাষ্ট্ৰীয়

*১২ পৃষ্ঠাৰ পৰা* ছাত্ৰ-ছাত্ৰী, শিক্ষকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে মূলতঃ স্বেচ্ছাসেৱী সংগঠন মানাহ মাউজিগেন্দ্ৰি ইক'টুৰিজ্যিম ছ'চাইটিয়ে মানাহৰ সংৰক্ষণৰ দিশত দীৰ্ঘবছৰে আগবঢ়োৱা অনবদ্য অৱদানৰ বিষয়ে শিক্ষাৰ্থীসকলক বিশদভাৱে জনোৱাৰ উদ্দেশ্যে আয়োজিত আলোচনা চক্ৰখনত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে সমল ব্যক্তিসকলৰ লগত প্ৰত্যক্ষভাৱে মত-বিনিময় কৰে।

## ছয়গাঁৱৰ গোৱৰ্ধনত বিশ্ব ব্ৰেইলী দিৱস

*১২ পৃষ্ঠাৰ পৰা* লগতে ছাত্ৰ-ছাত্ৰীসকলে গীত, আবৃত্তি, মুকাভিনয়, নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰি তোলে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক জীতেন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমল ব্যক্তি দেৱ কুমাৰ মেধিয়ে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলক প্ৰশংসা কৰে। অনুষ্ঠানত সৰ্বশিক্ষা অভিযানৰ সমল ব্যক্তি মাজনী বৰমুদৈ, সমল ব্যক্তি বৰ্ণালী ঠাকুৰীয়া, বিশেষ শিক্ষক নৱজিৎ বৰা, অমৰ কলিতা, চিআৰচিচি অতুল কলিতা, সাংবাদিক বিশ্বজিৎ দাস, সমাজকৰ্মী বিমল দাসৰ লগতে অভিভাৱক আৰু স্থানীয় ৰাইজ অনুষ্ঠানত উপস্থিত থাকে। বহু অভিভাৱকে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তেওঁলোকৰ অভাৱ-অভিযোগসমূহ পূৰণ কৰিবলৈ অনুৰোধ কৰে। উল্লেখ্য যে লুই ব্ৰেইলে দৃষ্টিহীন সকলক পঢ়া আৰু লিখাৰ বাবে আৱিষ্কাৰ কৰিছিল ব্ৰেইল পদ্ধতি।

## জেঙনি প্ৰাথমিক বিদ্যালয়ত সামাজিক

*১২ পৃষ্ঠাৰ পৰা* বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু ৰাইজৰ মাজত সাংস্কৃতিক বিনিময়ৰ যোগেদি পুনৰ ৰাইজক জড়িত কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে। এনে অনুষ্ঠানৰ ফলত ৰাইজ আৰু শিক্ষানুষ্ঠানৰ মাজত থকা ব্যৱধান হ্ৰাস পাব বুলিও তেওঁ লগতে উল্লেখ কৰে। জেঙনি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকদ্বয় প্ৰদীপ মজুমদাৰ আৰু প্ৰদীপ বৰাই যুটীয়াভাৱে আঁতধৰা মনোগ্ৰাহী অনুষ্ঠানটোত অঞ্চলটোৰ পাঁচখনকৈ বিদ্যালয় ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাই সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। আয়োজক জেঙনি প্ৰাথমিক বিদ্যালয়ৰ উপৰিও ন-মাটি প্ৰাথমিক বিদ্যালয়, আদৰ্শ মিচিং গাঁও প্ৰাথমিক বিদ্যালয়, দানী গাঁও প্ৰাথমিক বিদ্যালয় আৰু মদনলাল চুটুদিয়া প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিহু নাচ, আধুনিক নৃত্য, কবিতা আবৃত্তি, গীত পৰিৱেশন, ঝুমুৰ আদি পৰিৱেশন কৰে। আনহাতে, জেঙনি আৰু মদনলাল চুটুদিয়া প্ৰাথমিক বিদ্যালয়ৰ অভিভাৱক-অভিভাৱিকাই পৰিৱেশন কৰা ঝুমুৰ, ন-মাটি প্ৰাথমিক বিদ্যালয়ৰ অভিভাৱিকাৰ জেং বিহু পৰিৱেশন, আদৰ্শ মিং গাঁও প্ৰাথমিক বিদ্যালয়ৰ অভিভাৱক-অভিভাৱিকাৰ মিচিং বিহু, জেঙনি প্ৰাথমিক বিদ্যালয়ৰ অভিভাৱিকাই পৰিৱেশন কৰা দিহানাম আৰু বিয়ানামৰ অনুষ্ঠানে সকলোকে মোহিত কৰে। জাতীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত চি আৰ চি চি অনুপ ফুকন আৰু দীপ কুমাৰ শৰ্মা, যোৰহাট প্ৰাথমিক শিক্ষা খণ্ডৰ কল্যাণ শেখৰ শইকীয়া, বিনোদ ৰাই, অনামিকা তালুকদাৰ, সংঘমিত্ৰা নেওগ আদি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত অঞ্চলটোৰ কে'বাশতাধিক ৰাইজ উপস্থিত থাকে ।


### জাননী

ৰাজ্যিক নাৰী গৃহৰ অন্তৰ্গত পৰিবহন গৃহত শিশু ভণ্টি ভূমিজ নামৰ ছোৱালীজনী শিশু কল্যাণ সমিতি কামৰূপ মেট্ৰ'ৰ আদেশ মৰ্মে ২১/০৮/২০১৯ত ভৰ্তি কৰোৱা হয়। ছোৱালীজনীয়ে দিয়া জবানবন্দী মৰ্মে, তাই বৰপথাৰ গোলাঘাট, অসম। তাই কোৱা মৰ্মে, শিশু শ্ৰমিক হিচাপে ডিমাপুৰ, নাগা পৰিয়ালত থাকে প্ৰায় ছবছৰ মান, পাছত তাৰ পৰা পলাই অন্য ঘৰত থাকে নাওচালাত প্ৰায় ১ বছৰ। আকৌ তাৰ পৰা পলাই নিজৰ ঠাইত আহে। তাত ভনীয়েকৰ ঘৰত থাকে। তাই কোৱা মৰ্মে, গুৱাহাটীত খুড়াকক লগ কৰিব আহে আৰু তেতিয়া উদ্ধাৰ কৰি শিশু কল্যাণ সমিতি, মেট্ৰ'ৰ আদেশমৰ্মে কল্যাণী নিবাসৰ পৰা পৰিবহণ গৃহ ও শিশু গৃহ জালুকবাৰীত দিয়ে।

যদিহে কোনো সদাশয় ব্যক্তিয়ে উক্ত ছোৱালী সন্দৰ্ভত কিবা অনুসন্ধান পায় তেন্তে নিম্নলিখিত ঠিকনাত যোগাযোগ কৰে যেন।

ছোৱালী সন্দৰ্ভত প্ৰাপ্ত ঠিকনা ঃ

| | |
|---|---|
| ছোৱালীৰ নাম | ঃ ভণ্টি ভূমিজ |
| দেউতাকৰ নাম | ঃ গংগাৰাম ভূমিজ |
| মাকৰ নাম | ঃ ৰাধা গোৱালা |
| ঠিকনা | ঃ বৰপথাৰ, চিমন চাপৰি, লখিমপুৰ, গোলাঘাট, অসম |
| যোগাযোগৰ ঠিকনা | ঃ অধিক্ষয়িত্ৰী ৰাজ্যিক নাৰী গৃহ, জালুকবাৰী, গুৱাহাটী-১৪ |
| ফোন নং | ঃ ৮০১১৫২৪১৫৪ |

Janasanyog/D/12751/21


# শোণিতপুৰৰ পাঁচটা বিধানসভা সমষ্টিত ১৮ হেজাৰ ৮৮৬গৰাকী ভোটাৰ বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ৫ জানুৱাৰী ঃ** তেজপুৰ নিৰ্বাচন জিলাৰ চূড়ান্ত ভোটাৰ তালিকাখন আজি প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে নিৰ্বাচনী জিলাখনৰ পাঁচটা বিধনাসভা সমষ্টিৰ ন লাখ ৫৫ হেজাৰ ১৯২ গৰাকীৰ নাম এই তালিকাত অন্তৰ্ভুক্ত হৈছে। শোণিতপুৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা নিৰ্বাচনী বিষয়া তথা উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত এই বিষয়ে উল্লেখ কৰা হয়। পুৱা ১০-৩০ বজাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত তেজপুৰ নিৰ্বাচন জিলাত ২০২২ৰ পহিলা জানুৱাৰীক ভিত্তিবৰ্ষৰূপে লৈ প্ৰকাশিত চূড়ান্ত ভোটাৰ তালিকাখন প্ৰকাশ কৰা হয়। শোণিতপুৰৰ পাঁচটা বিধানসভা সমষ্টিৰ তালিকাত অন্তৰ্ভুক্ত হোৱা ভোটাৰসকলৰ ভিতৰত চাৰি লাখ ৮০ হেজাৰ ১১৯জন পুৰুষ আৰু চাৰি লাখ ৭৫ হেজাৰ ৫৪ গৰাকী মহিলা। তদুপৰি চূড়ান্ত ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হৈছে ১৯ গৰাকী তৃতীয় লিংগ। উল্লেখ্য যে যোৱা বৰ্ষৰ পহিলা নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ জিলাখনৰ ভোটাৰ ৰাইজে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত, সংশোধনী কৰাৰ লগতে পহিলা ডিচেম্বৰ পৰা ২০ ডিচেম্বৰলৈ পাঁচোটা সমষ্টিতে শুনানি গ্ৰহণ কৰাৰ অন্তত জিলাখনত সাত হেজাৰ ৫০২জন পুৰুষ আৰু ১১ হেজাৰ ৩৮৪ গৰাকী মহিলাকে ধৰি মুঠ ১৮ হেজাৰ ৮৮৬ গৰাকী ভোটাৰ বৃদ্ধিৰে এই চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। আনহাতে, ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ স'তে সংগতি ৰাখি ভোটাৰসকলৰ মাজত সজাগতা সৃষ্টি আৰু একোজন দায়িত্ববান ভোটাৰ গঢ় দিয়াৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ নিৰ্বাচন আয়োগে কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিছে বুলিও আজি সদৰী কৰা হয়। উক্ত কাৰ্যসূচী অনুসৰি, জিলা, মাণ্ডলিক আৰু ৰাজ্যিক পৰ্যায়ত ফুটবল, নৃত্য আৰু সংগীত প্ৰতিযোগিতা যোৱা ২৭ ডিচেম্বৰৰ পৰা অহা ২৩ জানুৱাৰীলৈ আৰম্ভ হৈছে। এই প্ৰতিযোগিতাৰ ফলাফলসমূহৰ বিপৰীতে বঁটাসমূহ অহা ২৫ জানুৱাৰীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱসত বিতৰণ কৰা হ'ব বুলি জিলা নিৰ্বচনী বিষয়া তথা উপায়ুক্ত দাসে সদৰী কৰে। উক্ত সভাত শোণিতপুৰৰ অতিৰিক্ত উপায়ুক্ত ৰমী বৰুৱা, নিৰ্বাচন বিষয়া আশুতোষ ডেকা, চাৰিদুৱাৰৰ চক্ৰ বিষয়া অদিতি গগৈৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

## বামুণীগাঁৱত ২২টাকৈ আত্মসহায়ক গোটৰ ভোগালী মেলা আৰম্ভ

■ তিনিটা আত্মসহায়ক গোটক পেছেঞ্জাৰ অট' প্ৰদান বিধায়কৰ



**ছয়গাঁও, ৫ জানুৱাৰী ঃ** ছয়গাঁও সমষ্টিৰ বামুণীগাঁও ফাৰ্ম হাউছ খেলপথাৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে ভোগালী মেলা। ফাৰ্ম হাউছ খেলপথাৰত পুৱা ১১ বজাত অনুষ্ঠানটোৰ উদ্বোধন কৰে বিধায়ক ৰেকিবুদ্দিন আহমেদে। চন্দ্ৰৰ চানেকি মণ্ডল পৰ্যায়ৰ সংগঠন, পূৰ্ণিমাৰ দাপোণ মণ্ডল পৰ্যায়ৰ সংগঠন আৰু মা বাঘেশ্বৰী মণ্ডল পৰ্যায়ৰ সংগঠনৰ দ্বাৰা আয়োজিত এই ভোগালী মেলাত সহস্ৰাধিক মহিলাই অংশগ্ৰহণ কৰে। ভোগালী মেলাত ছয়গাঁও উন্নয়ন খণ্ডৰ অন্তৰ্গত ২২টাকৈ আত্মসহায়ক গোটৰ মহিলাই অংশগ্ৰহণ কৰি বিভিন্ন ধৰণৰ থলুৱা খাদ্য সম্ভাৰ, বস্ত্ৰ, লাৰু-পিঠা, ঘৰত প্ৰস্তুত কৰা শাক-পাচলিকে ধৰি অন্যান্য সামগ্ৰী বিক্ৰী। উক্ত অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানত তিনিটা আত্মসহায়ক গোটক তিনিখনকৈ অট' প্ৰদান কৰে বিধায়ক আহমেদে। পাছতে বিধায়ক আহমেদে চালক হৈ আত্মসহায়ক গোটৰ মহিলাসকলক যাত্ৰীৰ আসনত বহুৱাই পথাৰখনত অট' চলায়। এই অট'কেইখনৰ জৰিয়তে মহিলাসকল অধিক আগবাঢ়ি যাব বুলিও বিধায়কজনে আশা প্ৰকাশ কৰে। উক্ত সভাত ভাষণ আগবঢ়ায় জিলা প্ৰকল্প বিষয়া লক্ষীনন্দন গোস্বামী, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ সদস্য কমলেশ্বৰ দলে, পঞ্চায়ত প্ৰতিনিধি মীৰা ৰাভা, জিতুমণি বড়ো, গাঁওবুঢ়া নিৰঞ্জন বড়ো, জিলা পৰিষদৰ প্ৰাক্তন সদস্য চবিন বড়ো প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তিয়ে।

## শোণিতপুৰত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি

■২৪ ঘণ্টাত ৪৫ জন নতুনকৈ আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা,**
**তেজপুৰ, ৫ জানুৱাৰী ঃ** যোৱা দুবছৰে সৰ্বসাধাৰণক জুৰুলা কৰা ক'ভিডৰ সংক্ৰমণ শেহতীয়াকৈ পুনৰ দেশ তথা সমগ্ৰ ৰাজ্যত বৃদ্ধি পোৱাৰ সময়ত শোণিতপুৰতো সম্প্ৰতি পুনৰ বৃদ্ধি পাইছে। জিলা স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি, জিলাখনত যোৱা ২৪ ঘণ্টাত বিভিন্ন স্থানত কৰা পৰীক্ষাৰ ফলাফলত ৪৫ জন নতুনকৈ আক্ৰান্ত হৈছে। ইপিনে, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত আজি ১৫ জন নতুনকৈ ক'ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন হোৱাৰ বিপৰীতে এজন ক'ভিডমুক্ত হৈ ঘৰলৈ উভতিছে। একেদৰে, জিলাখনৰ সদৰ তেজপুৰ পৰোৱাৰ মাতৃ শিশু কল্যাণ চিকিৎসালয় ক'ভিড কেয়াৰ চেণ্টাৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। বৰ্তমানেও চেণ্টাৰটোত ৩১ জন ক'ভিডত আক্ৰান্ত চিকিৎসাধীন হৈ আছে। উল্লেখ্য যে ইয়াত থকা ক'ভিড আক্ৰান্তসকলৰ ভিতৰত পাঁচবছৰীয়া শিশু এজন আৰু ইয়াৰ উৰ্ধ্বৰ তথা ১০ বছৰৰ তলৰ ভিতৰত দুটি নাবালকো আছে। উক্ত কেন্দ্ৰটোত আজি ১৫জন ক'ভিড আক্ৰান্ত নতুনকৈ চিকিৎসাধীন হৈছে। জিলা স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, তিনি জানুৱাৰীৰ পৰা জিলাখনত আৰম্ভ হোৱা ১৫-১৮ বছৰৰ ছাত্ৰ-ছাত্ৰীসকলক ক'ভিড প্ৰতিষেধকৰ প্ৰথম পালি প্ৰদানৰ সময়ছোৱাত মুঠ ১৭ হেজাৰ সাতশজনক এই প্ৰতিষেধক প্ৰদান কৰা হৈছে। শোণিতপুৰৰ মুঠ ৩২ টা কেন্দ্ৰত এই প্ৰতিষেধক প্ৰদান কৰা হৈছে। উল্লেখ্য যে যোৱা সময়ছোৱাত ক'ভিডৰ সংক্ৰমণৰ সংখ্যা চৰকাৰী তথ্যত হ্ৰাস পালেও নিৰ্মূল নোহোৱাকৈয়ে ৰাজ্যৰ লগতে তেজপুৰ তথা শোণিতপুৰত ৰাজনৈতিক আৰু অৰাজনৈতিক বহু অনুষ্ঠান, সভা আয়োজন কৰা হৈছিল। এনে অৱস্থাতে অ'মিক্ৰনৰ আৱিৰ্ভাৱক লৈ জুৰুলা সৰ্বসাধাৰণৰ মনত আন এক অনিশ্চয়তাই ঠাই লোৱাৰ সময়তে ক'ভিডৰ দ্বিতীয়টো লহৰত দীঘলীয়া তলাবন্ধৰ কবলত পৰা শোণিতপুৰত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱাত সৰ্বসাধাৰণক শংকিত কৰিছে। পুনৰ পূৰ্বৰ দৰেই বিপৰ্যয় নামি আহিব নেকি বুলি চৰ্চা আৰম্ভ হোৱা ৰাইজে এইবাৰ তেনেহ'লে আৰ্থিকভাৱে শোচনীয় পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ উদ্ভৱ হ'ব বুলি প্ৰকাশ কৰিছে।

## বনভোজ খাবলৈ অহা ছাত্ৰীক অশালীন ব্যৱহাৰ ঃ ধৃত তিনি

■ অসম-অৰুণাচল সীমান্তৱৰ্তী চিজোচাৰ বনভোজস্থলীত অঘটন

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৫ জানুৱাৰী ঃ** সুৰাপান কৰি বনভোজৰ গাড়ী চলোৱা তথা চালকসকলৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সময়তে আজি নদুৱাৰৰ অন্তৰ্গত চিজোচাত সংঘটিত হয় এক অপ্ৰীতিকৰ পৰিৱেশ। গৰৈমাৰী কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠানৰ পৰা বনভোজ খাবলৈ অহা কে'বাগৰাকী ছাত্ৰীক বিশ্বনাথ চাৰিআলিৰ কেইজনমান যুৱকে অশালীন ব্যৱহাৰক কেন্দ্ৰ কৰি প্ৰথমে বাকযুদ্ধ তাৰ পাছত মাৰপিট পৰ্যন্ত সংঘটিত হয়। পাছত ঘটনা সংঘটিত স্থানত চিজোচা বনভোজ উন্নয়ন কমিটীৰ একাংশ সদস্য উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে উদণ্ড যুৱক কেইজনক আৰক্ষীক গতাই দিয়ে। বনভোজ খাবলৈ অহা ছাত্ৰীক অশালীন ব্যৱহাৰ কৰাৰ অপৰাধত ইতিমধ্যে যুৱক নছেদ খান, ফাৰুক শিকদাৰ আৰু ফাৰহাদ শিকদাৰক ইটাখোলা আৰক্ষীয়ে আটক কৰি তদন্ত অব্যাহত ৰাখিছে। আটক কৰা আটাইকেইজন যুৱকৰে ঘৰ বিশ্বনাথ চাৰিআলিত।


অসম চৰকাৰ
সংগ্ৰহালয় সঞ্চালকালয়, অসম

নিমন্ত্ৰণী-পত্ৰ

শ্ৰদ্ধাভাজনেষু,

নমস্কাৰ গ্ৰহণ কৰিব। ইংৰাজী ২০২১ বৰ্ষৰ অক্টোবৰ মাহৰ ২৫ তাৰিখে স্বনামধন্য প্ৰখ্যাত পুৰাতত্ত্ব ও সংগ্ৰহালয়বিদ অৱসৰপ্ৰাপ্ত সঞ্চালক প্ৰধান, ৰাষ্ট্ৰীয় সংগ্ৰহালয়, নতুন দিল্লী তথা প্ৰাক্তন সঞ্চালক, সংগ্ৰহালয় সঞ্চালকালয়, অসমৰ প্ৰয়াত ড° নবীন দেৱ চৌধুৰীৰ মহাপ্ৰয়াণ ঘটে। তেখেতৰ কৰ্মৰাজিক সোঁৱৰি ২০২২ বৰ্ষৰ জানুৱাৰী মাহৰ ১১ তাৰিখে এখন স্মৃতিচাৰণ সভাৰ আয়োজন কৰা হৈছে। উক্ত সভাত এগৰাকী উপস্থিত থাকি তেখেতলৈ সমবেদনা জ্ঞাপন কৰিব বুলি আশা কৰিলোঁ।

সময় ঃ পুৱা ১১ বজাত
তাৰিখ ঃ ১১ জানুৱাৰী, ২০২২
স্থান ঃ কনকলাল বৰুৱা প্ৰেক্ষাগৃহ

সঞ্চালক
সংগ্ৰহালয় সঞ্চালকালয়, অসম

Janasanyog/D/12723/21



**EXPRESSION OF INTEREST**

Sealed quotations are invited from intending registered (CBDT) valuers for valuation of Immovable Assets /Land & Building & other structures of the Assam State Co-operative Agriculture & Rural Development Bank Ltd (ASCARD Bank Ltd.) situated at the following locations at Assam State Co-operative Agriculture & Rural Development Bank Ltd. branches (ASCARD Bank Ltd.) on "As is where is basis" subsequent to the decision of the Board of Directors for re-valuation of the assets.

| Sl. No. | Name of Branches | Land measuring | Address of location | Remarks |
|---|---|---|---|---|
| 1 | Dibrugarh | 2 katha 10 lecha | Dibrugarh Town, Near Zila Parishad, P.O. & Dist. Dibrugarh | Land & Building |
| 2 | Tinsukia | 1 Katha 5 lecha | Makum Road, Near Shadham Mandir, P.O. Lohari, Dist. Tinsukia | Land |
| 3 | Mangaldoi | 1 Bigha | Mangaldoi Town, Behind DC Office, P.O. Mangaldoi, Dist. Darrang | Land & Building |
| 4 | Nalbari | 1 Katha 6 lecha | Near BSNL Tower, Pub Nalbari Town, P.O. & Dist. Nalbari | Land & Building |
| 5 | Guwahati | 2 Katha | Uzanbazar, Jorpukhuripar, Gniy-1, Kamrup (M) | Land & Building |
| 6 | Nagaon | 2 katha 10 lecha | Natun Amolapatty, Dr. B. Barua Road, Nagaon Town, P.O. & Dist. Nagaon | Land & Building |
| 7 | Mukalmua | 2 katha | Mukalmua, P.O. Mukalmua, Dist. Nalbari | Land |
| 8 | North Lakhimpur | 2 katha | Behind Bar Library, P.O. North Lakhimpur, Dist.- Lakhimpur | Land & Building |
| 9 | Goalpara | 1 bigha | Beltola (Near Revenue Circle) Goalpara Town, PO. Baladmari, Dist. Goalpara | Land & Building |
| 10 | Majuli | 1 katha 5 lecha | Kamalabari, P.O. Kamalabari, Dist. Majuli | Land & Building |
| 11 | Morigaon | 2 katha 10 lecha | West side of Tarun Field, Morigaon Town, P.O. Dist. Morigaon | Land & Building |
| 12 | Head Office | 2 katha 5 lecha | Ashram Road, Opp. Ulubari Bazar, Guwahati-7, Dist. Kamrup (M) | Land & 5 storied Building |

The valuers should have experience of doing valuation jobs for land and building under license from Govt. of India and should have experience of doing valuation for not less than 5.00 crores for a single asset.

The valuation reports of the land and building should be prepared item wise as per market value. The valuation of building should include electrical distribution system, fire fighting equipments, over head tank connections, store and spares in present condition.

Interested valuers may submit quotations along with the following:-

1. Copy of License from the Licensing Authority.
2. Details of empanelment, if any with the Central Govt., State Govt., Semi Govt., Other institutions, Bank etc. should be furnished along with copies of empanelment orders / certificates.
3. Past experience in the line of valuation with a list of 3(three) valuation jobs carried out in the past.
4. Rates should be quoted in lump sum amount for land and building. Rates quoted in percentage of asset value will be thoroughly rejected. The time of completion of job will be **20 days from the date of issue of job order.**

No expenses will be paid towards conveyance / travelling etc. except professional fees and service tax, if any.

The sealed quotations should be submitted to the following address:-
The Chief Executive Director
Assam State Cooperative Agriculture &
Rural Development Bank Ltd.,
Ulubari, Guwahati – 7

**The last date of submission of quotation is 21.01.2022 up to 2.00 P.M. and the same will be opened at 3.00 P.M. on the same day** in front of the parties (valuers) present. If it happens to be a holiday or if the office remains closed on the day for some unforeseen reasons, the quotation will be opened on the next working day at the same time and venue.

For any clarifications, the office of the undersigned may be visited on any working day during office hours or contact 94350-85521 & 90859-52176.

Interested valuers may inspect the site if desired with prior permission of the undersigned.

The Chief Executive Director reserves the right to accept or reject any or all the quotations or to cancel the entire process without assigning any reason thereof.

Chief Executive Director
Assam State Coop. Agriculture &
Rural Development Bank Ltd.,
Ashram Road, Ulubari,
Guwahati - 7


**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

# চিদলীত ২৫০৯, বিজনী সমষ্টিত বৃদ্ধি ১৭৯৫ ভোটাৰ

## ■ চিৰাঙত ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ




**অগ্ৰদূত ব্যুৰ'**

**ৰঙাইগাঁও, ৫ জানুৱাৰী ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে সমগ্ৰ অসমৰ লগতে চিৰাং জিলাতো আজি ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। চিৰাং জিলাৰ সদৰ কাজলগাঁৱস্থিত উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত অজিত কুমাৰ শৰ্মাই ৩১ নম্বৰ জনজাতি সংৰক্ষিত চিদলী বিধানসভা সমষ্টিৰ ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। প্ৰকাশিত তালিকা অনুসৰি সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা হ'ল ২০৭৫৪৪ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ১০৩৪৬২ জন আৰু মহিলা ভোটাৰ হ'ল ১০৪০৭৯ গৰাকী। আনহাতে, সমষ্টিটোত ভোটাৰ বৃদ্ধি পালে ২৫০৬ গৰাকী। তৃতীয় লিংগৰ ভোটাৰ হ'ল তিনিগৰাকী। সমষ্টিটোত ২৬৯টা ভোট গ্ৰহণ কেন্দ্ৰ আছে। উক্ত অনুষ্ঠানত জিলা নিৰ্বাচনী বিষয়া পাৰ্থ প্ৰতীম বৰুৱা, সহকাৰী আয়ুক্ত ৰাখীশ্ৰী লেখাৰু, প্ৰতীক্ষা দত্ত উপস্থিত থাকে।

একেদৰে জিলাখনৰ বিজনী মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভা কক্ষত ৩৩ নম্বৰ বিজনী বিধানসভা সমষ্টিৰ ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। বিজনী মহকুমাৰ মহকুমাধিপতি ৰাহুল কুমাৰ গুপ্তাই প্ৰকাশ কৰা অনুসৰি, ৩৩ নম্বৰ সমষ্টিটোৰ চূড়ান্ত ভোটাৰৰ সংখ্যা হ'ল ১৬২২৪৮ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ৮১৮০৯ জন আৰু মহিলা ভোটাৰ হৈছে ৮০৪৩৯ গৰাকী। বিগত বৰ্ষৰ পহিলা নৱেম্বৰত সংক্ষিপ্ত ভোটাৰ তালিকাৰ তুলনাত বিজনী সমষ্টিৰ ভোটাৰৰ সংখ্যা ১৭৯৫ গৰাকী বৃদ্ধি পাইছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা আছিল ১৬৪৫৩ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰৰ সংখ্যা ৮৩৯৬৪ জন আৰু মহিলা ভোটাৰ হৈছে ৭৯৪৮৯ গৰাকী। বিজনী বিধানসভা সমষ্টিত মুঠ ২০২ টা ভোট গ্ৰহণ কেন্দ্ৰ। উক্ত অনুষ্ঠানত বিজনীৰ অনুষ্ঠানত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ৰ উপৰি ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধি উপস্থিত থাকে।

## জাঁজী নদীত নিৰুদ্দিষ্টৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ৫ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ গৌৰীসাগৰ থানাৰ অন্তৰ্গত জাঁজী কঠালগুৰি ঘাটত আজি পুৱা এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। পহিলা জানুৱাৰীত ধেমাজি গাঁৱৰ পৰা কঠালগুৰি ঘাটেদি জাঁজি নদী পাৰ হৈ অহা গোপাল গোৱালা (৪০) নামৰ যুৱকজন সন্ধানহীন হৈ আছিল। আজি যুৱকজনৰ মৃতদেহ পুৱা স্থানীয় ৰাইজে পানীত ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। মৃতদেহটো সন্ধানহীন হৈ থকা কঠালগুৰিৰ প্ৰয়াত বিহুৰা গোৱালাৰ পুত্ৰ গোপাল গোৱালা বুলি চিনাক্ত কৰা হৈছে। ইতিমধ্যে স্থানীয় আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

## নাজিৰা মহকুমাত চূড়ান্ত ফটো সম্বলিত ভোটাৰ তালিকা প্ৰকাশ

### ১০৭১ গৰাকী নতুন ভোটাৰৰ নাম অন্তৰ্ভুক্ত

**অগ্ৰদূত বাৰ্তা**

**নাজিৰাঃ ৫ জানুৱাৰী ঃ** আজি নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত নাজিৰা নিৰ্বাচনী জিলাৰ অন্তৰ্গত ১০৪ নম্বৰ নাজিৰা বিধানসভা সমষ্টিৰ চূড়ান্ত ফটো সম্বলিত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। এই উপলক্ষে আয়োজিত সংবাদমেলত নাজিৰাৰ জিলা নিৰ্বাচনী বিষয়া সব্যসাচী কাশ্যপে চূড়ান্ত তালিকাখন প্ৰকাশ কৰে। নিৰ্বাচনী বিষয়াজনে উল্লেখ কৰা মতে, সমষ্টিটোৰ মুঠ জনসংখ্যা হ'ল ১,৯৫,৫২২ গৰাকী। সমষ্টিটোত ভোটাৰ আৰু জনসংখ্যাৰ হাৰ ৬৯.৭২। আনহাতে, মুঠ ভোটাৰৰ সংখ্যা হৈছে ১,৩৬,৩৩১ গৰাকী। ইয়াৰে ৬৭,৯২৬ জন পুৰুষ হোৱাৰ বিপৰীতে ৬৮,৪০৫ গৰাকী মহিলা ভোটাৰ। খচৰা ভোটাৰ তালিকাত মুঠ ভোটাৰ আছিল ১,৩৫,২৬০ গৰাকী। ফলত সমষ্টিটোত পূৰ্বতকৈ ১,০৭১গৰাকী ভোটাৰ বৃদ্ধি হ'ল (০.৭৯)। তদুপৰি বিশেষভাৱে সক্ষম ভোটাৰৰ সংখ্যা হ'ল ১,১৩৭ গৰাকী। নাজিৰা বিধানসভা সমষ্টিত ভোট কেন্দ্ৰ হ'ল ১৬৪টা। ১৫০০গৰাকী ভোটাৰেৰে বিবেচিত হোৱা ভোট কেন্দ্ৰটো হ'ল ২৪ নম্বৰ (১২৫ নম্বৰ নাজিৰা নগৰ দলৌপুখুৰী এল.পি স্কুল)। পূৰ্বৰ ভোটাৰ তালিকাত ১৮- ১৯ বছৰ ভোটাৰৰ সংখ্যা ১৪৩৫ হোৱাৰ বিপৰীতে চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ১৮-১৯ বছৰৰ ভোটাৰৰ সংখ্যা হ'ল ২,১৭৫ গৰাকী। অৰ্থাত পূৰ্বতকৈ মুঠ ৭৪১ গৰাকী ভোটাৰ বৃদ্ধি হ'ল। উক্ত সভাত নাজিৰাৰ নিৰ্বাচনী বিষয়া, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া আদি উপস্থিত থাকে।

## মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত এবিভিপি সমৰ্থিত প্ৰাৰ্থীৰ জয়যাত্ৰা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৫ জানুৱাৰী ঃ** মঙলদৈ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ বাবে কালি অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নটা পদত নিৰ্বাচন অনুষ্ঠিত হয়। সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে অনুষ্ঠিত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত এবিভিপি সমৰ্থিত প্ৰাৰ্থী জয়ী হয়। দুটা পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰাৰ পাছত নিৰ্বাচন অনুষ্ঠিত এটা পদৰ আটাইকেইটা পদতে এবিভিপি সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰে। নিৰ্বাচনত সভাপতি নিশান্ত কলিতা, সাধাৰণ সম্পাদক শিখৰজিৎ বড়া, সহঃসম্পাদক আৰ্ণিক চাজিদ, সাহিত্য আৰু আলোচনী বিভাগত দেৱাশীষ ৰাজকুমাৰ, তৰ্ক আৰু



বক্তৃতাত আলী শৰ্মা, খেল বিভাগত প্ৰাচুৰ্য প্ৰতীম বৰুৱা, শৰীৰ চৰ্চাত ৰকি চাহা, ছাত্ৰী জিৰণি কোঠাত বনশ্ৰী বড়া আৰু সমাজসেৱা বিভাগত নৱনীতা ডেকাই জয়লাভ কৰে। সাংস্কৃতিক বিভাগত নীলকমল বৰুৱা আৰু ছাত্ৰ জিৰণি কোঠা বিভাগত অবিনাশ বৈশ্যই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

## মৰাণ জনজাতিকৰণৰ দাবীত

## মৰাণ ছাত্ৰ সন্থাৰ অৱস্থান ধৰ্মঘট

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৫ জানুৱাৰী ঃ** মৰাণ জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদানৰ দাবীত আজি মৰাণ নগৰৰ মাজমজিয়াত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু মৰাণ আঞ্চলিক সমিতিৰ সহযোগত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ 'ন' এছ টি, ন' ৰেষ্ট, অসম চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায়' আদি শ্ল'গান দিয়ে। ধৰ্মঘট কাৰ্যসূচীত সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক সুৰজিৎ মৰাণ, মৰাণ আঞ্চলিক সমিতিৰ সভাপতি মৃণ্ময় গগৈ আৰু সম্পাদক মিণ্টু বৰুৱাসহ সংগঠনৰ সদস্য-সদস্যাসকল উপস্থিত থাকে।

## শিৱসাগৰ নিৰ্বাচনী জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ চূড়ান্ত ফটো সম্বলিত ভোটাৰ তালিকা প্ৰকাশ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৫ জানুৱাৰী ঃ** শিৱসাগৰ নিৰ্বাচনী জিলাৰ তিনিখন বিধানসভা সমষ্টি ক্ৰমে ১০৩ নম্বৰ আমগুৰি, ১০৭ নম্বৰ থাওৱা আৰু ১০৮ নম্বৰ শিৱসাগৰৰ চূড়ান্ত ফটো-সম্বলিত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হৈছে। শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত (নিৰ্বাচন) বিতোপন নেওগে তেওঁৰ কাৰ্যালয় কক্ষত এখন সংবাদমেলত এই বিষয়ে সদৰী কৰে। তেওঁ কয় যে চলিত বৰ্ষৰ পহিলা জানুৱাৰীক ভিত্তি বৰ্ষৰূপে লৈ প্ৰকাশিত চূড়ান্ত ফটো-সম্বলিত ভোটাৰ তালিকা মৰ্মে, ছয় নম্বৰ প্ৰপত্ৰযোগে ১০,৮৯৬ গৰাকী ভোটাৰে নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন কৰিছিল। সাত নম্বৰ প্ৰ-পত্ৰযোগে ৬,৩৩৪ গৰাকীয়ে নাম কৰ্তন, আঠ নম্বৰ প্ৰ-পত্ৰযোগে ৩,২৪৩ গৰাকীয়ে শুধৰণি আৰু আঠ(ক) নম্বৰ প্ৰ-পত্ৰযোগে ৪৮৬ গৰাকীয়ে সমষ্টিৰ ভিতৰতে নাম স্থানান্তৰকৰণৰ বাবে আবেদন কৰিছিল। তেওঁ উল্লেখ কৰে যে ১০৩ নম্বৰ আমগুৰি বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাত ১৮৫৫ গৰাকী ভোটাৰ, ১০৭ নম্বৰ থাওৱা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাত ১৭২৪ গৰাকী ভোটাৰ আৰু ১০৮ নম্বৰ শিৱসাগৰ বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাত ৬২৮ গৰাকী ভোটাৰৰ নাম নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। চূড়ান্ত ফটো-সম্বলিত ভোটাৰ তালিকা মৰ্মে ১০৩ নম্বৰ আমগুৰি বিধানসভা সমষ্টিৰ ভোটাৰৰ সংখ্যা ১,২৫,৯৮৯ গৰাকী। ইয়াৰে ৬২,৭৪৬ জন পুৰুষ, ৬৩,২৪২ গৰাকী মহিলা আৰু এগৰাকী তৃতীয় লিংগৰ আছে। ১০৭ নম্বৰ থাওৱা বিধানসভা সমষ্টিৰ ভোটাৰৰ সংখ্যা ১,১৭,৬৯৪ গৰাকী। ইয়াৰে ৫৯,৩০৯জন পুৰুষ আৰু ৫৮,৩৮৫ গৰাকী মহিলা। ইপিনে, ১০৮ নম্বৰ শিৱসাগৰ বিধানসভা সমষ্টিৰ ভোটাৰৰ সংখ্যা ১,৫২,৫৩৪ গৰাকী। ইয়াৰে ৭৫,৭৫৬ জন পুৰুষ আৰু ৭৬,৭৭৮ গৰাকী মহিলা।

## তেজপুৰৰ শংকৰ নগৰত বিধ্বংসী অগ্নিকাণ্ড ঃ দুটা বাসগৃহ ভস্মীভূত

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৫ জানুৱাৰী ঃ** তেজপুৰৰ লালমাটি আৰক্ষী চকীৰ অধীনস্থ শংকৰনগৰত আজি সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত দুটা পৰিয়ালৰ বাসগৃহ ভস্মীভূত হয়। ঘটনাৰ বিৱৰণি অনুসৰি দিনৰ প্ৰায় ১১ বজাত তেজপুৰ পৌৰসভাৰ ১৯ নম্বৰ ৱাৰ্ড নিবাসী গণেশ শৰ্মা নামৰ ব্যক্তিজনৰ পাকঘৰৰ পৰা এই অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে আৰু নিমিষতে পৰিয়ালটোৰ সম্পূৰ্ণ বাসগৃহ অগ্নিয়ে ছানি ধৰে। ইয়াৰ পাছতে বিয়পি পৰা জুয়ে সমীপৰ ছবিলা খাতুনৰ বাসগৃহটোও সম্পূৰ্ণৰূপে ভস্মীভূত কৰে। এই সময়ছোৱাত পৰিয়াল দুটাৰ ঘৰত থকা তিনিটা ৰন্ধন গেছৰ চিলিণ্ডাৰ বিস্ফোৰিত হয়। অগ্নিকাণ্ডৰ ফলত



অঞ্চলটোত হুৱা-দুৱা লাগে আৰু সমীপৱৰ্তী আস্থানৰ পৰা তিনিখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীয়ে আহি অগ্নিনিৰ্বাপন কৰিবলৈ সক্ষম হয় যদিও ইতিমধ্যে বাসগৃহ দুটা ভস্মীভূত হয়। এই অগ্নিকাণ্ডৰ ফলত দুয়োটা পৰিয়ালৰে সকলো সম্পত্তি সম্পূৰ্ণৰূপে জ্বলি ছাৰখাৰ হয়। উল্লেখ্য যে বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই এই ঘটনা সংঘটিত হোৱা বুলি আশংকা কৰা হৈছে।

## হাজোত দুৰ্ঘটনাত থিতাতে নিহত মটৰ চাইকেল আৰোহী

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৫ জানুৱাৰী ঃ** হাজোৰ আধিয়াৰপাৰাত আজি বিয়লি সংঘটিত হয় এক পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ এডাল গছত খুন্দা মাৰি দ' খাৱৈত গৈ পৰে মটৰ চাইকেল আৰোহী। এই ভয়াৱহ দুৰ্ঘটনাত থিতাতে নিহত হয় এজন আৰোহী। লগতে এজন আৰোহীক সংকটজনক অৱস্থত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। দুৰ্ঘটনাত পতিত পালছাৰ বাহনখনৰ নম্বৰ এ-এছ-০১ ই ইউ-১৩৭২। থিতাতে নিহত আৰোহীজনৰ নাম চামছুল আলী (ধন আলী)। আনহাতে, আহতজনৰ নাম নুৰুল ইছলাম। দুয়োজনৰে ঘৰ হাজোৰ বৰ্ণিত। দুই আৰোহীয়ে হাজোৰ বৰ্ণি দিশৰ পৰা কলিতাকুছি অভিমুখে আহি থকা অৱস্থাত সংঘটিত হয় দুৰ্ঘটনাটো। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে হাজো আৰক্ষী। অৱশ্যে এই পৰ্যন্ত দ' খাৱৈটোৰ পৰা উদ্ধাৰ কৰিব পৰা নাই মটৰ চাইকেলখন।

## পৰ্যাপ্ত শিক্ষক নিযুক্তিৰ দাবী

## ভোলানাথ প্ৰাথমিক বিদ্যালয় চৌহদত কণ কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ



**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ৫ জানুৱাৰী ঃ** শ্ৰেণীকোঠা এৰি প্ৰতিবাদত নামিল এজাক কণ কণ ছাত্ৰ-ছাত্ৰী। বিলাসীপাৰা মহকুমাৰ চাপৰ-শালকোচা শিক্ষা খণ্ডৰ অধীনস্থ খামাৰপাৰা গাঁৱত অৱস্থিত এইখন ২২৫৫ নম্বৰ ভোলানাথ প্ৰাথমিক বিদ্যালয় চৌহদত আজি এইদৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকলে সাব্যস্ত কৰে প্ৰতিবাদ। ৮৫গৰাকী ছাত্ৰ-ছাত্ৰী থকা অঞ্চলটোৰ একমাত্ৰ বিদ্যালয়খনত নাই পৰ্যাপ্ত শিক্ষক-শিক্ষয়িত্ৰী। বিগত চাৰি বছৰে এজন শিক্ষকে পাঠদান কৰি আহিছে পাঁচটাকৈ শ্ৰেণীৰ ৮৫গৰাকী ছাত্ৰ-ছাত্ৰীক। ফলত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাগ্ৰহণৰ ক্ষেত্ৰ ভীষণ অসুবিধাৰ সন্মুখীন হৈ আহিবলগীয়া হোৱাৰ অভিযোগ উঠিছে। সেয়ে বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলে বিদ্যালয় চৌহদতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষা বিভাগৰ মন্ত্ৰীক ছাত্ৰ-ছাত্ৰীসকলৰ বিনম্ৰ অনুৰোধ 'আমাক শিক্ষক দিয়ক, আমাক ভৱিষ্যৎ অন্ধকাৰলৈ ঠেলি নিদিব।' চৰকাৰী নিয়ম মতে ৩০ঃ১ অনুসৰি শিক্ষক নিযুক্তি দিবলৈ আহ্বান জনাই কণ কণ শিশুসকলে এই ক্ষেত্ৰত চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰিব সেয়া হ'ব লক্ষ্যণীয় দিশ।

## তিতাবৰ মহকুমাত ভোটাৰ তালিকা প্ৰকাশ

## তিতাবৰত ০.৭-মৰিয়নিত ১.০১ শতাংশ ভোটাৰ বৃদ্ধি

**তিতাবৰ, ৫ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি তিতাবৰ মহকুমাতো ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। তিতাবৰ জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে আজি দিনৰ ১২ বজাত মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত সকলো ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমৰ উপস্থিতিত ভোটাৰ তালিকাৰ বিষয়ে সদৰী কৰে। মহকুমাটোৰ অন্তৰ্গত দুটা বিধান সভা সমষ্টি ১০০ নম্বৰ তিতাবৰ আৰু ১০১ নম্বৰ মৰিয়নি বিধানসভা সমষ্টিৰ বৰ্তমানৰ ভোটাৰৰ পৰিসংখ্যাৰ বিষয়ে অৱগত কৰে মৰিয়নি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অসীম বৰগোঁহাই আৰু দণ্ডাধীশ বেদাংগ কাশ্যপ দাসে। চলিত বৰ্ষৰ পহিলা জানুৱাৰীক ভিত্তিবৰ্ষৰূপে লৈ আজি প্ৰকাশ কৰা ভোটাৰ তালিকা অনুসৰি ১০০ নম্বৰ তিতাবৰ বিধানসভা সমষ্টিত ভোটাৰৰ সংখ্যা ১৫৮৪৪৭ গৰাকী। সমষ্টিটোত পুৰুষ ভোটাৰৰ সংখ্যা ৭৮৭৯১জনৰ বিপৰীতে মহিলা ভোটাৰ ৭৯৬৫৬ গৰাকী। সমষ্টিটোত ৫৭৬ গৰাকী চাকৰিয়াল ভোটাৰ থকাৰ তথ্য সংশোধিত ভোটাৰ তালিকাত প্ৰকাশ কৰাৰ লগতে ১১১৩ গৰাকী অৰ্থাৎ ০.৭ শতাংশ ভোটাৰ বৃদ্ধি পোৱা বুলিও উল্লেখ কৰা হৈছে। ভোটাৰ তালিকাৰ তথ্য অনুসৰি মহকুমাটোৰ ১০১ নম্বৰ মৰিয়নি বিধানসভা সমষ্টিৰ ভোটাৰৰ সংখ্যা ১২৫৫৮০ গৰাকী।



সমষ্টিটোত পুৰুষ ভোটাৰৰ সংখ্যা ৬১৯৯৮ আৰু মহিলা ভোটাৰ ৬৩৫৮২ গৰাকী। নতুন ভোটাৰ তালিকাত ১.০১ শতাংশ ভোটাৰ বৃদ্ধিৰে ১২৭০ গৰাকী নতুন ভোটাৰৰ নাম লিপিবদ্ধ হৈছে। তিতাবৰ সমষ্টিত ১৮১ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বিষয়ে জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে তথ্য উল্লেখ কৰাৰ লগতে মৰিয়নি সমষ্টিত থকা ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ১৪২টা। তিতাবৰ বিধানসভা সমষ্টিত কোনো 'ডি' ভোটাৰ নাই যদিও মৰিয়নিত পাঁচ গৰাকী 'ডি' ভোটাৰ আছেষ। তদুপৰি যিসকল লোক চলিত বৰ্ষৰ পহিলা জানুৱাৰীত ১৮ বছৰত ভৰি দিছে আৰু ভোটাৰ তালিকাৰ পৰা বাদ পৰিছে তেওঁলোকে ধাৰাবাহিক সংশোধনী প্ৰক্ৰিয়াৰ জৰিয়তে ছয় নম্বৰ প্ৰ-পত্ৰ পূৰণ কৰি নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰিব পাৰিব।

## চুৰি বিদ্যুতেৰে চলে এটা চৰকাৰী কাৰ্যালয়

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ৫ জানুৱাৰী ঃ** যি সময়ত বিদ্যুৎ বিল অনাদায়ৰ বাবে গ্ৰাহকৰ বিদ্যুৎ কৰ্তন কৰি দিয়ে তেনে সময়তে হাঁকুটি লগাই বছৰ বছৰ ধৰি চলাই আছে এটা চৰকাৰী কাৰ্যালয়। কলিয়াপানী উন্নয়ন খণ্ডৰ অধীনৰ সাত নম্বৰ পশ্চিম টীয়ক গাঁও পঞ্চায়তৰ কাৰ্যালয়ত কোনো স্থায়ী বিদ্যুৎ সংযোগ নোহোৱাকৈয়ে তাঁৰৰ হাঁকুটি লগাই বিদ্যুৎ মিটাৰ বিহীনভাৱেই চলি আছে কাৰ্যালয়ৰ সকলো কাম-কাজ। উক্ত কাৰ্যালয়ত কম্পিউটাৰ, টেলিভিছন আদি চলি আছে নাই কোনো বৈধ বিদ্যুৎ নাই। উক্ত কৰ্মচাৰীৰ মতে, ২০১২ৰ পৰাই এনেদৰেই চলি আছে কাম-কাজ। শক্তি বিভাগক অন্ধকাৰত ৰাখি কাৰ চত্ৰছায়াত এনেদৰে বছৰ বছৰ ধৰি চলি আছে অবৈধ বিদ্যুতেৰে এটা চৰকাৰী কাৰ্যালয় সেয়ে ৰহস্যৰ বিষয়।

## জুৰীয়াত ১৫টা ব্ৰাউন ছুগাৰভৰ্তি কণ্টেইনাৰসহ দুই সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৫ জানুৱাৰী ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত ছটিয়ান যোৱা নিশা থানাখনৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অদিথ বড়োৰ নেতৃত্বত আৰক্ষীৰ এটা দলে চলোৱা ড্ৰাগছ বিৰোধী অভিযানত দুটা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে দুই সৰবৰাহকাৰীৰ পৰা ১৫ কণ্টেইনাৰ ড্ৰাগছো জব্দ কৰে। গ্ৰেপ্তাৰ হোৱা দুই ড্ৰাগছ সৰবৰাহকাৰী হৈছে পূব ছটিয়ানৰ দিলদাৰ হুছেইন আৰু ইটাপাৰাৰ মনোহৰ আলী। দিলদাৰে দীৰ্ঘদিন ধৰি অঞ্চলটোত নিষিদ্ধ ড্ৰাগছৰ বেহা চলাই আহিছিল। নিশা নগাঁৱৰ নিকটৱৰ্তী ইটাপাৰাৰ মনোহৰ আলীয়ে দিলদাৰৰ ঘৰত ব্ৰাউন ছুগাৰখিনি বিক্ৰীৰ বাবে জমা দিবলৈ অহাৰ তথ্য লাভ কৰিছিল আৰক্ষীয়ে উক্ত তথ্যৰ ভিত্তিত আৰক্ষীয়ে দুয়োকে দিলদাৰৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা দুই অপৰাধীক ইতিমধ্যে আৰক্ষীয়ে জেললৈ প্ৰেৰণ কৰিছে।

## মাকুমত সৰৱ মৰাণ ছাত্ৰ সন্থা

## জনজাতিকৰণৰ দাবীত অৱস্থান ধৰ্মঘট

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ৫ জানুৱাৰী ঃ** মৰাণ জনজাতিৰ জনজাতিকৰণৰ মৰ্যাদা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদানৰ দাবীৰ লগতে শেহতীয়া ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত আজি ৰাজ্য চৰকাৰৰ স্থিতিক লৈ সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত মাকুম, তিনিচুকীয়া আৰু বৰহাপজান আঞ্চলিক সমিতিৰ সহযোগত মাকুমস্থিত তিনিচুকীয়া জিলাৰ হাপজান উন্নয়ন খণ্ড কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদৰ সময়ত 'আমাক জনজাতিকৰণ লাগিবই, জনজাতিকৰণৰ নামত প্ৰতাৰণা নচলিব, বিজেপি হায় হায়, আমাক জনজাতিকৰণ প্ৰদান কৰক' আদি শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। প্ৰতিবাদস্থলীৰ পৰা সদৌ মৰাণ ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দিলীপ মৰাণে কয়, 'অসমৰ আদিম ভূমিপুত্ৰ কিৰাট-কছাৰী মূলৰ মৰাণসকলে আজিকোপতি অনুসূচিত জনজাতিৰ মৰ্যাদা লাভৰ পৰা বঞ্চিত হৈ থকাটো এক ঐতিহাসিক বিড়ম্বনা। অতি সাম্প্ৰতিক দেশৰ আৰ্থ ৰাজনৈতিক আৰু আৰ্থ সামাজিক ক্ষেত্ৰৰ ব্যাপক পৰিৱৰ্তনৰ ফলত মৰাণৰ দৰে ক্ষুদ্ৰ আৰু অনগ্ৰসৰ জনগোষ্ঠীসমূহৰ জাতীয় জীৱন



সৰ্বদিশৰে আগ্ৰাসনৰ কৱলত পৰিছে। এনে অৱস্থা বাহাল থাকিলে অস্তিত্বৰ প্ৰতিয়েই সংকট নামি আহিব। ২০১৯ৰ লোকসভাৰ শীতকালীন অধিৱেশনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অসমৰ ছয় জনগোষ্ঠীক অতি শীঘ্ৰে জনজাতিকৰণ কৰা হ'ব বুলি ঘোষণা কৰাৰ পৰৱৰ্তী দুটা বছৰতো চৰকাৰে এই ক্ষেত্ৰত হোঁহকা-পিছলা কৰি থকা কাৰ্যক গণতন্ত্ৰৰ পৰিপন্থী আৰু ই জনগোষ্ঠীটোক কৰা চৰম প্ৰতাৰণাৰ নিদৰ্শন বুলি গণ্য কৰো। গতিকে আজি সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত সদৌ মৰাণ ছাত্ৰ সন্থা ক্ৰমে মাকুম, তিনিচুকীয়া আৰু বৰহাপজান আঞ্চলিক সমিতিৰ সহযোগত হাপজান উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ জৰিয়তে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰখনক দাবী জনাইছো যে অতি সোনকালে মৰাণ জনগোষ্ঠীক ষষ্ঠ অনুসূচীভুক্ত কৰি জনজাতিকৰণ প্ৰদান কৰক, অন্যথা অনাগত দিনত চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হ'ম।' পৰৱৰ্তী সময়ত প্ৰতিবাদস্থলীৰ পৰা হাপজান উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ আৰু সাধাৰণ সম্পাদক মুনীন দুৱৰা স্বাক্ষৰিত এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে আৰু স্মাৰকপত্ৰৰ জৰিয়তে মৰাণ জনজাতিক অতি শীঘ্ৰে জনজাতিকৰণৰ মৰ্যাদা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদানৰ দাবী জনায়।

## অবৈধ সুৰা-কয়লাৰ সৰবৰাহৰ বিৰুদ্ধে

## ধনশিৰি মহকুমাধিপতিক যুৱ-ছাত্ৰ পৰিষদৰ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**উৰিয়ামঘাট, ৫ জানুৱাৰী ঃ** ধনশিৰি মহকুমাৰ সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চুঙাজান আঞ্চলিক সমিতিয়ে অঞ্চলটোত অবৈধ সুৰা আৰু কয়লাৰ সৰবৰাহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে ধনশিৰি মহকুমাধিপতিক এক স্মাৰকপত্ৰ প্ৰদান কৰে। চুঙাজান জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি কিৰণ বৰাৰ দ্বাৰা স্বাক্ষৰিত স্মাৰকপত্ৰখনত অসম-নগালেণ্ড সীমান্তৰ চুঙাজানৰ নাওখাট এম ভি পথেদি বিগত কিছুদিন ধৰি অবৈধ অৰুণাচলী সুৰা, কয়লাভৰ্তি ট্ৰাক চুবুৰীয়া ৰাজ্য নগালেণ্ড আৰু কাৰ্বি আংলং জিলালৈ সৰবৰাহ হৈ আহিছে বুলি সংগঠনটোৱে অভিযোগ কৰিছে। এই অবৈধ ব্যৱসায় বন্ধ কৰিবৰ বাবে স্মাৰকপত্ৰখনৰ যোগেদি মহকুমাধিপতিক সংগঠনটোৱে অনুৰোধ জনাইছে।



# দ্বিতীয় টেষ্টত জয়ৰ সুযোগ ভাৰত-দক্ষিণ আফ্ৰিকাৰ

**জোহান্সবাৰ্গ, ৫ জানুৱাৰী ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত দ্বিতীয় টেষ্টখন ৰোমাঞ্চকৰ স্থিতিত উপনীত হৈছে। উল্লেখ্য যে ভাৰতে দক্ষিণ আফ্ৰিকাৰ সন্মুখত ২৪০ ৰাণৰ বিজয়লক্ষ্য দিছে আৰু সেয়া অনুসৰণ কৰি আজি তৃতীয় দিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকাই মাৰ্কৰাম (৩১ৰ আৰু পীটাৰছেন (২৮ৰ ৰ উইকেট দুটা হেৰুৱাই ১১৮ ৰাণ কৰিছে। উইকেটত আছে এলগাৰ (৪৬ৰঙ্গ হাতত আঠটা উইকেট থকা অৱস্থাত দক্ষিণ আফ্ৰিকা বিজয়ৰ বাবে ১২২ ৰাণ পিছ পৰি আছে। কাইলৈ ভাৰতে বলিং শক্তি প্ৰদৰ্শন কৰিব নে দক্ষিণ আফ্ৰিকাই দৃঢ়তাৰে বেটিং কৰিব সেয়াই নিৰ্ণয় কৰিব টেষ্টৰ ফলাফল। উল্লেখ্য যে টেষ্টখনত দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে প্ৰথম ইনিংছত ২৭ ৰাণৰ অগ্ৰগতি লাভ কৰিছিল। ভাৰতৰ প্ৰথম ইনিংছৰ ২০২ ৰাণৰ প্ৰত্যুত্তৰত দ্বিতীয় দিনা দক্ষিণ আফ্ৰিকাই ২২৯ ৰাণত প্ৰথম ইনিংছ সামৰে। ইফালে, ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি কলি দিনান্তত ৮৫-২ ৰাণ কৰাৰ পাছত আজি ২৬৬ ৰাণত ইনিংছ সামৰে। ভাৰতৰ হৈ ৰাহানে ৫৮ আৰু পুজাৰাই ৫৩ ৰাণ কৰাৰ লগতে ৪০ ৰাণত অপৰাজিত হৈ থাকে হনুমা বিহাৰী। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম টেষ্টত জয়লাভ কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে চলিত তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন টেষ্টৰ প্ৰথম ইনিংছত কিন্তু নিজৰ দৃঢ়তা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। তাৰপাছতো টীম ইণ্ডিয়াৰ পেচাৰ শ্বাৰ্দুল ঠাকুৰৰ কেৰিয়াৰ শ্ৰেষ্ঠ বলিঙৰ বাবেই ভাৰতে প্ৰত্যাৱৰ্তন কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ঠাকুৰে ৬১ ৰাণত সাতটা উইকেট দখল কৰি ভাৰতক দ্বিতীয় সুযোগ দিয়ে যদিও দ্বিতীয় ইনিংছতো টীম ইণ্ডিয়াই দৃঢ় বেটিং কৰাত সফল নহ'ল। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। ভাৰতে তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত দক্ষিণ আফ্ৰিকাক ১১৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লাভ কৰিছে।






## ভাৰতীয় মহিলা ফুটবল দলক প্ৰতিনিধিত্ব কৰা অপূৰ্ণাক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৫ জানুৱাৰী ঃ** বাংলাদেশৰ ঢাকাত অনুষ্ঠিত হোৱা ছাউথ এচিয়ান ফেডাৰেছন ১৯ অনুৰ্ধৰ মহিলা চেম্পিয়নশ্বিপ ফুটবল প্ৰতিযোগিতাত ভাৰতীয় দলত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা একমাত্ৰ প্ৰতিনিধি অপূৰ্ণা নাৰ্জাৰীক আজি কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাই আনুষ্ঠানিকভাবে সম্বৰ্ধনা জনায় । কোকৰাঝাৰ জিলাৰ অতি ভিতৰুৱা গাওঁ বনৰগাওঁৰ ওচৰৰ খাগ্ৰাবাৰী গাওঁৰ প্ৰবীন ফুটবল খেলুৱৈ বিশ্বজিত নাৰ্জাৰীৰ জীয়ৰী অপূৰ্ণা এই অনুষ্ঠানত ভাগ লৈ কয় যে দেউতাই ফুটবল খেলা দেখি মোৰো খেলিবলৈ আগ্ৰহ জন্মিছিল ।উল্লেখ্য যে অষ্টম শ্ৰেণীত ফুটবল খেলাৰ বাবে জিলা ভিত্তিত নিৰ্বচিত হোৱাৰ পাছত ছাই কমপ্লে'ত থাকিবলৈ লয় অপূৰ্ণা। তেওঁ ফুটবল অনুশীলন কৰাৰ সমানে পঢ়াশুনাও চলাই গৈছিল। অতি মেধাবী ছাত্ৰী অপুৰ্নাই হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উৰ্ত্তীণ হৈ বৰ্তমান দোতমা ইউ এন ব্ৰহ্ম মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষত অধ্যয়ন কৰি আছে।

## ৰিভাৰাইন ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা, মাজুলী, ৫ জানুৱাৰী ঃ** চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি মাজুলী মিনি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা এখন খেলত ৰিভাৰাইন ক্লাবে পেন্থাৰ ক্লাবক ১৪৭ ৰাণৰ বৃহৎ ব্যৱধানত পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰা তৃতীয়টো দল হিচাপে পৰিগণিত হৈছে। টছত জিকি ৰিভাৰাইন ক্লাবে প্ৰথমে বেট ধৰি আটাইকেইটা উইকেটৰ বিনিময়ত ২২১ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পেন্থাৰ ক্লাবে সকলো উইকেট হেৰুৱাই মাত্ৰ ৭৪ ৰাণহে কৰিবলৈ সক্ষম হয়।

## পঞ্চম চি ই এম গ'ল্ড কাপ ফুটবল আৰম্ভ

অগ্ৰদূত বাৰ্তা
**বকলীয়াঘাট, ৫ জানুৱাৰী ঃ** কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত আৰু কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ পৰিচালনাত ডিফুৰ অত্যাধুনিক 'কাছা' ষ্টেডিয়ামত আৰম্ভ হৈছে পঞ্চম চি ই এম গ'ল্ড কাপ ফুটবল ফুটবল প্ৰতিযোগিতা। ৰাজ্যৰ লগতে দেশৰ আগশাৰীৰ ১২ টা ফুটবল দলে অংশগ্ৰহণ কৰিছে প্ৰতিযোগিতাত। প্ৰতিযোগিতাৰ ফাইনেল খেলখন ১৮ জানুৱাৰীত অনুষ্ঠিত হ'ব। চেম্পিয়ন দলে তিনি লাখ আৰু ৰাণাৰ্ছআপ দলে লাভ কৰিব দুই লাখ টকাৰ প্ৰাইজমানি। উদ্বোধনী খেলখনত অংশগ্ৰহণ কৰে কাৰ্বি আংলং মৰ্ণিংষ্টাৰ এফ চি আৰু ডিমা ইউনাইটেড এফ চিয়ে। প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে।



## নিউজিলেণ্ডৰ মাটিত প্ৰথমবাৰৰ বাবে টেষ্ট জয়ৰ ঐতিহাসিক সাফল্য বাংলাদেশৰ



**মাউণ্ট মৌনগানুই, ৫ জানুৱাৰী ঃ** বাংলাদেশে প্ৰথমবাৰৰ বাবে নিউজিলেণ্ডৰ ভূমিত ঐতিহাসিক টেষ্ট জয়ৰ গৌৰৱময় সফলতা লাভ কৰিছে। উল্লেখ্য যে চলিত দুখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্টত নিউজিলেণ্ডৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰি ১-০ ত অগ্ৰগতি লৈছে বাংলাদেশে। আজি অন্তিম দিনা জয়ৰ বাবে বাংলাদেশক প্ৰয়োজন হৈছিল ৪০ ৰাণ। ভ্ৰমণকাৰী দলটোৱে দুটা উইকেট হেৰুৱাই ৪২ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে টেষ্টখনত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি শক্তিশালী স্থিতিত উপনীত হৈছিল বাংলাদেশ। নিউজিলেণ্ডৰ প্ৰথম ইনিংছৰ ৩২৮ ৰাণৰ প্ৰত্যুত্তৰত বাংলাদেশে প্ৰথম ইনিংছত ৪৫৮ ৰাণ কৰি মুঠ ১৩০ ৰাণৰ অগ্ৰগতি লয়। ইফালে, নিউজিলেণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি চতুৰ্থদিনাৰ খেলৰ অন্তত পাঁচটা উইকেট হেৰুৱাইছিল ১৪৭ ৰাণত। আজি কিবি বাহিনীয়ে ১৬৯ ৰাণত অলআউট হয়। নিউজিলেণ্ডৰ হৈ দ্বিতীয় ইনিংছত ইয়ঙে ৬৯ ৰাণ কৰাৰ বিপৰীতে বাংলাদেশৰ হৈ ইবাড'ট হুচেইনে ছটা উইকেট পায় আৰু মেচৰ শ্ৰেষ্ঠ হয়। উল্লেখ্য যে বাংলাদেশৰ এই ঐতিহাসিক বিজয়ৰ মূখ্য কাৰণ হ'ল দলে প্ৰথম ইনিংছত কৰা দৰ্শনীয় বেটিং। বাংলাদেশৰ হৈ মোমিনুল হকে ৮৮, লিটন দাসে ৮৬, মহমুদুল্লা হাছানে ৭৮ আৰু নাজমুলে ৬৪ ৰাণ কৰে। ইয়াৰপূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩২৮ ৰাণ কৰিছিল। ঘৰুৱা দলৰ হৈ ক'নৱে ১২২ ৰাণৰ শতকীয় ইনিংছ খেলিছিল।

### ভকতপাৰাত ব্লক পৰ্যায়ৰ ফুটবল

## তেতেলীভাঙুৰী ছানৰাইজ ক্লাবৰ চেম্পিয়ন ট্ৰফী লাভ

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ৫ জানুৱাৰী ঃ** তেতেলীভাঙুৰী ছানৰাইজ ক্লাবে দৰঙৰ ভকতপাৰাৰ বড়ো স্পৰ্টছ খেলপথাৰত এদিনীয়াকৈ আয়োজিত ফুটবল প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। নেহৰু যুৱ কেন্দ্ৰ, দৰঙৰ সৌজন্যত কেহুতলী বাংগ্ৰীম ক্লাবৰ উদ্যোগত আয়োজিত দৰঙৰ পূৱ মঙলদৈ ব্লক পৰ্যায়ৰ ফাইনেলত ছানৰাইজে ভকতপাৰা বড়ো স্পৰ্টছ ক্লাবক সামগ্ৰীকভাবে ৫-৪ গলত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ হৈছিল।




## নাৱাজ ইলেভেনৰ জয়

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৫ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত জাজৰিৰ নাৱাজ ইলেভেনে ধিং চাৰিআলি ক্ৰিকেট ক্লাবক ১১ ৰাণত হৰুৱাই অগ্ৰগতি লাভ কৰিছে। খেলখনত জাজৰি নাৱাজ ইলেভেনে টছত জিকি পোনতে বেট ধৰি সাতটা উইকেটৰ বিনিময়ত ১৪৫ ৰাণ সংগ্ৰহ কৰে।প্ৰত্যুত্তৰত ধিং চাৰিআলি ক্ৰিকেট ক্লাবে বেট ধৰি চাৰিটা উইকেট হেৰুৱাই ১৩৪ ৰাণহে কৰিবলৈ সক্ষম হয়। খেলৰ অন্তত বিশিষ্ট সমাজকৰ্মী হবিবুৰ ৰহমান ছিদ্দিকী আৰু মাইনুল ইছলামে জাজৰিৰ নাৱাজ ইলেভেনৰ সিদ্ধাৰ্থ বৰাক মেন অব দ্যা মেচৰ বঁটা প্ৰদান কৰে।

### চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ

## টাউন ক্লাবক হৰুৱাই গুৱাহাটী জিলাৰ চেম্পিয়ন চিটী ক্ৰিকেট

**গুৱাহাটী, ৫ জানুৱাৰী ঃ** চিটী ক্ৰিকেট ক্লাবে ছয় উইকেটত গুৱাহাটী টাউন ক্লাবক পৰাস্ত কৰি চলিত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজি হোৱা ফাইনেলত পোনতে বেটিং কৰি গুৱাহাটী টাউন ক্লাবে ১২১ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, চিটী ক্ৰিকেট ক্লাবে চাৰি উইকেটত ১২৩ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে মুঠ ৭৫ লাখ টকা প্ৰাইজমানি থকা এ চি এৰ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হৈছে জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ ২৮ জানুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমুহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ ১২ দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব ১০ মাৰ্চৰ পৰা ১০ এপ্ৰিললৈ। চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব ১০ লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।



## সন্তোষ ব্ৰহ্ম ক্লাব ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা, গৰুভাসা, ৫ জানুৱাৰী ঃ** চিৰাং জিলা ক্ৰিকেট সন্থাৰ উদ্যোগত চলি থকা সন্তোষ ব্ৰহ্ম সোঁৱৰণী আন্তঃক্লাব ক্ৰিকেট লীগত ঢালিগাঁৱৰ খৌৰামদাউ ক্লাবে অগ্ৰগতি লাভ কৰিছে। বেংতলত আজি অনুষ্ঠিত হোৱা লীগৰ এখন খেলত খৌৰামদাউ ক্লাবে স্থানীয় জাংখ্ৰিখাং ক্লাবক ১৪৮ ৰাণৰ বৃহৎ ব্যৱধানত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি খৌৰামদাউ ক্লাবে ২৩.২ অভাৰত১৮৯ ৰাণ কৰে। প্ৰত্যুত্তৰত জাংখ্ৰিখাং ক্লাবে মাত্ৰ ৪১ ৰাণতে ইনিংছ সামৰে।

### গ্ৰন্থমেলাত 'অবহেলিত অসমৰ ক্ৰীড়া সাহিত্য, বিন্দুৰ পৰা সিন্ধুলৈ' বিষয়ক আলোচনাচক্ৰ

## অসমৰ ক্ৰীড়া ইতিহাস প্ৰকাশ কৰিব অলিম্পিক সন্থাই

**গুৱাহাটী, ৫ জানুৱাৰী ঃ** অসম অলিম্পিক সন্থাই ৰাজ্যৰ ক্ৰীড়া ইতিহাস প্ৰকাশ কৰাৰ এক আদৰণীয় পদক্ষেপ হাতত লৈছে। আজি এই কথা আনুষ্ঠানিকভাবে ব্যক্ত কৰে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। উল্লেখ্য যে অসম প্ৰকাশন পৰিষদ তথা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই আয়োজন কৰা চলিত অসম গ্ৰন্থমেলাত আজি অনুষ্ঠিত হয় ক্ৰীড়া বিষয়ৰ এখন বিশেষ আলোচনাচক্ৰ। উক্ত আলোচনাচক্ৰখন উদ্বোধন কৰি নিজৰ ভাষণত অসম ক্ৰীড়া প্ৰাধিকৰণৰ উপসভাপতি তথা অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে ৰাজ্যৰ ক্ৰীড়া ইতিহাস প্ৰকাশ কৰাৰ কথা আনুষ্ঠানিকভাবে ঘোষণা কৰে। উল্লেখ্য যে বিশিষ্ট শিক্ষাবিদ তথা লেখক ড০ শ্যামাপ্ৰসাদ শৰ্মা সঞ্চালকৰ দায়িত্বত থকা উক্ত আলোচনাচক্ৰৰ বিষয় আছিল ঃ 'অবহেলিত অসমৰ ক্ৰীড়া সাহিত্য, বিন্দুৰ পৰা সিন্ধুলৈ।' কবি-সাংবাদিক নৱ কুমাৰ পাঠকে আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ দিয়ে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই। আনহাতে, আলোচক অতিথিসকলক মঞ্চলৈ আদৰে সাংবাদিক মিহিৰ দেউৰীয়ে। সঞ্চালকৰ ভাষণত শিক্ষাবিদ শৰ্মাই কয় যে ক্ৰীড়া আৰু বিজ্ঞান সাহিত্যক বাদ দি অসমৰ সাহিত্যৰ সামগ্ৰিক উত্তৰণ কেতিয়াও হ'ব নোৱাৰে। তেওঁ মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত ক্ৰীড়া সাহিত্যক অন্তৰ্ভুক্ত কৰাৰ বাবে আহ্বান জনায়। ইফালে, আলোচক অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক পৱিত্ৰ গগৈয়ে কয় যে দেশে স্বাধীনতা লাভ নকৰাৰ আগৰে পৰা অসমত ক্ৰীড়া সাহিত্যৰ চৰ্চা আৰম্ভ হৈছিল আৰু সেয়া এতিয়াও অৱধাৰিত ৰূপত চলিয়ে আছে। ইফালে, যুগল লোচন দাসে অসমত ক্ৰীড়া সাহিত্যৰ সমাদৰ বৃদ্ধি পোৱা বুলি কয়। ধাৰাভাষ্যকাৰ নয়ন প্ৰসাদে কয় যে সময়ৰ গতিত অসমৰ ক্ৰীড়া সাহিত্য সমৃদ্ধি হৈছে লগতে পৰিবৰ্তনৰ এটা নতুন ৰূপ দেখা গৈছে। ইফালে, বক্সাৰ লাভলীনা বৰগোহাঁইৰ অলিম্পিক পদক জয়ৰ প্ৰসংগ ব্যক্ত কৰি কুলপ্ৰদীপ ভাগৱতীয়ে কয় যে ক্ৰীড়াৰ জড়িয়তে অসমে সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ সন্মান লাভ কৰাৰ পাছতো অসমত খেল, খেলুৱৈ আৰু সংগঠকে প্ৰাপ্য সন্মানৰ পৰা আজিও বঞ্চিত। অসমৰ ক্ৰীড়াৰ এক ডিজিটেল পুথিভড়াল প্ৰয়োজন বুলি তেওঁ কয়। ইফালে, বিদ্যুৎ কলিতাই অসমৰ সংবাদ মাধ্যমত ক্ৰীড়াৰ গুৰুত্ব পূৰ্বতকৈ বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰে। উল্লেখ্য যে অসম গ্ৰন্থমেলাত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ল ক্ৰীড়া বিষয়ৰ আলোচনাচক্ৰ।




## ডিগবৈত দিবা-নৈশ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ

**ডিগবৈ, ৫ জানুৱাৰী ঃ** তৈলনগৰী ডিগবৈ ৰিফাইনেৰী খেলপথাৰত নিউ ষ্টাৰ ক্লাবৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে দশম সংখ্যক প্ৰাইজমানি দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা। অহা ২০ জানুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনিত ৰাজ্যৰ কেইবাটাও আগশাৰীৰ ক্ৰিকেট দলৰ লগতে মুঠ ৪২ টা দলে ইতিমধ্যে অংশগ্ৰহণ কৰিছে। ক্লাবৰ সভাপতি সন্তোষ ছেত্ৰীয়ে আঁত ধৰা আজি প্ৰথম দিনা শুভাৰম্ভনি অনুষ্ঠানত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক অৰুণজ্যোতি মৰাণ। প্ৰথম দিনৰ খেলখনত যোৱা বছৰৰ বিজয়ী দল তিনিচুকীয়া জি টি ৰাইডাৰে খেলে ডিগবৈ বইজ ক্লাবৰ বিৰুদ্ধে। উদ্বোধনী খেলখনিত ডিগবৈ বইজ ক্লাৱে ছয় উইকেটৰ ব্যৱধানত জয় লাভ কৰে। উল্লেখ্য যে দশম বাৰ্ষিক নিউ ষ্টাৰ ক্লাবৰ প্ৰাইজমানি দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাখনৰ বিজয়ী দলক নগদ ৫০ হাজাৰ টকা আৰু বিজেতা দলক নগদ ২৫ হাজাৰ টকাৰে পুৰস্কৃত কৰিব।



### এছেজ শৃংখলাৰ চতুৰ্থখন টেষ্ট

## প্ৰথমদিনা অষ্ট্ৰেলিয়াৰ সংগ্ৰহ ১২৬-৩ ৰাণ

**ছিডনী, ৫ জানুৱাৰী ঃ** চলিত এছেজ শৃংখলাৰ চতুৰ্থখন টেষ্ট আজিৰে পৰা ছিডনীত আৰম্ভ হৈছে। আজি প্ৰথমদিনা মাত্ৰ ৪৬.৫ অভাৰৰ খেলহে সম্ভৱ হয়। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই প্ৰথম দিনা তিনি উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে ১২৬ ৰাণ। ঘৰুৱা দলৰ হৈ ডেভিদ ৱাৰ্ণৰে ৩০, হেৰিছে ৩৮ আৰু লাবুচেঙে ২৮ ৰাণ কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াই প্ৰথম তিনিখন টেষ্টত জয়ী হৈ ইতিমধ্যে এছেজ শৃংখলা দখল কৰিবলৈ সক্ষম হৈছে। সেয়ে বাকী থকা দূয়োখন টেষ্ট এতিয়া গুৰুত্বহীন। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ প্ৰথম দুখন টেষ্টত অষ্ট্ৰেলিয়াই বিধ্বস্ত কৰিছিল ইংলণ্ডক। অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰাৰ পাছত দ্বিতীয় টেষ্টত ইংলণ্ডে ২৭৫ ৰাণত পৰাজয় স্বীকাৰ কৰে। আনহাতে, শৃংখলাৰ তৃতীয়খন টেষ্টত জয়লাভ কৰি ৩-০ ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছিল কেংগাৰু বাহিনীয়ে। বক্সিং ডে টেষ্টখনত অষ্ট্ৰেলিয়াই এক ইনিংছ আৰু ১৪ ৰাণত ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰে।

### মঙলদৈত আন্তঃদৰং জিলা বেডমিণ্টন প্ৰতিযোগিতাৰ সফল সামৰণি

## নিলিমেষ, পাৰ্থ, নিশিতা, হাৰ্ছেল, অৰ্ণৱ, লিপ্সিতা চেম্পিয়ন

অগ্ৰদূত বাৰ্তা-বিশেষ সংবাদদাতা
**মঙলদৈ, ৫ জানুৱাৰী ঃ** দৰং জিলা বেডমিন্টন সন্থাৰ উদ্যোগত আৰু দ্য মঙলদৈ ক্লাবৰ সহযোগত ইয়াৰ গোপীনাথ বৰদলৈ ইনড'ৰ ষ্টেডিয়ামত চলিথকা স্কুলীয়া ছাত্ৰ -ছাত্ৰীৰ বেডমিন্টন প্ৰতিযোগিতাৰ ফাইনেল খেলসমূহ আজি অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ ছাব-জুনিয়ৰ শাখাৰ ফাইনেল খেলত নিলিমেশ বৰুৱাই অৰ্পিতা দাসক পৰাস্ত কৰে। একেদৰে জুনিয়ৰ ছোৱালীৰ শাখাৰ ফাইনেলত পাৰ্থনা ডেকাই মেঘময়ূৰী চহৰীয়াক তথা জুনিয়ৰ ল'ৰাৰ ফাইনেলত হাৰ্ছেল কাশ্যপে হিমাংশু ডেকাক পৰাস্ত কৰে। ছিনিয়ৰ ছোৱালী শাখাৰ ফাইনেলত নিশিতা ডেকাই লিপ্সিতা দাসক আৰু ছিনিয়ৰ ল'ৰাৰ শাখাৰ ফাইনেলত অৰ্ণৱ শৰ্মাই ধ্যানজ্যোতি দাসক পৰাস্ত কৰি খিতাপ লাভ কৰে। আনহাতে, মিক্সড ডাবলছৰ ফাইনেলত অৰ্ণৱ শৰ্মা আৰু লিপ্সিতা দাসৰ যুটীয়ে নিশিতা ডেকা আৰু ধ্যানজ্যোতি দাসৰ যুটীক পৰাস্ত কৰি চেম্পিয়ন হয়। প্ৰতিযোগিতাৰ অন্তত হোৱা বঁটা বিতৰণী অনুষ্ঠানত দ্য মঙলদৈ ক্লাবৰ সম্পাদক ডাঃ অমৰেন্দ্ৰ নাৰায়ন দেৱ, দৰং জিলা বেডমিণ্টন সন্থাৰ সম্পাদক বসন্ত কুমাৰ ডেকা, ড০ কমলা কান্ত বড়া, গীতিকাৰ চহিৰ ভূএগ্ৰা আদিয়ে ট্ৰফীসমূহ বিতৰণ কৰে।



নাস্তি মাতৃসমা ছায়া নাস্তি মাতৃসমা গতিঃ
নাস্তি মাতৃসমং ত্ৰাণং নাস্তি মাতৃসমা প্ৰিয়া

পিতা স্বৰ্গঃ পিতা ধৰ্মঃ পিতা হি পৰমং তপঃ
পিতৰি প্ৰীতিমাপন্নে প্ৰীয়ন্তে সৰ্বদেৱতাঃ

অসম চৰকাৰ

জনতাৰ চৰকাৰ | my GOV

মাতৃ-পিতৃৰ প্ৰতি দায়িত্ব পালনৰ
সোণালী পৰম্পৰা

# মাতৃ-পিতৃ বন্দনা

৬ আৰু ৭ জানুৱাৰী

মাতৃ-পিতৃ তথা শাহু-শহুৰ থকা সকলো চৰকাৰী কৰ্মচাৰী আৰু মন্ত্ৰী-বিধায়কৰ বাবে বিশেষ নৈমিত্তিক ছুটীৰ দিন



ব্যস্ততাৰ মাজতে মাতৃ-পিতৃৰ সংগত সময় কটাই তেখেতসকলৰ আশীৰ্বাদেৰে নিজৰ জীৱন ধন্য কৰোঁ আহক।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

৮ আৰু ৯ জানুৱাৰী দ্বিতীয় শনিবাৰ আৰু দেওবাৰ সহিতে মুঠ ৪ দিনৰ ছুটী। ৬ আৰু ৭ জানুৱাৰীৰ বিশেষ নৈমিত্তিক ছুটীৰ সুবিধা নিয়মীয়া নৈমিত্তিক ছুটীৰ অতিৰিক্ত হিচাপে প্ৰদান কৰা হ'ব।

১২ আৰু ১৩ জানুৱাৰী

প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ অন্তৰ্গত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ বাবে মাতৃ-পিতৃ বন্দনাৰ বিশেষ নৈমিত্তিক ছুটীৰ দিন

জনসংযোগ/ডি/১২৯৬/২১

ছুটীৰ আবেদনৰ বাবে লগ ইন কৰক
visitparents.assamgovcalendars.in

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam dipr.assam.gov.in



Directorate of Health Services (FW), Assam

Government of Assam

National Health Mission, Assam

## যোৱা ৩ দিনত অসমত ১৫ৰ পৰা ১৮ বছৰ বয়সৰ ২,৮৫,৪৪৩ জন শিশুৱে ক'ভিড-১৯ৰ টিকাকৰণ প্ৰাপ্ত কৰিলে।



শ্ৰী কেশৱ মহন্ত
মাননীয় মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, অসম

### তোমালোকে এক উদাহৰণ স্থাপন কৰিছা!

৩,৪ আৰু ৫ জানুৱাৰী ২০২২ তাৰিখৰ দিনা উৎসাহজনক যোগদানৰ বাবে তোমালোকক ধন্যবাদ জনালোঁ। আমি আগন্তুক দিনবোৰতো একেই প্ৰতিক্ৰিয়া পাম বুলি আশা কৰিছোঁ।

সকলো যোগ্যসকলক আহ্বান জনোৱা হৈছে:
আহক আৰু অনতিপলমে ক'ভিড-১৯ টিকাকৰণ গ্ৰহণ কৰক।

মনত ৰাখিব।
- খালী পেটত প্ৰতিষেধক নলব।
- টিকাকৰণৰ লব যোৱা সময়ত নিজৰ পৰিচয় পত্ৰ (আধাৰ কাৰ্ড/পেন কাৰ্ড/পাছপৰ্ট/শিক্ষানুষ্ঠানে প্ৰদান কৰা পৰিচয় পত্ৰ আদি) লগত ৰাখিব।



ক'ভিড-১৯ টিকাকৰণৰ বাবে কিদৰে পঞ্জীয়ন কৰিব পাৰে?

(ক) এক চলিত একাউণ্টৰ জৰিয়তে ক'ৱিন প'ৰ্টেলত স্ব-পঞ্জীয়ন কৰিব। এই ৱেবছাইটটোৰ লিংক হৈছে: www.cowin.gov.in

(খ) ক'ৱিন প'ৰ্টেলত এক অনন্য নম্বৰৰ যোগেদি এটা নতুন একাউণ্ট সৃষ্টি কৰি স্ব-পঞ্জীয়ন কৰিব। যিসকল শিশুৰ নিজৰ মোবাইল নম্বৰ নাই তেওঁলোকে নিজৰ পিতৃ-মাতৃ/অভিভাৱকৰ নম্বৰ ব্যৱহাৰ কৰিব পাৰে।

(গ) টিকাকৰণ কেন্দ্ৰসমূহত ৱাক-ইন/অন-চাইট পঞ্জীয়ন কৰিব পাৰে।

১৫-১৮ বছৰ বয়সৰ শিক্ষাৰ্থীসকলক ক'ভেক্সিন বিনামূলীয়াকৈ প্ৰদান কৰা হৈছে নিজ নিজ শিক্ষানুষ্ঠানত।
শিক্ষাৰ কোচিং, দক্ষতা বিকাশত প্ৰশিক্ষণ আদি লৈ থকা শিক্ষাৰ্থীসকলে নিকটতম চৰকাৰী ক'ভিড-১৯ টিকাকৰণ কেন্দ্ৰত এয়া উপলব্ধ কৰিব পাৰিব।

ক'ভিড সংক্ৰান্তীয় বিষয়সমূহ জানিবৰ বাবে ৰাজ্যিক ক'ভিড টিকাকৰণ নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ৮০৯৯৪৭০৬৮২, ৮৩৯৯৮৬৩৯৭১ ত ফোন কৰক।
এম্বুলেন্স সেৱাৰ বাবে ১০৮ নম্বৰলৈ ফোন কৰক

টিকাকৰণৰ পিছতো ক'ভিড-১৯ৰ সকলো আচৰণ বিধি পালন কৰিবলৈ নাপাহৰিব

ভালদৰে লিপিটি খাই পৰা মাস্ক পিন্ধিব | ছেনিটাইজাৰ ব্যৱহাৰ কৰিব | শাৰীৰিক দূৰত্ব বজাই ৰাখিব | নিয়মীয়াকৈ হাত ধোৱক

স্বাস্থ্যজনিত সমস্যাৰ বাবে যদি আপুনি ঘৰৰ পৰা ওলাই যাব নোৱাৰে তেন্তে ঘৰত টিকাকৰণৰ সুবিধা ল'বলৈ অথবা আপোনাৰ ঘৰৰ ওচৰৰ ক'ভিড-১৯ টিকাকৰণ কেন্দ্ৰসমূহৰ সন্দৰ্ভত অধিক জানিবলৈ ১০৪ নম্বৰলৈ ফোন কৰক

জনসংযোগ/ডিএফ/২৩৩৭/২১

unicef for every child